
মঙলদৈ মহাবিদ্যালয়
আলোচনী
সম্পাদক: ভবেশ বৰুৱা।

# মঙলদৈ মহাবিদ্যালয়

# আলোচনী

ইং ১৯৮৭-৮৮ চন

## ॥ সূচীপত্ৰ ॥

● প্ৰবন্ধ ●


অসমীয়া জাতি গঠনত শঙ্কৰদেৱৰ কলা-কৃষ্টিৰ অৱদান ॥ ১ ॥ শ্ৰীধ্যানজ্যোতি চহৰীয়া
জ্যোতিপ্ৰসাদৰ জীৱন আৰু গীত ॥ ৬ ॥ ইদ্ৰিছ আলি
প্ৰাচীন অসমীয়া গদ্য সাহিত্যৰ এটি পৰ্য্যালোচনা ॥ ১০ ॥ শ্ৰীবলোমণি ( ৰাম ) ৰাজবংশী
বিহু আৰু অসমৰ সংহতি ॥ ১৫ ॥ শ্ৰীৰজিতা কলিতা
দৰঙ্গী কলা-কৃষ্টিত লোকবিশ্বাসৰ ভূমিকা ॥ ১৭ ॥ শ্ৰীকণিতা কলিতা
সত্যজিৎ ৰায়ৰ প্ৰতিভাৰ আন কেইটিমান দিশ ॥ ২০ ॥ শ্ৰীদিগন্ত কুমাৰ ডেকা
মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰতীক (Emblme)ৰ ইতিকথা ॥ ২৩ ॥ দেৱীদাস নেওগ
সমৰ কলা ( Martial Arts ) আৰু আত্মৰক্ষা বিজ্ঞান
( Science of self-defence ) ৰ চমু ইতিহাস
আৰু মঙ্গলদৈত ইয়াৰ প্ৰভাৱ ॥ ২৫ ॥ শ্ৰীগিৰীশ শইকীয়া
ধৰ্ম ॥ ২৮ ॥ শ্ৰীসাবিৰাম ৰবা

## ● কবিতা ●



দেহব ছুৱাবেদি ॥ ৩১ ॥ শ্ৰীহৰেন্দ্ৰ কেওঁট
আৱাহন ॥ ৩১ ॥ শ্ৰীমিনতি দেৱী
কেঁচা সোণৰ সপোন ॥ ৩২ ॥ শ্ৰীভৱজ্যোতি চহৰীয়া
বহাগী নিশা ॥ ৩৩ ॥ শ্ৰীহিমাংশু ৰঞ্জন নাথ
আমিয়েইতো আনিব লাগিব
এই ৰাতিৰ শেষৰ নতুন প্ৰভাত ॥ ৩৪ ॥ শ্ৰীজীৱন চন্দ্ৰ কোঁচ
অতীত আৰু বৰ্ত্তমান ॥ ৩৪ ॥ শ্ৰীজ্যোতিষ চন্দ্ৰ নাথ
সুৱদি গীত ॥ ৩৫ ॥ মিচ্ মঞ্জু দেৱী
স্নেহ ॥ ৩৫ ॥ মঃ হাফিজ আলি
অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰী ॥ ৩৬ ॥ শ্ৰীবিপিন শৰ্মা বৰুৱা
মৰমৰ বন্ধু ॥ ৩৭ ॥ শ্ৰীপ্ৰবীন শৰ্মা
স্বাগতম, হে মহাবিদ্যালয় ॥ ৩৮ ॥ মিচ্ বুলুমণি বৰদলৈ
বিভ্ৰান্ত বিভূক্ষিত ॥ ৩৮ ॥ শ্ৰীপ্ৰবীণ কুমাৰ ডেকা
চিৰ জ্যোতিষ্মান ॥ ৩৯ ॥ শ্ৰীবোধেশ্বৰ শৰ্মা
অসমীয়া ডেকা আমি ॥ ৪০ ॥ শ্ৰীহিৰণ চন্দ্ৰ বৰুৱা
গৈ আছো ॥ ৪১ ॥ শ্ৰীহীৰাজ্যোতি দাস
নৱবৰ্ষ ॥ ৪১ ॥ শ্ৰীবীৰেন্দ্ৰ কুমাৰ নাথ
এন, এছ, এছৰ অভিজ্ঞতা ॥ ৪২ ॥ শ্ৰীভৈৰৱ চন্দ্ৰ ডেকা
কবিতা সুন্দৰৰ ॥ ৪৩ ॥ শ্ৰীদিলীপ কুমাৰ নাথ
শৰণাৰ্থী শিবিৰ ॥ ৪৪ ॥ শ্ৰীগুঞ্জুৰী ৰায় চৌধুৰী


## ● গল্প ●


পপীয়াতৰা ॥ ৪৫ ॥ মিচ্ ছুলপ্ৰিয়া ডেকা
অশান্ত প্ৰহৰ ॥ ৫১ ॥ শ্ৰীনিৰ্ম্মালী ডেকা
থুনপাক ॥ ৫৪ ॥ শ্ৰীমতিৰাম মেধি
জীৱন যাত্ৰাত ॥ ৫৮ ॥ শ্ৰীপ্ৰণৱ কুমাৰ ডেকা
লুইতৰ পাৰে বিভিয়াই ॥ ৬৭ ॥ শ্ৰীহৰেন্দ্ৰ ৰাজবংশী
বানে গঢ়কা জীৱন ॥ ৭৫ ॥ শ্ৰীমোহন চন্দ্ৰ মেধি
বিভাগীয় প্ৰতিবেদন ॥ ৮১ ৰ পৰা ৮৬ ॥


□□

# সম্পাদকীয়



জয়জয়তে বিগত অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া ছহিদসকললৈ মোৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

"সাহিত্য জাতিৰ দাপোন, মেৰুদণ্ড" এই কথা সকলোৰে অৱগত।

কিন্তু প্ৰতিপন্ন কৰাটোৱে আচল কথা। এখন মহাবিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয় খনিৰ বিভিন্ন দিশবোৰ উদঙাই তোলে। ঠিক তেনেদৰে মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয়খন বাইজৰ আগত অৱগত কৰা এক দৃঢ় প্ৰচেষ্টা। এই প্ৰচেষ্টাত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সহাৰি জনোৱাটো কৰ্ত্তব্য। কিন্তু মই মোৰ কাৰ্য্যকালত দেখি আহিছো, মঙলদৈ মহাবিদ্যালয়ৰ প্ৰায় শাখাৰ সম্পাদক সমূহে কেৱল তথাকথিত মহাবিদ্যালয় সপ্তাহৰ বাবেহে সম্পাদকৰ দায়িত্ব পালন কৰে আৰু মহাবিদ্যালয়ৰ উন্নয়নৰ নামত টকা-পইচাৰৰ শ্ৰাদ্ধ পতাটোহে আমি লক্ষ্য কৰিছো। নিৰ্বাচনৰ আগৰ বৰ্বৰ কথাবিলাক কামত প্ৰতিপন্ন কৰাটো দেখা নাযায় যিটো আমাৰ ভাৰতৰ ৰাজনীতিৰ লগত বিজাৰ পাৰি। আচলতে ডাঙৰ কথা কোৱা টো একেবাৰে সৰু কথা। কিন্তু সৰু কথাবোৰ কামত প্ৰতিপন্ন কৰাটো ডাঙৰ কথা।

সম্পাদক মানে সম্পাদনা নহয়। এই ক্ষেত্ৰত সকলো ছাত্ৰ-ছাত্ৰীয়ে সহযোগ কৰাটো আচল কথা। কাৰণ মই দেখিবলৈ পাইছো গল্প, কবিতা আদিৰ বিভিন্ন দিশৰ ওপৰত লিখনি বিচাৰি নোটিছ বৰ্ডৰ ওপৰত নোটিছ এখনৰ পিছত এখন দিও কিন্তু অতি পৰিতাপৰ বিষয় যে মঙলদৈ মহাবিদ্যালয়ৰ বৃহৎ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত অতি কম সংখ্যক লিখনিহে পাওঁ। কিন্তু সেই কম সংখ্যক লিখনিৰ ভিতৰত অধিক সংখ্যক লিখনিয়েই নিম্নমানৰ। এখন পুষ্টসাধক আলোচনীৰ যিখিনি পুজিৰ প্ৰয়োজন সেইখিনি আমি মঙলদৈ মহাবিদ্যালয়ত পোৱা নাই। সম্পাদকীয় লিখিবলৈ গৈ আজি বহু কথা লিখিব পাৰি যেনে মহাবিদ্যালয়ৰ অডিটৰিয়াম, লাইট আৰু হোষ্টেলৰ অসুবিধাবোৰ। কিন্তু এতিয়া এইবোৰ মই বহলাব নাযাও কাৰন অহাবাৰ হবলগীয়া নিৰ্বাচনৰ সাধাৰণ সম্পাদকৰ প্ৰতিদ্বন্দ্বিতাত এইবোৰেই মুখ্য বক্তৃতাৰ ফুলজাৰি হব। যেনেদৰে মোৰ কাৰ্য্যকালত এইবোৰ পৰিলক্ষিত হৈছে।

আলোচনী প্ৰকাশত যথেষ্ঠ পলম হোৱাৰ বাবে মই দুখিত, কিন্তু এই ক্ষেত্ৰত বহুবাৰ জাননী দিওঁ আপোনালোকৰ বিপুল ভোটত জয়ীকৰা প্ৰায় সম্পাদকৰেই প্ৰতিবেদন এতিয়ালৈ নাপালেঁ। ইয়াৰ কাৰন কি হব পাৰে? মহাবিদ্যালয় কৰ্তৃপক্ষ, ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে বিচাৰ কৰি চালে ইয়াৰ মুল কাৰন নিশ্চয় ওলাবই।

শেষত মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলেঁ। আৰু মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলেঁ।


ধন্যবাদেৰে—

**ভবেশ বৰুৱা**


১৯৮৭-৮৮ সম্পাদক, আলোচনী বিভাগ



অধ্যক্ষ, আব্দুল মজিদ—মঙ্গলদৈ মহাবিদ্যালয়



১৯৮৮ চনব গুৱাহাটী বিশ্ববিদ্যালয়ব পবা
অনুষ্ঠিত স্নাতক মহলা (T. D. C.), চূড়ান্ত
পবীক্ষাত অসমীয়াব মেজবত প্রথম শ্রেণীব
প্রথম স্থান অধিকাব কবে আমাব মহা-
বিদ্যালয়ব ছাত্র শ্রীকনক চহবীয়া—





মহাবিদ্যালয়ব ছহিদ বেদীব একাংশ

মহাবিদ্যালয়ব মুখ্য দ্বাব—

দবং জিলাব একমাত্র উচ্চ শিক্ষাব প্রাণ কেন্দ্র এয়া মঙ্গলদৈ
মহাবিদ্যালয়, বানপানীব কবাল গ্রাসত।
[ ফটো— ধবণীধব ডেকা ]

# অসমীয়া জাতি গঠনত শঙ্কৰদেৱৰ কলা-কৃষ্টিৰ অৱদান

শ্ৰীধ্যানজ্যোতি চহৰীয়া
স্নাতক ১ম বাৰ্ষিক

হৰিনাম প্ৰেমৰসে অমৃত নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণে ।
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙি দিলা
সুখে পাণ কৰা সৰ্বজনে ॥ (নামঘোষা)

মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱে হৰিনাম ৰসেৰে প্ৰেম অমৃতৰ নদী ব্ৰহ্মাণ্ডলৈ বোঁৱাই আনি বৃহৎ অসমীয়া জাতিক একেডাল সূতাৰে বান্ধি থৈ গৈছিল আজিৰ পৰা প্ৰায় পাঁচশ বছৰৰ আগতে । অসমীয়া ভাষা-সাহিত্যৰ সৰ্বতো প্ৰকাৰ উন্নতি সাধন কৰি ৰচি থৈ গ'ল অসমীয়া সাহিত্য-সংস্কৃতিৰ 'সোণালী যুগ' ।

"এই পৃথিৱীত যিসকল মহাপুৰুষে জন্ম গ্ৰহণ কৰিছিল, তাৰ ভিতৰত তিনিজন মহাপুৰুষ আছিল কৃষ্টিৰ আকাৰ । এজন হৈছে স্বয়ং শ্ৰীকৃষ্ণ । "কৃষ" ধাতু লগ্ন কৃষ্টিৰ আকাৰ কাৰণে তেওঁক কৃষ্ণ বুলিছিল । তেওঁ আছিল সৰ্বগুণ বিধি । আনজন আছিল ইটালীৰ লিওনাৰ্দো ডাভিন্সি আৰু তৃতীয়জন আমাৰ এই অসমৰে মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ—যাক আজিও অসমে গুৰু বুলি পূজা কৰি থাকে । সঁচাকৈয়ে আজি শঙ্কৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হব । শঙ্কৰ নাথাকিলে অসমৰ তথা অসমীয়াৰ একো়ে নাথাকে । অসমীয়াক তেৱাই সকলো দি গৈছিল । অসমীয়াৰ গীত, বাদ্য, নৃত্য, সুৰ, সঞ্চাৰ, সাহিত্য, ভাওনা, নাম-কীৰ্ত্তন, ঘোষা, বৰগীত, অংক, নাট, নামঘৰ, খোল, মৃদঙ্গ, তাল, ভাঁজঘৰ, দৌলযাত্ৰা, হাঁটী, ধনপুঁজি সমাজ, ধৰ্ম, বিচাৰ, নীতি, আইন, নৈতিক আন্দোলন, অহিংসা, ত্যাগ, ভোগ, বৈৰাগ্য, সমাধি সকলো শঙ্কৰদেৱেহে অসমীয়াক দি গৈছিল ।" (বিষ্ণুৰাভা ৰচনাৱলী)

শঙ্কৰদেৱৰ ধৰ্ম আন্দোলনৰ লগত ভূঞা সকলৰ সম্পৰ্কৰ কথা বাদ দি, তেওঁৰ সাংগাঠনিক চিন্তাৰ আলোচনা কৰিব নোৱাৰি । অসম উপত্যকাৰ জনজাতীয় বসতি অঞ্চলটোত নতুনকৈ মাটি ভাঙি কৃষি বিস্তাৰ ঘটাওঁতে বিভিন্ন জন-

গোষ্ঠীৰ মানুহক সংগঠিত কৰিহে যে ভূএগসকলে নিজৰ শক্তি বৃদ্ধি কৰিব পাৰিব, সেইটো শঙ্কৰে তীৰ্থভ্ৰমণৰ কালতে উপলব্ধি কৰিছিল। তেওঁ দেখিছিল যে ব্যাপক কৃষক জনসাধাৰণৰ. ধৰ্ম্মৰ ভেঁটিত সমবেত কৰি, উন্নত বহল সমাজ এখন গঢ়াৰ ক্ষেত্ৰত নৱ-বৈষ্ণৱ মতাদৰ্শটো অতি গুণ-দায়ক। এজন পৰমেশ্বৰৰ প্ৰতি অচলা ভক্তি, এজন গুৰুৰ প্ৰতি আনুগত্য আৰু সামন্ততান্ত্ৰিক সামাজিক সম্পৰ্কই জন্ম দিয়া শিল্প সাহিত্য, আচাৰ-ৰীতিয়ে ভাৰতৰ আন আন ঠাইত তেতিয়া প্ৰজাসাধাৰণক একেলগে বান্ধি পেলাইছিল। শঙ্কৰদেৱে এইবোৰ সকলো দেখিছিল আৰু বুজি পাইছিল যে লুইতৰ পাৰতো চুবুৰীয়া জনজাতীয় গোষ্ঠীৰ বাইজৰ লগত হোৱা সংঘৰ্ষৰ সম্ভাৱনা নাইকীয়া কৰিবলৈ, জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সামাজিক শান্তি প্ৰতিষ্ঠা কৰিবলৈ, স্বেচ্ছাচাৰী ৰজাৰ অত্যাচাৰৰ পৰা মুক্ত হবলৈ আৰু উৎপাদনকাৰী মানুহৰ সৃষ্টি ক্ষমতাৰ বিকাশ ঘটাবলৈ অৰ্থাৎ উন্নত প্ৰণালীৰে উৎপাদন কৰা কৃষক কাৰিকৰৰ সমাজ এখন গঢ়িবলৈ এনে এটা মতাদৰ্শকে গ্ৰহণ কৰিব লাগিব। তাক প্ৰতিষ্ঠা কৰিবলৈ এটা আন্দোলনো গঢ়িব লাগিব। ভাৰতীয় নৱ-বৈষ্ণৱ আন্দোলনৰ মৰ্ম বস্তুটো তেওঁ স্পষ্টকৈ দেখাৰ কাৰণ এই যে শাসনকৰ্ত্তাৰ অভিজ্ঞতা আৰু ভূএগ-কছাৰীৰ সংঘাতৰ অভিজ্ঞতাই তেওঁৰ চকু মুকলি কৰি থৈছিল। জাতি-বৰ্ণৰ বাধা অতিক্ৰম কৰি, কৃষক আৰু কাৰিকৰক একেখন সমাজতে সকলোকে একেডাল নতুন সংস্কৃতিৰ ডোলেৰে বন্ধাৰ সিদ্ধান্তটো তেওঁ অতি সচেতন ভাবে লৈছিল। তেওঁৰ অভীষ্ট সংস্কৃতিটো আছিল নৱ-বৈষ্ণৱ সংস্কৃতি।

গুৰুজনাই দশম স্কন্ধৰ পৰা পোৱা সমলেৰে "চিহ্নযাত্ৰা"ৰ আঁচনি হাতত লৈছিল। ইয়াৰ কাৰণে তেওঁ নিজ হাতে স্বৰ্গত ভগৱানৰ আৱাস বৈকুণ্ঠৰ ছবি তুলাপাতত আঁকিলে। অসমৰ নৱ-বৈষ্ণৱ আন্দোলনত নাটে যি ভূমিকা লৈছিল ভাৰতৰ আন ক'তোৱেই সি প্ৰচাৰৰ মাধ্যম হিচাপে তেনে ভূমিকা লোৱা নাছিল। আন্দোলনৰ সূচনাতে এই শক্তিশালী মাধ্যমটো ব্যৱহাৰ কৰিবলৈ লোৱা সিদ্ধান্তই মধ্যযুগৰ অসমৰ মহান গণশিল্পী গৰাকীৰ বিস্ময়কৰ প্ৰতিভাৰ সাক্ষী দিয়ে।

শ্ৰীমন্ত শঙ্কৰদেৱে ব্যঞ্জনবৰ্ণ শিকাৰ পাহতেই "কৰতল কমল কমল দল নয়ন" আকাৰ-উকাৰ বিহীন এটি কবিতা লিখি মহত্বৰ স্বাক্ষৰ দাঙি ধৰে। তেৰা পঢ়াশালীৰ পৰা ঘৰলৈ গৈ পোনতে "হৰিশ্চন্দ্ৰ উপাখ্যান" ৰচনা কৰে। তাৰ পাচত "গোপী-উদ্ধৱ সংবাদ" ৰচনা কৰি কিছুমান লোকক ভগৱন্তৰ চৰণত শৰণ দিয়ে। ইয়াৰ পাচতেই ভক্তি প্ৰদীপ, কীৰ্ত্তন ঘোষা, বৰগীত, ৰুক্মিণীহৰণ কাব্য, শ্ৰীশঙ্কৰ মহাভাগৱত, গুণমালা, ৰামায়ণ (উত্তৰাকাণ্ড), টোটয়, ভটিমা, ভক্তি ৰত্নাকৰ (সংস্কৃত), অঙ্কীয়া নাট—পত্নী প্ৰসাদ, কালিদমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাতহৰণ আৰু ৰামবিজয় নাট ৰচনা কৰে। শ্ৰীমন্ত শঙ্কৰদেৱে নিজৰ প্ৰচাৰিত মত সুপ্ৰতিষ্ঠিত কৰিবলৈ ঠায়ে ঠায়ে এই গ্ৰন্থবোৰ ৰচনা কৰে। সকলোতকৈ পাটবাউসীতে তেওঁ বেচিকৈ গ্ৰন্থ

ৰচনা কৰিছিল। তেখেতৰ উদ্দেশ্য আছিল গোটেই উত্তৰ পূব ভাৰতত তেওঁৰ মত প্ৰচাৰ কৰা। সেই কাৰণে তেওঁ অঙ্কীয়া নাটবোৰ মৈথিলী শব্দ বহুল বুলি অনুমান হয়।

সত্ৰীয়া পৰম্পৰা অনুসৰি শঙ্কৰদেৱে বাৰকুৰি বৰগীত ৰচনা কৰিছিল, যাৰ ভিতৰত 'আতৈসৰৰ মুখত বোৱা' ৩৪ টা গীত এতিয়ালৈ প্ৰচলিত। ভাৱ আৰু কাব্যিকতাৰ দিশৰ পৰা বৰগীত সমূহৰ উৎকৰ্ষ অনস্বীকাৰ্য্য। সেইদৰে এইটোও স্বীকাৰ্য্য যে বৰগীতৰ শ্ৰেষ্ঠতাৰ দাবী অকল এই দুটি গুণৰ আধাৰত আৱদ্ধ হৈ থাকিব নোৱাৰে—এই দুটি গুণতকৈ অধিক নহলেও সমানে গুৰুত্বপূৰ্ণ বৰগীতৰ সাঙ্গীতিক গুণ। শঙ্কৰ মাধৱে তেওঁলোকৰ নিজৰ গীত সৃষ্টিক অকল গীত আখ্যাহে দিছিল। 'বৰগীত' তেওঁলোকৰ অনুগামীসকলৰ সপ্ৰশংস আৰু সশ্ৰদ্ধ নামাকৰণ। সাধাৰণ পৰ্য্যায়তকৈ উচ্চ পৰ্য্যায়ৰ গীত বুলিয়েই 'বৰগীত'। বাণীকান্ত কাকতি, কালিৰাম মেধি প্ৰমুখ্যে পণ্ডিতসকলে ৰচনাৰ আধ্যাত্মিক মহত্বৰ বাবে বৰগীতক 'Songs celestial', 'noble numbers' আদি বিশেষণেৰে যথাৰ্থভাৱেই বিভূষিত কৰিছে।

মহাপুৰুষ শঙ্কৰদেৱৰ অসমীয়া সংস্কৃতিলৈ অৱদান অসীম। শঙ্কৰী কলা-কৃষ্টি, সাহিত্যৰ মূল ভেটিৰ ওপৰতেই অসমীয়া সংস্কৃতিৰ দৌল নিৰ্মিত। শঙ্কৰী কলা-কৃষ্টি বাদ দিলে অসমীয়া সংস্কৃতিৰ ঘাই সুঁতি বিচাৰি পোৱা নাযাব। শঙ্কৰদেৱৰ আৱিৰ্ভাৱ বহু শতাব্দীজোৰা কুসংস্কাৰৰ পঙ্কিল পুখুৰীত নীলকমল সুশোভন। এই নীলকমলৰ পূৰ্ণ অৰ্ঘ্যই অসম মাতৃৰ সাহিত্য সংস্কৃতিৰ বেদীত মনোমোহা পুষ্প সৌৰভ বিলালে। শতাব্দীজোৰা অসামাজিকতাৰ ঘোলা পানী লাহে লাহে আঁতৰি নিৰ্মল স্ফটিকৰ দৰে অসমীয়া সমাজক সুন্দৰ কৰি তুলি ভাৰতীয় আনকি বিশ্বৰ সুন্দৰৰ লগত মিলি যোৱাৰ প্ৰেৰণা দিলে।

শঙ্কৰদেৱৰ ৰচনাৰ মূল ঐতিহ্যৰ উপাদান হ'ল সমানতা, স্বাধীনতা আৰু মৈত্ৰী। শ্ৰীশঙ্কৰ আছিল—সাম্য মৈত্ৰীৰ দূত—"কুকুৰ গৰ্দ্দভ শৃগালৰ আত্মাৰাম" জানি সবাকো প্ৰণাম কৰা সাধক। ইয়াৰ স্পষ্ট প্ৰমাণ পোৱা যায় তেওঁৰ ৰচনা সমূহৰ মাজত—

"ব্ৰাহ্মণ চণ্ডাল চোৰ দাতা ক্ৰূৰ শান্ত।
সবাতে আমাক তুমি দেখিবা নিতান্ত॥
তেজি লাভ গৰ্বমান হুয়া উপশাম।
সমস্তকে দন্তৱতে কৰিবা প্ৰণাম॥"
(ভক্তি ৰত্নাকৰ ভাষ্য)

আকৌ তেখেতে কীৰ্ত্তনত উল্লেখ কৰিছে—

"নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাকেসে পণ্ডিত বুলিয় সৰ্বজন॥
বিশেষত মনুষ্য গণত যিটো নৰে॥
বিষ্ণু বুদ্ধি ভাৱে সৰ্বদায়ে মান্য কৰে॥
ঈৰষা অসূয়া তিৰস্কাৰ অহঙ্কাৰ।
সবে নষ্ট হোৱৈ তেৱে তাৰক্ষণে তাৰ॥"
(১৮২১)

এনেদৰে শঙ্কৰদেৱৰ ৰচনা ৰাজিৰ মাজেৰে প্ৰকাশ পোৱা সাম্য—মৈত্ৰী আৰু অহিংসাৰভাৱে বৃহত্তৰ অসমীয়া সমাজক একত্ৰিত কৰাত উল্লেখ যোগ্য বৰঙণি আগবঢ়াইছে। এইটো কথা আমি

স্বীকাৰ কৰিবই লাগিব যে, শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্মৰ জৰিয়তে আমাক ভাষা আৰু সমাজ দিলে। তেওঁৰ বহুমুখী অসাধাৰণ প্ৰতিভা—জীৱনো কৰ্ম-বহুল। তেওঁৰ জীৱন চৰিত্ৰ অমিয়া মাধুৰিৰে ভৰা আৰু তেওঁৰ গ্ৰন্থৰ প্ৰতি স্তম্ভত আছে—তেওঁৰ প্ৰেমৰ বাতৰি, অহিংসাৰ বাণী, সত্যৰ সংবাদ, কৰ্ত্তব্য সাধনৰ জ্বলন্ত পথৰ সন্ধান।

বহু মহাপুৰুষে খুব সীমিতিভাৱে হলেও এটা অনুকূল পৰিবেশ পায়। কিন্তু শঙ্কৰদেৱে নিজেই সৃষ্টিৰ পাতনি মেলিবলগীয়া হৈছিল। নিজেই নতুন এক শিক্ষাৰ বাহক। অৰ্থাৎ নিজেই গুৰু। শঙ্কৰদেৱৰ গুৰু কোন আছিল সেই বিষয়ে জীৱনী লিখক সকলে উল্লেখ কৰা নাই। দাক্ষিনাত্যৰ বৈষ্ণৱ ধৰ্মৰ ধাৰাই শঙ্কৰদেৱক অনুপ্ৰাণিত কৰিছিল বুলি বহুতে অনুমান কৰে। শঙ্কৰদেৱে এক যুগ-সন্ধিক্ষণত থিয় হৈ দেখা পাইছিল আত্মিক বিশুদ্ধতাৰ পৰিপন্থী আচৰণ আৰু সেই আচৰণৰ বিষক্ৰিয়া। এই আচৰণে শঙ্কৰদেৱক জাগৰূক কৰি তুলিছিল—এক শুদ্ধ পথ দেখুৱাবলৈ। শঙ্কৰদেৱৰ সমগ্ৰ সত্তা বিকশিত কৰি জন্ম লৈছিল এক বাণী। দীপ্ত অনুভৱৰ মাজেৰে শঙ্কৰদেৱৰ মানসত প্ৰতিভাত হৈছিল এক দৃঢ় অবিচল, প্ৰেমময় বিশ্বাস। সেইকাৰণে শঙ্কৰদেৱ নিজেই নিজৰ গুৰু। নানা বিশ্বাসেৰে পৰিপূৰ্ণ এক যুগমানস অতিক্ৰম কৰি নিজেই নিজৰ ভাৱমূৰ্ত্তিৰ ৰূপদান এক পৰম আশ্চৰ্য্যৰ বিষয় আৰু এই বিষয়ত শঙ্কৰদেৱৰ তুলনা নাই। শঙ্কৰদেৱৰ মানসেৰে পুষ্ট হৈ একযুগ মানসে নতুন সোঁত লয়। যি চলিত অৱস্থা আৰু শঙ্কৰদেৱৰ গাত নিহিত যি শক্তি, এই দুই অৱস্থাৰ মাজত সংঘাত হয় আৰু সংঘাতৰ ফলতেই সৃষ্টি হয় নতুন চেতনা।

ঈশ্বৰ চৈতন্য, বাকী সকলো জড়। জড়ক পূজা কৰি আত্মিক উদাৰতা লাভ অসম্ভৱ। সেয়ে এক ঈশ্বৰৰ ওচৰত শৰণ লোৱাহে কাম্য। ঈশ্বৰেই বিষ্ণু। বিষ্ণু পূজাই একমাত্ৰ পূজা হোৱা উচিত। বিষ্ণু পূজা মাধৱৰ বাবে মধুময়, প্ৰেমময় অৱতাৰ হৈছে—কৃষ্ণ।

"বুজিবা মনত সবে কৰিয়া নিশ্চয়।
কৃষ্ণবিনা আন শ্ৰেষ্ঠদেৱ নাহিকয়॥
কৃষ্ণসে ভজনি দেৱ জানা নিষ্ঠা কৰি।
লৈয়োক শৰণ সবে আন পৰিহৰি॥"

গীতা, ভাগৱতৰ সাৰমৰ্ম্ম উদ্ধাৰ কৰি শঙ্কৰদেৱে একশৰণ নাম-ধৰ্ম প্ৰতিষ্ঠা কৰিলে। মানুহৰ চিন্তা, ধ্যান, ধাৰণাৰ নতুন পথ মুকলি হ'ল। আগতে পাৰ্থিৱ সুখ, সম্পদ প্ৰাপ্তিৰ বাবে মানুহে পূজা কৰিছিল। এতিয়া ধৰ্ম চেতনাৰ ৰূপ সলনি হ'ল; নিজৰ চৈতন্য জাগ্ৰত কৰি আত্মিক বিশুদ্ধতাৰ পিনে আগবাঢ়ি গ'ল। এয়ে নব চেতনাৰ উদয়ন—ইয়াতেই শঙ্কৰদেৱ সংশ্লেষণৰ সৃষ্টি হ'ল।

শঙ্কৰদেৱৰ দ্বাৰা ৰচিত অঙ্কীয়া নাটেই অসমীয়া নাট্য সাহিত্যৰ দুৱাৰ মুকলি কৰে। তেওঁৰ প্ৰথম নাট চিহ্নযাত্ৰা। অঙ্কীয়া নাটৰ অব্যৱহৃত পূৰ্ববৰ্ত্তী ৰূপ হ'ল চিহ্নযাত্ৰা। ইয়াত সংলাপ নাই। গুৰুজনাই সৃষ্টি কৰা অঙ্কীয়া নাট গীত প্ৰধান কাব্যিক নাট, ওজাপালি গীত প্ৰধান কাব্যৰ অপূৰ্ণাঙ্গ নাট্য ৰূপায়ন। সংস্কৃত নাটকৰ সূত্ৰধাৰৰ লগত ওজাৰ সংমিশ্ৰন ঘটাই অঙ্কীয়া নাটকৰ সূত্ৰধাৰৰ সৃষ্টি কৰিছিল। মহাপুৰুষে

সৃষ্টি কৰা অঙ্কীয়া নাটক—'নাট' 'নাটক' আৰু 'যাত্রা' নামেৰে তেওঁলোকে নামাকৰণ কৰিছিল। এই অঙ্কীয়া নাটবোৰে বৈষ্ণৱাদর্শ জনমানসত দাঙি ধৰাই নহয়, অসমীয়া নাট্য সাহিত্যৰ ইতিহাসো ৰচনা কৰিলে।

গীতৰ লগতে গুৰুজনাৰ অন্যতম এটি অৱদান হ'ল খোল। বৰগীতৰ অন্যতম প্রধান বাদ্য খোলৰ ব্যৱহাৰে অসমীয়া সঙ্গীত জগতত নতুন দিগৰ সূচনা কৰিলে। "কথা-গুৰুচৰিত"ৰ মতে শঙ্কৰদেৱে কপিলী মুখৰ কুমাৰৰ হতুৱাই খোল গঢ়াই লৈছিল—যাৰ সোঁহাতৰ আৰু বাওঁহাতৰ মুখৰ জোখ আছিল ক্রমে ৭ আঙুল আৰু ১৩ আঙুল। খোল সাধাৰণতে ২½ ফুটমান দীঘল হয়।

মহাপুৰুষৰ সাহিত্যিক জীৱনৰ কীর্তিস্তম্ভ হ'ল "কীর্তন-ঘোষা"। "কীর্তন-ঘোষা" এক স্বতন্ত্র ৰূপৰ সাহিত্য। ইয়াত একোটি খণ্ডত একোটি কাহিনী বা জ্ঞান বিষয়-বস্তু বিবৃত হৈছে। একোটি খণ্ড দুইৰ পৰা কুৰিমানলৈকে কেইবাটিও কীর্তনৰ সমষ্টি। প্রত্যেকটি কীর্তন একোটি খণ্ড কবিতাৰ দৰে; নির্দিষ্ট ঘোষা এটি পুনৰ পুনৰ আবৃত্তি কৰি কীর্তনৰ পদসমূহ গোৱা হয়। ব্রহ্মপুৰাণৰ পৰা 'কীর্তন-ঘোষা'ৰ উৰেষা বর্ণন আৰু পদ্মপুৰাণৰ পৰা নাম অপৰাধ খণ্ড ৰচনা কৰে। পাষণ্ড-মর্দন খণ্ড ভাগৱত, বিষ্ণু ধর্মোত্তৰ, বৃহন্নাৰদীয় আৰু পদ্মপুৰাণ আৰু সুত সংহিতাৰ শ্লোকৰ অর্থ সন্নিবেশ কৰি প্রকৰণৰ দৰে ৰচনা কৰিছে। এই তিনিটি খণ্ডৰ বাহিৰে কীর্তনৰ সকলো খণ্ডৰ বিষয়বস্তুৱেই ভাগৱত পুৰাণৰ পৰা গৃহীত।

'কীর্তন'ৰ ভাষাৰ কবিত্বময় সৌন্দর্য্য, ক্ষিপ্রতা আৰু দৃঢ়তা; বর্ণনাৰ সৌন্দর্য্য আৰু জটিল কথাৰ সর্বজনগ্রাহ্য সৰল অথচ সূক্ষ্ম প্রকাশ লক্ষণীয় বিষয়। বেজবৰুৱাৰ ভাষাত—"ভাষাৰ লালিত্য, ছন্দৰ ঝঙ্কাৰ, সুৰৰ লাৱণ্য, ভাৱৰ মাধুর্য্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শঙ্কৰদেৱৰ কীর্তন ৰচিত।" শঙ্কৰদেৱৰ ক্ষিপ্রগতি কুসুমমালা ছন্দৰ 'গুণমালা' পুথিখনো কীর্তন-ঘোষা শ্রেণীৰ।

অসমীয়াৰ আধ্যাত্মিক, সাংস্কৃতিক, আৰু সামাজিক জীৱনলৈ মহাপুৰুষৰ যি দান,তাৰ মূল্যনিৰূপণ কৰিব পাৰি তেওঁৰ ৰচিত সাহিত্যৰ যোগেদি। বহু দেৱতাৰ মাজত প্রধান দেৱতাৰ সন্ধান-দানৰ যোগে বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি সামাজিক চৈতন্যৰ জাগৰণ; কর্ম ধর্মৰ বিভীষিকা-নিবাৰণ; বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰক আধ্যাত্মিক উপলব্ধিৰ প্রধান লীলা-ক্ষেত্র বুলি ডাঠকৈ কৰা প্রতিপাদন; সামাজিক শ্রেণীবন্ধৰ ব্যৱধান অপসাৰণ,—এই কেইটিকে ড° বাণীকান্ত কাকতিদেৱে অসমীয়া আধ্যাত্মিক জীৱনৰ উৎকর্ষৰ বিষয়ত মহাপুৰুষৰ চতুৰঙ্গ দান বুলি আঙুলিয়াই দেখুৱাইছে। ○

---

মঙলদৈ মহাবিদ্যালয় সাহিত্য চ'ৰাৰ সাহিত্য প্রতিযোগিতাত পুৰস্কৃত।

—সম্পাদক



# জ্যোতিপ্ৰসাদৰ জীৱন আৰু গীত

ইদ্ৰিছ আলি,
প্ৰবক্তা, অসমীয়া বিভাগ

জ্যোতিপ্ৰসাদে জীৱন কালত বিশেষ উল্লেখ-যোগ্য আনুষ্ঠানিক স্বীকৃতি পোৱা নাছিল। তেওঁৰ "শোণিত কুঁৱৰী" নাটকৰ প্ৰথম অভিনয় অনুষ্ঠিত হোৱাবে পৰা (তেজপুৰৰ বাণ ৰঙ্গ মঞ্চত) "লভিতা" নাটক মঞ্চস্থ হোৱালৈকে (ডিব্ৰুগড়ৰ ডি, এ, পি হলত) অসমৰ সাংস্কৃতিক পটত জ্যোতিপ্ৰসাদৰ সামাজিক গুৰুত্ব কম বেছি পৰিমাণে অবত্ৰহত আছিল যদিও জ্যোতি মূল্যায়ণৰ এটা সুপৰিকল্পিত প্ৰক্ৰিয়া তেতিয়াও আৰম্ভ নৌ হয় এথোন। ছাত্ৰাৱস্থাতে অসম ছাত্ৰ সন্মিলন আৰু জীৱনৰ ভাটী বয়সত ভাৰতীয় গণ-নাট্য সংঘৰ স'তে জৰিত হোৱা তথা স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ আদি কৰ্ম বৈচিত্ৰ্যই জ্যোতিপ্ৰসাদৰ জীৱনাদৰ্শত সামাজিক তাৎপৰ্য্যই কি গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল তাৰ স্পষ্ট ইঙ্গিত দিয়ে। গণ-নাট্য সংঘৰ লগত সংস্পৃক্তিৰ বাবেই স্বদেশী চৰকাৰৰো কোপ দৃষ্টিত পৰিবলগীয়া হোৱাত তেওঁৰ ওপৰত পুলিচী অতিশয্যও চলিছিল। ডিব্ৰুগড়ৰ নালীয়া পুলত নিৰীহ জনসাধাৰণৰ ওপৰত চলোৱা পুলিচী জঙ্গীচাহীৰ প্ৰতিবাদত জ্যোতিপ্ৰসাদে লিখা "নালিয়া পুলৰ বিপদ সংকেত" শীৰ্ষক অভি-যোগ টোকাই সেই সময়ৰ সাংবাদিকতাৰ নতুন দ্বাৰ উন্মোচন কৰে। অৱশ্যে মৃত্যুৰ অব্যবহিত প্ৰাক্কালত তেওঁ বামপন্থী মহলতো বিশ্বাসৰ পাত্ৰ হৈ থাকিব নোৱাৰিলে। গণ-নাট্য সংঘই অভিযোগ জাপি দি তেওঁক সভাপতিৰ পদৰ পৰা আঁতৰ কৰে। কৰলৈ গলে জীৱনৰ শেষ স্তৰত জ্যোতিপ্ৰসাদৰ খ্যাতি আৰু সম্ভ্ৰমৰ অব-ক্ষয়িত অৱস্থা এটাহে লক্ষ্য কৰা যায়।

সাম্প্ৰতিক যুগৰ সাংস্কৃতিক চিন্তা চৰ্চাৰ মুখ্য সুঁতিলৈ জ্যোতিপ্ৰসাদৰ জীৱন আৰু কৰ্মক আদৰি অনাৰ প্ৰক্ৰিয়াটো আৰম্ভ হৈছিল জ্যোতি-প্ৰসাদৰে জীৱনৰ অন্তিম সময়ৰ আশা-নীড় স্বৰূপ ভাৰতীয় গণ-নাট্য সংঘৰ উদ্যোগতে— তেওঁৰ মৃত্যুৰ দুবছৰৰ পিচত। সেয়া আছিল ১৯৫৩ চনৰ কথা। ভাৰতীয় গণ-নাট্য সংঘৰ এগৰাকী অগ্ৰণী সংগঠক জ্যোতি-গুণমুগ্ধ জনশিল্পী

৺হেমাঙ্গ বিশ্বাস আৰু আধুনিক অসমীয়া সঙ্গীতৰ পুৰুধা ড° ভূপেন হাজৰিকাই ১৭ জানুৱাৰী জ্যোতিপ্ৰসাদৰ মৃত্যু তিথি 'ৰূপকোঁৱৰ' দিবসৰূপে পালন কৰাৰ বাবে অসমৰ সমূহ শিল্পীগোষ্ঠীলৈ আহ্বান জনায়। লগে লগে সমগ্ৰ দেশতে জ্যোতি চেতনাৰ এক অভাৱনীয় বিস্ফোৰণ ঘটে। চৰকাৰী স্বীকৃতি জ্যোতিপ্ৰসাদে পৰবৰ্ত্তী স্তৰতহে লাভ কৰে আৰু জ্যোতিপ্ৰসাদৰ মৃত্যু দিবস 'শিল্পী দিবস' হিচাপে পতাৰ ব্যৱস্থা কৰি চৰকাৰে দেশৰ শিল্পীসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ লগতে যোগ্যজনক সম্বৰ্দ্ধনা বা পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰিছে। জ্যোতিপ্ৰসাদে মৰিশালীৰ বন নহকৰ বুকুত নতুনকৈ সাৰপাই উঠিল।

এই জ্যোতি জাগৃতিৰ সূত্ৰতে জ্যোতিপ্ৰসাদৰ গীতসমূহৰ প্ৰতি বুদ্ধিজীৱী মহলৰ লগতে সৰ্ব সাধাৰণ লোকৰো মনোযোগ ক্ৰমশঃ বৃদ্ধি পাইছে। সম্প্ৰতি জ্যোতিপ্ৰসাদৰ গীতৰ বিষয়ে একাধিক সমীক্ষাত্মক প্ৰৱন্ধত প্ৰকাশ পাইছে। ইয়াৰে কোনোটোৱে সুৰৰ বৈশিষ্ট্যৰ বিষয়ে, কোনোটোৱে ৰচনাৰ বিশেষত্বৰ বিষয়ে, আকৌ কোনোটোৱে তাৰ প্ৰায়োগিক দিশত আলোকপাত কৰিছে। এই প্ৰৱন্ধকাৰ সকলৰ ভিতৰত অসমৰ লব্ধ প্ৰতিষ্ঠিত সঙ্গীতজ্ঞ জ্যোতিপ্ৰসাদৰ সান্নিধ্যধন্য নিৰ্মল চক্ৰৱৰ্ত্তী আৰু দিলীপ শৰ্মা; অসম তথা ভাৰতৰ শাস্ত্ৰীয় সঙ্গীত জগতৰ এগৰাকী সুপ্ৰতিষ্ঠিত সঙ্গীতজ্ঞ বীৰেন্দ্ৰ কুমাৰ ফুকন, 'জ্যোতি সঙ্গীত'ৰ অভিজ্ঞ গায়ক লোক সংস্কৃতিৰ বিদগ্ধ পণ্ডিত ড° বীৰেন্দ্ৰ নাথ দত্ত আৰু পূৰ্বে উল্লেখ কৰি অহা ৺হেমাঙ্গ বিশ্বাস আদিৰ নাম উল্লেখযোগ্য। ইয়াৰ উপৰি জ্যোতি সঙ্গীতৰ বিষয়ে আৰু অনেক প্ৰবন্ধ মত আৰু তথ্য ইতিমধ্যে সংকলনিকৈ পোহৰলৈ আহিছে। অন্যতাঁৰ, দূৰদৰ্শন, বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আৰু ঘনাই অনুষ্ঠিত হোৱা জ্যোতিসঙ্গীত প্ৰতিযোগিতাবোৰেও জ্যোতিপ্ৰসাদৰ গীতৰ প্ৰচাৰ তথা প্ৰসাৰ লাভত প্ৰত্যক্ষ বা পৰোক্ষভাৱে ইন্ধন যোগাইছে। চৰকাৰীভাৱে 'জ্যোতিসঙ্গীত' প্ৰশিক্ষণ শিবিৰ আয়োজিত হোৱাটোও এই দিশত এক তাৎপৰ্য্যপূৰ্ণ পদক্ষেপ। অসম প্ৰকাশন পৰিষদে "জ্যোতি ৰচনাৱলী" (গুৱাহাটী, ১৯৮১) প্ৰকাশ কৰি উলিওৱাৰ পিছত দুস্প্ৰাপ্য অথবা কষ্টপ্ৰাপ্য জ্যোতিপ্ৰসাদৰ বহুতো গীতৰ পাঠ সহজলব্ধ হৈছে। ড° ভূপেন হাজৰিকাৰ ব্যক্তিগত প্ৰচেষ্টাত নিজৰ লগতে অন্যান্য দুই এক শিল্পীৰ কণ্ঠেৰে বাণী বদ্ধ গীতবোৰেও জ্যোতি সঙ্গীতৰ জনপ্ৰিয়তা বৃদ্ধি কৰাত সহায় কৰিছে। গুৱাহাটীৰ নিউ আৰ্ট প্লেয়াৰ্চ-এ উলিওৱা "তোৰে মোৰে আলোকৰে যাত্ৰা" শীৰ্ষৰ কথাকলি (ৰেৰ্কড) আৰু কথাছবিটাই (টেপ) জ্যোতিপ্ৰসাদৰ গীতবোৰ অসমীয়া প্ৰতিটো পৰিয়ালৰ অঙ্গীভূত কৰি তুলিবলৈ সক্ষম হৈছে। সদ্য প্ৰকাশিত জ্যোতি-ভাৰতীৰ "সুৰ জেউতি" নামৰ ৩৫টা গীতৰ সুৰ-চানেকি সম্বলিত পুথিখনেও জ্যোতিপ্ৰসাদৰ গীতৰ চৰ্চা আৰু অনুশীলনত অৰিহনা যোগাব।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত বৰগীত সমূহৰ দৰেই জ্যোতিপ্ৰসাদৰ গীতবোৰকো প্ৰধানকৈ দুটা ভাগত ভগাব পৰা যায়। বৰগীত আৰু

নাটৰ গীত বোলাৰ দৰে জ্যোতিপ্ৰসাদৰ গীতকো নাটকৰ গীত আৰু নাটকৰ বাহিৰৰ গীত এই দুটা বহল ভাগতভগাব পৰা যায়। জ্যোতিপ্ৰসাদে ৰচনা কৰা নাটকৰ সংখ্যা পাঁচখন। সেই কেইখন হ'ল— "শোণিতকুঁৱৰী" "কাৰেঙৰ লিগিৰী" "ৰূপালীম" আৰু "নিমাতী কইনা"। "সোণ পখিলী" "কনকলতা" আৰু "খনিকৰ" জ্যোতিপ্ৰসাদৰ অসম্পূৰ্ণ নাটক। অসম্পূৰ্ণ নাট "সোণ পখিলী"ক সাহিত্যাচাৰ্য্য ৺অতুলচন্দ্ৰ হাজৰিকাদেৱে সম্পূৰ্ণ কৰে। "শোণিতকুঁৱৰী" নাটকত সৰ্বমুঠ বাৰটি গীত সন্নিৱিষ্ট হৈছে। সেই কেইটি হ'ল— (কোনে) গছে গছে পাতি দিলে, গুমৰি উঠিছে হিয়া, বোৱাঁ বোৱাঁ দক্ষিণ মলয়া, আমি কৰি ফুৰোঁ বিয়াকুল, সপোন পাৰৰ মই, আমাৰে সখিয়া আকুল বিয়াকুলে, অ' সখি আহিব পিয়া, ৰূপহ কোঁৱৰ চুমা পৰশতে, মই হেনো বুঢ়ী, জয় জয় দানৱ সেৱিত মহাদেৱ, চৰাই বনৰীয়া, বাবীৰ পিছে ফালে তগৰ, আৰু নূপুৰে মাতে ৰুণজুন। কাৰেঙৰ লিগিৰীৰ গীতসমূহ হ'ল— সোণৰে পালেঙত অ' মনেতৰা, মোৰে জীৱনৰে সখা কৃষ্ণ, বাৰিষাৰে ঘনঘোৰ, বনৰীয়া আমি বনৰ চৰাই, যাউতিযুগীয়া ধনে মোৰ অ', পৰ্বততে ফুলিলে বগানোকৈ ফুলে কলি, অ' সোঁৱৰণী সমিধান দিয়া। ৰূপালীম নাটকত থকা গীতসমূহ হ'ল—জিৰ জিৰ জিৰ জিৰ, ভৈয়ামৰে ধাননি বোলালে ঐ, জিলিকা পাখিৰে অ' সোণ ম'ৰা চৰাই, অ' সখী আজি যৌৱন বন জুৰি, জয় আলোকময়,। "নিমাতী কইনা" বা "ৰূপ কোঁৱৰ" নামৰ শিশু নাটিকাত থকা গীতবোৰ হ'ল— আজি পুৱঁতি কিহৰে আৰতি, মাতা অ' নিমাতী মাতা, চিৰ সুন্দৰ হে চিৰসুন্দৰ, জোনাকী কাৰেঙৰত কোনে বীণ বায়? সেউজী সেউজী সেউজী অ, সাত সাগৰৰ দেশ বিদেশৰ, জাগা জাগা নক্ষত্ৰৰ প্ৰভাতে প্ৰভাতে, তোমাৰ কণ্ঠৰে কণ্ঠৰতী, জানো জানো জানো, জাগা অভিনৱ ছন্দে, জয় ৰূপ মুগ্ধ। 'সোণ পখিলী'ৰ গীতবোৰ যথাক্ৰমে হ'ল— জোনোৱালী নিশাৰ ৰূপোৱালী পোহৰে, যাওঁ যাওঁ বিচাৰি সোণ পখিলী, পাখি কৰে ৰুণ ৰুণ, মোৰ আজি সন্ধিয়াৰ গানৰ কথা, কেং কুৰু কেং কুৰু। "লভিতা" নাটকৰ গীত সমূহ- লুইতেদি যাৱ ক'ৰে নাৱৰীয়া, মোৰ বাৰীত ফুলিলে ইন্দ্ৰজিত মালতী, বাইদেউ বাইদেউ সাজু হ সাজু হ নৱ জোৱান, অ' আমাৰ গাওঁ, বিশ্ববিজয়ী নৱ জোৱান, জয় হিন্দ, জয় হিন্দ, লুইতৰ আকাশত তৰাৰ তৰাৱলী। 'খনিকৰ' নাটকৰ গানবোৰ হ'ল— নীলা আকাশত এটা তৰা, মোৰ মনে মনে। "কনকলতা" নাটকত আছে-কোন কত আছ আহ অ' ডেকা ল'ৰা এই গীতটো "কাৰেঙৰ লিগিৰী" নাটকৰ পিছৰ কাহিনী ৰূপে ৰচা "সুন্দৰ কোঁৱৰ" নামে অসম্পূৰ্ণ নাটকৰ প্ৰান্ত অংশত কোনো গীত নাই।

ওপৰত উল্লেখ কৰা নাটকৰ গীতসমূহৰ বাহিৰে জ্যোতিপ্ৰসাদে আৰু তিনিশৰো ওপৰ গীত ৰচনা কৰি গৈছে। সেই সমূহ গীতৰ সম্পূৰ্ণ সূচী দাঙি নধৰি মাথোন সৰ্বসাধাৰণৰ মাজত সৰবৰহী হৈ উঠা গীত কেইটিমানৰ কথাহে উল্লেখ কৰা হ'ল। যেনে— আজি গানৰ শৰাই পাতিলোঁ, উৰ উৰ উৰ অভ্ৰভেদি উৰ, মই গাৱঁৰ ল'ৰা গাৱেঁ গাৱেঁ,

লুইতবে পানী যাবি অ' বৈ ( জয়মতী কথাছবি ), তোৰে মোৰে আলোকৰে যাত্ৰা, মোৰে ভাৰতবে মোৰে সপোনবে চিৰসুন্দৰ সংস্কৃতি, জননীৰ সন্তান জাগা, কোনে ক'লে তোক শকতি বিহীনা বুলি, মোৰে মন বনতে তই কি বাঁহী বজালি ইত্যাদি।

নাটকত থকা বুলি ওপৰত উল্লেখ কৰা বহুতো গীত অসম্পূৰ্ণ অথবা পৰিবেশানুগ একোটাহঁক স্তবকতে সামৰণি পৰিছে। সেইদৰে নাটকৰ বাহিৰৰ বহুতো গীতৰ সুৰ আজিও উদ্ধাৰ হোৱা নাই। যিবোৰৰ সুৰ উদ্ধাৰিত হৈছে সিবোৰৰ াঠিক ৰূপ সম্পৰ্কে মতানৈক্য থকা শুনিবলৈ পোৱা ায়। জ্যোতিপ্ৰসাদৰ পৰা প্ৰত্যক্ষভাৱে শিকাৰ :যোগ পোৱা মাত্ৰ কেইগৰাকীমান সঙ্গীত শিল্পীৰ াখিক চুপাৰিচ মাথোন এই সুৰসমূহৰ মৌলিকতাৰ ক্ষেত্ৰত একমাত্ৰ ৰক্ষা কৰচ। কিন্তু তেনে সুৰৰ বৈচিত্ৰ্যও আমাৰ কাণত নপৰা নহয়। এনে বিশৃংখলাতাৰ কাৰণ হ'ল বহুতো শিল্পীয়ে জ্যোতিপ্ৰসাদৰ সুৰৰ বৈশিষ্ট্যৰ বিষয়ে মনোযোগ নিদিয়াটো। প্ৰকৃত অনুশীলন আৰু কৰ্ত্তৃত্বশীল মহলৰ দ্বাৰা জ্যোতিসঙ্গীতৰ সুপৰিকল্পিত প্ৰচাৰ আৰু প্ৰসাৰৰ প্ৰচেষ্টাৰ অভাৱতে বহু সময়ত জ্যোতিসঙ্গীত স্বমহিমাৰ পৰা বঞ্চিত হৈছে। কিন্তু অচিৰেই এই আক্ষেপৰো কোনো সুৰুঙা নেথাকিব যেন লাগে।

সুন্দৰেযে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মতে
সেয়েহে আজি ইমান ফুল
প্ৰভা.ত প্ৰভাতে ॥

□□

যিজনে কেৱল ভাল উপদেশ দিয়ে তেওঁ এখন হাতেৰে কাম কৰে; যিজনে ভাল উপদেশ দিয়ে আৰু ভাল আৰ্হি দেখুৱায়, তেওঁ দুয়োখন হাতেৰে কাম কৰে; কিন্তু যিজনে ভাল উপদেশ দিয়ে আৰু বেয়া আৰ্হি দেখুৱায়, তেওঁ এখন হাতেৰে কৰে আনখন হাতেৰে ভাঙে।

—ফ্ৰান্সিচ বেকন

# প্ৰাচীন অসমীয়া গদ্য সাহিত্যৰ এটি পৰ্য্যালোচনা

শ্ৰীবলোজ্যলি ( ৰাম ) ৰাজবংশী

আদি কালত মানুহে কথা বতৰা পাতোতে বা আলাপ আলোচনা কৰোঁতে গদ্যকেই ব্যৱহাৰ কৰিছিল। তথাপিও প্ৰত্যেক জাতিৰ সাহিত্যৰ সম্ভাৰৰ মাজত গদ্যতকৈ পদ্যৰ বিকাশ আগেতে দেখা যায়। ভাৰতীয় সাহিত্য কিম্বা আমাৰ অসমীয়া সাহিত্যটো একেই কথা। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আদি নিদৰ্শনবোৰতো পদ্যৰহে উমান পোৱা যায়। ইয়াৰ কাৰণ হয়তো আছিল ছন্দত হৃদয়ৰ ভাব তৰংগৰ সুৰ সংযোজিত হৈ থকাটোৱে! কাৰণ ৰচিত সাহিত্যৰ মুখ্য উদ্দেশ্যই আছিল শ্ৰোতাক আনন্দত আপ্লুত কৰি তোলা আৰু সেইহেতু অসমীয়া সাহিত্যৰ আদি নিদৰ্শন বোৰ পদ্যত ৰচিত হৈছিল।

প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষাৰ পৰা যেতিয়া আধুনিক ভাৰতীয় আৰ্য্য ভাষাবোৰৰ উদ্ভৱ হ'ল তেতিয়া আধুনিক ভাৰতীয় সাহিত্যত নথকা এটি বস্তু অসমীয়া সাহিত্যত দেখিবলৈ পোৱা গ'ল সেইটো হৈছে গদ্য সাহিত্য। অসমীয়া ভাষা সাহিত্যৰ গৌৰৱৰ বিষয় যে আঞ্চলিক ভাৰতীয় ভাষা সাহিত্যত পোনতে নথকা সম্পদ আমাৰ অসমীয়াত আছে। এই ক্ষেত্ৰত অসমীয়া গদ্য সাহিত্যৰ ভূমিকাত গুৰি ধৰোতা সকলৰ ভিতৰত প্ৰথম নাম লব লাগে ধৰ্মগুৰু, সাহিত্য সংস্কৃতিৰ সংগঠক, জাতীয় জীৱনৰ প্ৰতিষ্ঠাতা কবি, শিল্পী, সংগীতজ্ঞ, অভিনেতা মহাপুৰুষ শ্ৰীশংকৰদেৱৰ। তেখেতৰ অংকীয়া নাটসমূহৰ মাজতেই প্ৰথম অসমীয়া পদ্যৰ স্বৰূপ দেখা যায়। মহাপুৰুষ শংকৰদেৱে গতানুগতিক গদ্য ভাষাৰ পৰা আঁতৰি আহি জনসাধাৰণৰ হৃদয় গ্ৰাহী কৰিবৰ বাবেই নাটবোৰত পোনতে সহজ সৰল গদ্যৰ ৰূপ দিলে। অৱশ্যে এই খিনিতে উল্লেখ কৰিবলগীয়া যে মহাপুৰুষৰ নাটৰ মাজত ব্যৱহাৰ কৰা ভাষাটো বৰ্ত্তমান অসমীয়া ভাষাটো নাছিল। সেইটো আছিল কৃত্ৰিম ব্ৰজাৱলী ভাষা। সেই ভাষাটো বৰ মিঠা আৰু সহজ সৰল আছিল বাবেই মহাপুৰুষ গৰাকীয়ে নৰবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ মুখ্য বাহন কৰি লৈ তাৰ জৰিয়তেই—নাটবোৰ ৰচনা কৰিছিল। এই নাটবোৰৰ আৰ্হি অৱশ্যে মহাপুৰুষে সংস্কৃত নাট বা অংক সমূহৰ পৰা লৈছিল গুণে তেওঁৰ নাটৰ মাজত সূত্ৰধাৰ সংযোগ সংস্কৃতত ৰচিত নান্দী শ্লোক গদ্যত সংস্কৃত বাক্য আৰু অনেক তৎসম শব্দৰ ব্যৱহাৰ লক্ষনীয়।

অংকীয়া নাট আকৃতিৰ বিচাৰত নাটক; কিন্তু প্ৰকৃতি বিচাৰত গীতি কাব্য। সেইবাবে অংকীয়া নাটবোৰ গীতপদ আৰু নৃত্যৰে পৰিপূৰ্ণ। প্ৰত্যেক ভাৱৰীয়াই নাচি নাচি গীত গাই আহিহে বচন মাতে। সিইতক মহাপুৰুষ গৰাকীৰে নাট ৰচনাৰ মুখ্য উদ্দেশ্যই আছিল কৃষ্ণ মাহাত্ম্য প্ৰচাৰ

কৰা আৰু নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ। সেই কাৰণে নাটৰ মাজত লয়যুক্ত গদ্যৰ ব্যৱহাৰ আৱশ্যকীয় আছিল। উদাহৰণ হিচাপে মহাপুৰুষৰ কেলি গোপাল নাটকৰ এটি উদাহৰণ ডাঙি ধৰা হ'ল—কথাঃ—"শ্ৰীকৃষ্ণ বামবাহু বাম কপোলে থাপি কোমল আঙ্গুলিয়ে চালি বেণু বজাৱয়, তা শুনি সুৰ সুন্দৰী সৱসকচি পড়য়। ধেনুসৱ তৃণ দন্ত নীৱ ঝুৰে; হৰিণীসৱ চেতন হৰাৱত; নদীসৱ কামে কম্পয়ে বহু" ইত্যাদি। মহাপুৰুষ গৰাকীয়ে অনুপম শব্দালংকাৰ আদিৰে নাটকীয় গদ্যবোৰ পদ্য ধৰ্মী কৰি তুলিছে। আনকি মহাপুৰুষ গৰাকীৰ কথা ভাষাৰ অনেক শব্দ, খণ্ড বাক্য, উপমা, অলংকাৰ আদি ব্যৱহাৰ কৰাত চকুত পৰে। যেনে—কাকে চাহিতে মাণিক হৰায়, বৈচে কলস ভাগল, কদালিক বাতে উপাৰল আদি।

আনকি মহাপুৰুষৰ নাটৰ ওপৰত প্ৰাকৃত ভাষাৰ চাব পৰা দেখা যায়। বিশেষকৈ ধ্বনি, শব্দ, ধাতু আৰু পদ প্ৰয়োগত তাৰ চিন আছে। ভাষাত প্ৰাকৃত লক্ষণ থকা বাবেই সংগীত ধৰ্মী হৈ পৰিছে। যেনে— মুহ<মুখ, বিহি<বিধি, মাই <মাতৃ, ভকতি<ভক্তি আদি।

মহাপুৰুষ গৰাকীৰ ব্ৰজাৱলী ভাষাৰ মাজত আনি বৰ্ত্তমান অসমীয়া ভাষাৰ কাৰক, বিভক্তি, পদ আদিৰ প্ৰয়োগবোৰ লক্ষণেই দেখিবলৈ পাইছো। আনকি সৰ্বনামৰ বিভক্তিযুক্ত তিৰ্য্যক ৰূপবো ব্যৱহাৰ দেখা যায়। আৰু ধাতুৰ ৰূপৰ সম্পূৰ্ণ লক্ষণো পৰিস্ফুত হৈ উঠা দেখা যায়। মুঠতে মহাপুৰুষ শংকৰদেৱ আৰু মাধদেৱৰ নাট্য সাহিত্যৰ মাজত পোনে প্ৰথমে লয়যুক্ত হলেও সম্পূৰ্ণ অসমীয়া গদ্য ভাষাৰ পাতনি তৰি গৈছে।

অসমীয়া ভাষা সাহিত্যত অংকীয়া নাটৰ সমসাময়িক বা অলপ পূৰ্ব্বৰ আৰু এক শ্ৰেণীৰ গদ্যৰ নিদৰ্শন পোৱা যায়। সেইবোৰ হৈছে মন্ত্ৰ পুথিবোৰ। মন্ত্ৰপুথি সমূহৰ ভিতৰত প্ৰধানকৈ কৰতী পুথি, বীৰাজৰা, সাপধাৰণী, সৰ্ব্বঢাক, শূচী মন্ত্ৰ আদি। এইবোৰ জন্মকাল নিৰ্ণয় কৰা টান। এই মন্ত্ৰ পুথিবোৰত বেদ, বেদান্তবোৰৰ উল্লেখ আছে, এইবোৰ লোক বিশ্বাসৰ ওপৰতেই প্ৰচলিত। অৱশ্যে এই মন্ত্ৰবোৰৰ যে একেবাৰে গুণ নাই তেনে নহয়। পাপ, ৰোগ, ব্যাধি দূৰ কৰিবলৈ, ভূত-প্ৰেত আতৰাবলৈ সাপৰ বিষ কৰিবলৈ, গ্ৰহ দোষ, জীৱ-জন্তুৰ, ভয় দূৰ কৰিবলৈ আৰু বিশেষকৈ নানা ৰোগ নিবাৰণৰ বাবে মন্ত্ৰৰ ব্যৱহাৰ আজিও প্ৰচলিত আছে।

অংকীয়া নাটৰ গদ্যৰ লেখীয়া মন্ত্ৰ পুথিৰ গদ্যত পদধৰ্মী। বাক্য গঠন প্ৰণালী অতি চঞ্চল ধৰণৰ আৰু ব্যাকৰণ বৰ্জিত। বহু মন্ত্ৰত অৱশ্যে গদ্যৰ গুণ নাই বুলিব পাৰি। আনকি তাত ক্ৰিয়াও নাই। যেনে—"বাসৰ শৰ, লক্ষণৰ শৰ, নাগ শৰ, পোতা শৰ, চিংগলিয়া শৰ, দেৱ শৰ, পিঙ্গলিয়া শৰ, চন্দ্ৰ শৰ ইত্যাদি দুৰ্ব্বোধ্য শব্দ আৰু অস্পষ্ট বাক্যাংশৰ সমষ্টিহে সেই বুলি মন্ত্ৰ সাহিত্যৰ যে একেবাৰে মূল্য নাই এনে নহয়। বৰং গদ্য-পদ্য মিশ্ৰিত এই মন্ত্ৰ পুথিবোৰ অসমীয়া সাহিত্যৰ আদি স্তৰৰ নিদৰ্শন বুলি কব পৰা যায়।

অংকীয়া নাট আৰু মন্ত্ৰপুথিৰ গদ্য হ'ল প্ৰাচীন অসমীয়া গদ্যৰহে নিদৰ্শন। আচলতে বৈকুণ্ঠ নাথ ভট্টদেৱেহে অসমীয়া গদ্যক এটা সুদৃঢ় আৰু

পোনপটীয়া ৰূপ দান কৰে। ভট্টদেৱৰ কথা ভাগৱত আৰু কথা গীতাৰ মাজেদিয়ে অসমীয়া গদ্য সাহিত্যৰ পূৰ্ণাঙ্গ আৰু সুস্থ ৰূপ দাঙি ধৰে। ভট্টদেৱে কথা গীতাতকৈ কথা ভাগৱত আগতে ৰচনা কৰিছিল। ভট্টদেৱে তেওঁৰ গুৰু দামোদৰ দেৱৰ আজ্ঞামতে "স্ত্ৰীশূদ্ৰ সবে বুজিব পৰাকৈ কথা ভাগৱত আৰু কথা গীতা ৰচনা কৰিছিল। কথা ভাগৱতৰ গদ্যতকৈ কথা গীতাৰ গদ্য অলপ সৰল আৰু মধুৰ। ভট্টদেৱে কথা ভাগৱতত কথ্য ভাষাকেই ব্যৱহাৰ কৰিছে। কথা ভাগৱত আৰু কথা গীতাৰ ভাষা গুৰু গম্ভীৰ সাধু ভাষা; চুটি চুটি বাক্য সংযোগেৰে গধুৰ বিষয়বস্তু সুন্দৰ ভাৱে ফুটাই তোলাত লিখকৰ পাণ্ডিত্য বিকশি উঠিছে। কথোপকথন, প্ৰশ্ন উত্তৰ আৰু তৰ্ক পদ্ধতিৰ ৰীতিৰে কথাভাগৱত আৰু কথাগীতা সম্পূৰ্ণ কৰা হৈছে। ভট্টদেৱৰ ৰচনাৱলী অনুৰাদমূলক হলেও তাত সম্পূৰ্ণ মৌলিকতাৰ আভাস আছে।

কথাগীতাৰ অনুবাদ ভাষাগত নহয়। বিষয়-বস্তুক "আত্মসাৎ" কৰি আদৰ্শগতভাৱে প্ৰকাশ কৰাত মৌলিকতা ৰক্ষা পৰিছে। টীকা, ভাষ্যৰ পৰা উপমা আদি উদ্ধৃত কৰাত বিষয়বস্তুৰ প্ৰকাশ ৰমণীয় হৈছে। যেনে—"যেন তৈল বিন্দুমাত্ৰো জল এক প্ৰদেশত পৰিলে সকল জলক ব্যাপয় ধুলিত পৰিলে পুনু সেহিমতে ৰহে, তেমনে বিশিষ্ট জনত উত্তম কথা অল্পে কহিলে সকল লোকতে প্ৰবৰ্ত্তে"।

ভট্টদেৱৰ সংস্কৃত শাস্ত্ৰত বিদগ্ধ পণ্ডিত আছিল। সেয়েহে তেওঁৰ ৰচনাত সংস্কৃতৰ প্ৰচুৰ প্ৰভাৱ পৰিছে। কিন্তু সংস্কৃত তৎসম শব্দৰ প্ৰয়োগে তেওঁৰ ৰচনাৰাজীক অধিক গাম্ভীৰ্য্য প্ৰদানহে কৰিছে; জটিল কৰা নাই। যেনে—"যেন মনুষ্যে জীৰ্ণ বস্ত্ৰক পৰিত্যাগ কৰি, নবীন বস্ত্ৰক গ্ৰহণ কৰে; এমন আত্মায়ো পুৰাণ দেহক এৰি নবীন দেহক স্বীকাৰ কৰে; কৰ্ম নিৱন্ধ নতুন দেহ অৱশ্যে হৈব। জীৰ্ণ দেহ নাশত শোক কৰিতে নালাগে" ইত্যাদি। মুঠতে ভট্টদেৱৰ বাক্য প্ৰয়োগ ৰীতি সংস্কৃতীয়া হলেও অপ্ৰয়োজনীয় নহয়। ভট্টদেৱে নিষেধাৰ্থ "ন" একাৰ বা আকাৰ যোগ নোহোৱাকৈ ব্যৱহাৰ কৰিছে। যেনে—নাহ, নপাৰে, নজানে আদি। প্ৰশ্নাৰ্থে "কেমন" শব্দ ব্যৱহাৰ কৰিছে। সম্বন্ধসূচক অৰ্থত তেবা, তেবা-সৱ, আবা যাবা আদি।

আৰু বহু বচনাৰ্থে "সব" শব্দৰ ব্যৱহাৰ লক্ষণীয়। ভট্টদেৱে বিভক্তিবো উপযুক্ত প্ৰয়োগ কৰিছে। ক্ৰিয়াৰ সকৰ্মক আৰু অকৰ্মক দুয়ো ৰূপতে ব্যৱহাৰ কৰিছে। সংস্কৃতৰ লিঙ্গ ধাতু আৰু প্ৰত্যয়ৰ ব্যৱহাৰো উল্লেখনীয়। আনকি নত্ব বিধি, যত্ব বিধিৰ নিয়মো মানি চলিছে। সেই সময়ৰ বৈষ্ণৱ ৰচনা ৰীতিৰ পৰা ফালৰি কাটি আহিছে অসমীয়া গদ্যৰ পথ প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰিছে।

অসমীয়া ভাষা সাহিত্যৰ আৰু উল্লেখযোগ্য নিদৰ্শন হৈছে বুৰঞ্জী সাহিত্যসমূহ। আহোম ৰজা চুকাফাই বুৰঞ্জী প্ৰণয়নৰ নিৰ্দ্দেশ দিছিল। প্ৰথমে তেওঁলোকে আহোম ভাষাৰে আৰু পিচলৈ অসমীয়া ভাষাৰে বুৰঞ্জী ৰচনা কৰিছিল। অসমীয়া সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ সম্পদ বুৰঞ্জীবোৰৰ

মাজেৰেই অসমীয়া গদ্যই আধুনিক ৰূপ পায়। দেশৰ শাসন পদ্ধতি বজাৰবীয়া কাৰ্য্য, সামৰিক ঘটনাৰ বিবৃতি; দেশৰ ডা-ডাঙৰীয়াৰ ইতিবৃত্ত আদিৰে বুৰঞ্জীবোৰ সমৃদ্ধ। সত্য ঘটনাৰ স্বৰূপ চিত্ৰন হোৱাৰ বাবে ভাষা গাম্ভীৰ্য্যপূৰ্ণ আৰু সম্ভ্ৰমসূচক হৈছে। বৰ্তমানে অসম চৰকাৰৰ পুৰাতত্ব আৰু বুৰঞ্জী বিভাগত চপোৱা বুৰঞ্জীবোৰ হৈছে—অসম বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী, কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী আৰু অসম বুৰঞ্জীয়েই প্ৰধান। এই আটাইকেইখন বুৰঞ্জীৰ ৰচনাকাল সঠিকভাৱে নিৰ্ণয় হোৱা নাই। সম্ভৱতঃ ষোড় শতিকাৰ শেষৰ পৰা উনেশ শতিকালৈ বুৰঞ্জী ৰচনাৰ কাল চলি আছিল। সিহঁতক ভট্টদেৱৰ ৰচনাৰ একশ বছৰ পিছত অসমীয়া ভাষাৰ প্ৰকৃত গঢ় এটাৰ কথা আমাক বুৰঞ্জীয়ে জানিবলৈ দিয়ে। বুৰঞ্জীৰ ভাষাত কোনো ধৰণৰ শাস্ত্ৰীয় ভাষাৰ ভাগ নাই, কেৱল গতানুগতিক ভাষা এটাৰ কথ্য ৰূপহে বিদ্যমান। সেয়ে বুৰঞ্জীৰ গদ্য সহজ-সৰল আৰু অনাড়ম্বৰ। বাক্য ৰীতি সৰল, শব্দ যোজনা আৰু জতুৱা ঠাঁচ ঘৰুৱা অসমীয়া। ইয়াত কোনো ধৰণৰ বাহুল্য কথা নাই; অতিৰঞ্জনৰ দোষ নাই। তলত এফাঁকি উদ্ধৃত কৰা হ'ল—"পাচে মন্ত্ৰী-সকলে বোলে সামান্য বজা নহই, ঠাই দিলে ছুগুনহে পোৱা যাব। একে চোঙতে দুটাকৈ বাঘ ক'ত থাকে? এতিয়া এই ৰূপে বোলে যাওঁক নড়া বজাৰ ভনীয়েককহে দিছে জীয়েকক দিয়ক। জীয়েকৰ সমান ভনীয়েক হয় নেকি? এই ৰূপে কটকীয়ে কলত গৈ, নড়া বজা বোলে ভাত জীয়ৰী দিব নলগা, আপদগ্ৰস্তত পৰিহে ভনীক দিলো। এতিয়া যে জীকো খোজে মাকে জীয়েকে একেলগে সতিনী খাটিব নেকি। ছোৱালী খোজা নহয় মোক বিতণ্ডাহে কৰে'।

আচলতে বুৰঞ্জীৰ কথাখিনি শুকান হাড়, চাল নহয়, তাত ভাবৰ সমাবেশ আৰু আবেগৰ সৌৰভ আছে। উপমা, উপকথা, সাদৃশ্য, দৃষ্টান্ত আদি অলংকাৰেৰে বুৰঞ্জীবোৰ সৌষ্ঠৱপূৰ্ণ হৈ আছে। চুটি চুটি বাক্যৰে বিষয়বস্তু ফুটাই তুলি ৰচনীৰ শ্ৰুতি মাধুৰ্য্য বঢ়াইছে।

বুৰঞ্জীবোৰত কথ্য ভাষাৰ ধাতুৰ প্ৰচুৰ প্ৰয়োগ হৈছে। লগতে সুন্দৰ সুন্দৰ জতুৱা ঠাঁচ আৰু শাসন সম্বন্ধীয় অনেক শব্দৰ প্ৰয়োগ আছে। ক্ৰিয়া পদৰ ব্যৱহাৰ মন কৰিবলগীয়া। নাম ধাতুৰ আ, ইয়া আৰু উৱা প্ৰত্যয় ব্যৱহাৰ প্ৰচুৰ। বুৰঞ্জীবোৰৰ মাজত শব্দ ৰূপ আৰু বিভক্তি সংযোগত আধুনিক নিয়ম মনা হৈছে। আজি কালি বুৰঞ্জীত ব্যৱহিত বহু শব্দৰ লোপ হৈছে; তাৰ ঠাইত বিদেশী শব্দৰ আমদানি হৈছে। বুৰঞ্জী বিলাকত বহুতো আৰবী আৰু ফাৰ্চী শব্দৰ প্ৰয়োগ আছে। প্ৰকাশিত বুৰঞ্জীত বহুতো নতুন আখৰ জোঁটনিৰ প্ৰণালী, বৰ্ণৰ সালসলনি ঘটিছে বুলি সমালোচক সকলে কৈছে।

আমি শঙ্কৰদেৱ, ভট্টদেৱ আৰু বুৰঞ্জীকাৰ সকলৰ ৰচনা ৰাজীৰ বাহিৰেও আৰু কিছুমান পুথি আৰু কাকতত পুৰণি অসমীয়া গদ্য সম্ভাৰৰ নমুনা জানিবলৈ পাওঁ। সেইবোৰ হৈছে— অস-মীয়া শাস্ত্ৰৰ টীকাকাৰ পৰশুৰামৰ "কথা ঘোষা, নাম ঘোষাৰ" ভাঙনি (১৭১৫ খৃঃ) কৃষ্ণানন্দ দ্বিজৰ

"পূর্ণ ভাগৱত" ৰঘুনাথ মহন্তৰ "কথা ৰামায়ণ" আদি পুথিত পুৰণি অসমীয়া গদ্যৰ লক্ষণ দেখা যায়। অৱশ্যে তেওঁলোকৰ ৰচনাত ভট্টদেৱৰ পূর্ণ চাপ পৰা দেখা যায়।

ইয়াৰ বাহিৰত সংস্কৃতৰ পৰা অনুদিত ব্যৱহাৰিক জ্ঞানৰ পুথি আয়ুৰ্বেদশাস্ত্ৰ, নিদান, জ্যোতিষ, নৃত্যগীতৰ পুথি আদিতো পুৰণি অসমীয়া গদ্যৰ লক্ষণ বিৰাজমান। সুকুমাৰ বৰ কাঠৰ "হস্তি বিদ্যাদনৱ" সচিত্ৰ পুথিখনো অসমীয়া গদ্যৰ চূড়ান্ত নিদর্শন। এইখিনিতে উল্লেখযোগ্য যে ঊনৈশ শতিকাত ৰচিত "কথাগুৰু চৰিত" খনো অসমীয়া গদ্য সাহিত্যৰ পথ প্রদর্শক হৈ আছে। কথাগুৰু চৰিতৰ মাজত অসমৰ নৱবৈষ্ণৱ ধৰ্মগুৰু সকলৰ জীৱন বৃত্তান্ত অংকিত হৈছে কথিত গদ্য ৰূপত। কথিত হলেও ভাষা মাৰ্জিত ৰুচিবোধৰ পৰিচায়ক। অসংলগ্ন ঘৰুৱা জীৱনৰ দৰে অনিয়মিত ৰীতি এটা লক্ষণীয়। ব্যাকৰণত ৰীতি বিচাৰিলে কথ্যভাষাৰ ৰূপ আৰু চলিত উচ্চাৰণ ভাৱ সুস্পষ্ট হৈ পৰে। শব্দৰ সংযোজনাত ক্ৰিয়া পদৰ যথাযুক্ত ব্যৱহাৰ জতুৱা ঠাঁচ আৰু খণ্ডৰ বাক্যৰ প্ৰয়োগ সুন্দৰ হৈছে। বিশেষ্য, সৰ্বনাম আৰু অনুৰূপ শব্দৰ সুপ্ৰয়োগ নিভাজ অসমীয়া গদ্য ৰূপক প্ৰাণৱন্ত কৰি তুলিছে। মাজে মাজে অনুপ্ৰাস আদি অলংকাৰে ৰচনা ৰাজীৰ সৌষ্ঠৱ বঢ়াইছে। চৰিত পুথিৰ বিষয়-বস্তু ধৰ্ম তত্ত্ব ব্যাখ্যা বা বাজ বিবাদ আদি যদিও বৈষ্ণৱ গুৰু সকলৰ আদৰ্শাত্মক জীৱনৰ মধুৰ ব্যাখ্যা আছে। যিবোৰে উক্ত সমাজক সুপথে চলাত অক্ষয় বৰঙণি যোগাই আছে।

ইয়াৰোপৰি আহোম, কছাৰী, কোঁচ, দৰং, জয়ন্তীয়া আদি ৰজা মহাৰজা সকলে ব্যৱহাৰ কৰা অনেক চিঠি-পত্ৰৰ মাজতো পুৰণি অসমীয়া গদ্যৰ বিকাশ হৈছিল। তেওঁলোকে বিভিন্ন সময়ত ব্যৱহাৰ কৰা ভূমিদানৰ ফলি আৰু আদালত আদিত কেচ্, মামলাৰ ৰায়দান আদি নথীপত্ৰৰ অসমীয়া গদ্য ভাষাকেই ব্যৱহাৰ কৰিছিল। সেইবোৰ অধ্যয়নৰ পৰাও প্ৰাচীন অসমীয়া গদ্য ভাণ্ডাৰ এটাৰ সুস্থ সৱল ৰূপৰ বিষয়ে জানিব পৰা যায়। সেই কাৰণে আমি অসমীয়া গদ্যৰ পৰ্য্যালোচনা কৰিলে দেখা পাওঁ যে অসমীয়া ভাষাই প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষাৰ পৰা বিকশিত হোৱাৰ পাছৰে পৰা লাগি নিচিঙাকৈ ব্ৰহ্মপুত্ৰৰ জল প্ৰবাহৰ দৰে অসমীয়া গদ্য প্ৰবাহ বৰ্ত্তমানলৈ নীৰৱ চিন্নভাৱে প্ৰবাহ মান হৈ আছে।

>□<

[ সহায় লোৱা গ্ৰন্থ হ'ল—অংকাৱলী, কথা ভাগৱত, কথা গীতা, অসম বুৰঞ্জী, গুৰুচৰিত আদি ]

# বিহু আৰু অসমৰ সংহতি

শ্ৰীবজিতা কলিতা
স্নাতক ৩য় বাৰ্ষিক ( কলা )

'বহাগৰ বিহুটি আহি পালেহি,
মিৰি-মিচিঙে নাচিলেহি ।
বড়ো কছাৰীয়ে গীত গালেহি,
উজনি-নামনিয়ে ঢোল-পেঁপা বজালেহি ।।'

এইদৰে সমিল মিলেৰেই বছৰেকৰ মূৰত সম্পূৰ্ণ সংহতি অটুট ৰাখি আমি বিহু উৎসৱ পালন কৰোঁ। বিহু প্ৰকৃততে ঋতু পৰিবৰ্ত্তনৰ লগত কৃষকৰ কৃষি কৰ্মৰ বিভিন্ন স্তৰৰ সৈতে থকা সম্বন্ধৰ উৎসৱ। কৃষিজীৱি আদিম জাতিসমূহৰ বিহুৰ লেখিয়া উৎসৱ, কম বেচি পৰিমাণে সকলো অঞ্চলতেই আছে। এই সংক্ৰান্তত ভাৰতৰ উত্তৰ পূৰ্বাঞ্চল অৰ্থাৎ ইংৰাজ ৰাজত্বৰ কালছোৱাত অসমত এই বিহুৰ প্ৰভাৱ আটাইতকৈ বেছি আৰু বিহুও অতি প্ৰাণ-ৱন্ত। সেই কালতেই অৱশ্যে খৃষ্টিয়ান ধৰ্ম্মৰ কোনো কোনো জনজাতি অসমত প্ৰৱেশ কৰাত বিহুৰ অস্তিত্ব হেৰুৱাৰ উপক্ৰম আমি নুই কৰিব নোৱাৰো। কিন্তু যিবিলাক জন-জাতিৰ মৰং ঘৰ, ডেকাচাং, গাভৰুচাং শক্তিমন্ত প্ৰাণৱন্ত হৈ আছে সেইসকল জন-জাতিৰ বিহুও জীৱন্ত হৈ আছে।

অসমৰ সংস্কৃতি এটা জাতি বা জনগোষ্ঠীৰ পানী নসৰকা কোঠাত থকা কৃষ্টি নহয়। সময়ে সময়ে বিভিন্ন জাতি উপ-জাতি ইয়ালৈ আহিছিল আৰু সেইঃ অঞ্চলৰ আদান প্ৰদান সম্পৰ্ক আৰু মিলনত অসমীয়া জাতি আৰু সংস্কৃতিয়ে গঢ় লৈ উঠিছিল। এই প্ৰক্ৰিয়াৰ চৰম অৱস্থা এটি লাভ কৰিছিল শ্ৰীমন্ত শঙ্কৰ গুৰুৰ কালছোৱাত। সংহতি আৰু ঐক্যই সেই সময়তেই শক্তিশালী ৰূপলৈ উঠিব পাৰিছিল।

ঔপন্যাসিক আৰু গৱেষক ৰজনীকান্ত বৰদলৈয়ে বিহুৰ বিষয়ে আলোচনা কৰোতে বিষুৱৰ কথা উনুকিয়াইছে। সেই সময়ত বিহুৰ প্ৰতি নগৰবাসীৰ ভাল চকু নাছিল। বৰদলৈদেৱে এই বিহুক সন্মানৰ স্থান দি গৈছে আৰু তেতিয়াৰ পৰাহে বিহুৰ বিষয়ে কিছু আলোচনা আৰু গৱেষণা হৈছে। ( ই সম্ভৱতঃ আজিৰ পৰা আঢ়ৈ কুৰি বছৰৰ আগৰ কথা ) প্ৰায় সকলো সমালোচকেই বিষুৱৰ লগতহে বিহুৰ সম্পৰ্ক স্থাপনৰ পক্ষপাতী।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে 'বি-হু' শব্দটো বড়ো কছাৰী ভাষাৰ পৰা অহা বুলি কয় আৰু সেই ভাৱেই অৰ্থৰ সঙ্গতিও বিচাৰি উলিয়াই, বি-খোজা আৰু হু-দিয়া, বিহুৰ লগত কৃষিৰ এৰাব নোৱাৰা সম্পৰ্ক। সেয়েহে কৃষি প্ৰধান অসমৰ সকলো জাতি-উপজাতি আৰু জনজাতি সকলৰ মাজত বিহু অতি ব্যাপক।

বৰ্ত্তমান প্ৰচলিত হৈ থকা বিহু তিনিটাৰ ভিতৰত বহাগ বিহুতহে গীত-বাদ্য-নৃত্যৰ প্ৰচলন আছে। সেয়েহে ই ৰঙালী বিহু। ইয়াৰ প্ৰধান বাদ্য-যন্ত্ৰ হৈছে ঢোল, তাল, শিঙা, পেঁপা আৰু গগনা।

এই বাদ্যবোৰো জন-সাধাৰণে লব পৰা ধৰণৰ। বহুত দামী আধুনিক বাদ্যযন্ত্ৰ ইয়াৰ লগত সংযোগ নকৰাহে বাঞ্চনীয়। ধনীৰ বিলাস ইয়াত নাই। নিম্ন সাধাৰণ কৃষক সকলেহে সংস্কৃতিৰ বাহক। গতিকে এই লোকসকলক অৰ্থনৈতিক বিপৰ্য্যৰ পৰা ৰক্ষা কৰাটো ৰজাঘৰ তথা ৰাইজ উভয়ৰেই যুটীয়া কৰ্ত্তব্য। অৰ্থনৈতিক সমতাই সদায় সংস্কৃতি আৰু সংহতি ৰক্ষা কৰে। বৈষম্যৰে ভৰা সমাজত শ্ৰেণী সংঘৰ্ষ হবই আৰু তেনে পৰিস্থিতিত সংহতি পানীৰ ওটেঙা।

বিহুৰ বিভিন্ন গীত-বাদ্য আৰু নৃত্যই মানুহৰ মন একেবাৰে আকুহি নিয়ে যে মানুহৰ হৃদয়ৰ প্ৰেম-প্ৰীতি আৰু ভক্তিৰ উদ্ৰেক স্বাভাবিকতেই হয়। একে উৎসৱকেই যেতিয়া বিভিন্ন গোষ্ঠীয়ে নানা ছন্দেৰে গাবলৈ ধৰে তেতিয়া তাৰ মাজৰ ঐক্যতা স্বাভাবিকতেই ধৰা পৰে। ইয়াৰ ভিতৰত সুৰ আৰু তালৰ ঐক্যই শ্ৰোতাৰ মনলৈ একে এক অনুভূতিৰ সঞ্চাৰ কৰে যে ক'ব নোৱাৰাকৈয়ে সংহতিত মানুহৰ মনবোৰ এক হৈ পৰে। বড়ো বিহু, গাৰো বিহু, মিচিং বিহু, নগা বিহু, কাৰবি বিহু, দেউৰীৰ বিহু, মুকলি বিহু, জেং বিহু আদিৰ বাবে বৰণীয়া পয়োভৰে যে ঘাই তাঁৰ এডালকেই হাত বুলাই থাকি একক মূৰ্চ্ছনাৰ সৃষ্টি কৰে, বুজাত কঠিন নহয়। সেয়েহে আমি ইয়াকে ক'ব খোজো যে বিহুৰ গীত-বাদ্য-নৃত্যই জীৱন আৰু যৌৱনৰ প্ৰতি আকৃষ্ট কৰাই মানুহৰ মন-প্ৰাণ এক কৰি তোলে।

আজি নগৰ-চহৰ বা ব্যৱসায় কেন্দ্ৰ স্থানত যি পদ্ধতিৰে বিহু পাতিবলৈ লৈছে, তেনে কাৰ্য্য স্বকীয় এখন মঞ্চত বিভিন্ন গোষ্ঠী বা দলক বা সমাজক থিয় কৰাই পৰম্পৰাৰে বুজিবলৈ, জানিবলৈ আৰু বন্ধুত্বৰ এনাজৰীডাল দৃঢ় কৰিবলৈ সুযোগ দিছে লগতে প্ৰত্যেকেই কৃষ্টি আদিৰ অভ্যৰ্থনাত ক্ৰমোন্নতি আৰু ক্ৰমবিকাশৰ পথেদি একক সমাজ গঠনত নিশ্চয় সহায় কৰিব। কিন্তু সংস্কৃতিৰ নামত অপসংস্কৃতিয়ে যাতে গা-কৰি উঠিব নোৱাৰে সেইফালে সমাজ হিতৈষীসকলে তীব্ৰ নজৰ দিব লাগিব। বিহু সংখ্যা অগ্ৰদূতৰ 'উভতি চাও' নামৰ প্ৰবন্ধত নাট্যকাৰ লক্ষ্যধৰ চৌধুৰীয়ে অসম কেশৰী বায়চৌধুৰীৰ বিষয়ে কৈছে যে নগৰত বিহু পতা হৈছে। বিহুৰ পয়োভৰৰ দলদোপ, হেন্দোলদোপ, তেনে সময়তে এদিন বায়চৌধুৰী দেৱে ফোঁকাই-ফোঁকাই আহি লগৰ কেইজনমানক লাঠি জোকাৰি কৈছে ঃ—

'হেৰা এইবোৰ বিহুমেলা পাতি জাতিটোক সৰ্বনাশ কৰিছা নহয়? এনেদৰে বিহুপাতি জাতিটোক তললৈ নিব খুজিছা? চোৱাগৈচোন গাঁৱৰ ল'ৰা আহি কেনেকৈ বাটে-বাটে নাচি পইচা খুজি ফুৰিছে। বিহুপাতি এইদৰে ভিক্ষা কৰিবলৈ শিকাইছা'। —এইখিনি কথা কৈ বায়চৌধুৰী দেৱে হেনো বেগাই খোজ লৈছিল।

বিহুৰ সংহতিৰ কথা ভাবোতে এজন দেশ প্ৰেমিকৰ এনে অন্তৰ্দাহী উক্তিলৈ আমি সদায় মনত ৰাখিব লাগিব।

অলপতে বাতৰিকাকতত এটি খবৰ ওলাইছিল যে কোনোবা ঠাই এখনত ডেকা ল'ৰা কিছুমানে বাহ-মঠৰ আদি ৰখাই গাব বলেৰে চান্দা খুজিছে। এনে যাতে নহয় তাৰ বাবে সকলো সমাজ কল্যাণকাৰী ব্যক্তি সতৰ্ক হ'ব লাগিব। তেনে বিহুৰ সংহতি আমি কামনা কৰিব পাৰিম।

# দৰঙ্গী ক'লা-কৃষ্টিত লোকবিশ্বাসৰ ভূমিকা

শ্ৰীকণিতা কলিতা
স্নাতক ৩য় বাৰ্ষিক

দৰঙ্গী ক'লা-কৃষ্টিত লোকবিশ্বাসৰ স্থান আগশাৰীৰ। লোকবিশ্বাসবোৰ হৈছে দৰঙ্গী ক'লা-কৃষ্টিৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। এই লোকবিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই দৰঙৰ মানুহে আজি-কোপতি চলি আছে। আজিৰ বৈজ্ঞানিক যুগতো বিজ্ঞানে যিমানে যুক্তি নদৰ্শাওক, যিমানে প্ৰমাণ দাঙি নধৰক, কিন্তু মানুহে অতীতৰে পৰা চলি অহা লোকবিশ্বাসবোৰ ত্যাগ কৰিব পৰা নাই। উদাহৰণ স্বৰূপে আজিও মানুহে ভেকুলীৰ বিয়া পাতি বৰষুণ মাতিবলৈ এৰা নাই, ঠিক তেনেকৈ বহুদিন ধৰি বৰষুণ দি থাকিলে মানুহে ঘিউৰ চাকি জ্বলাই ইন্দ্ৰ দেৱতাক পূজা কৰে বৰষুণ নিদিবলৈ। মানুহে কেতিয়াবা এইবোৰক "কথাৰ কঠুৱা ভাতৰ ভটুৱা" বুলি অৱহেলা কৰে, কিন্তু সেইয়া অৱহেলা আনৰ ক্ষেত্ৰতহে কৰা দেখা যায় নিজে কিন্তু এই লোকবিশ্বাসৰ পৰম্পৰাৰ মেৰপাকত।

এই লোকবিশ্বাস দৰঙ্গীয়া জন-জীৱনৰ পদে পদে প্ৰচলিত। সেই বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই আজিও শিক্ষিত ডেকাসমেও ৰাতি ১২-১ বজাত ঢেকী চুৰ কৰি বাজআলি বা পথাৰত পুতি বা পেলায় থয়, দুই ঘৰৰ মাজত নাইবা চোতালৰ কাষতেই শুকান ঠাইতে চেপা, ঠুহা আদি পাতে। বৰ্ষাৰ কথা বৰষুণ নমোৱা মৌচুমী বায়ুৰ বিজ্ঞানসন্মত কাৰ্য্যৰ কথা জানি-শুনিও সময়ৰ পৰম্পৰা মানি অনেকে আজিও এই কাম কৰে।

সেইদৰে বসন্ত ওলালে শীতলা পূজা পতা, আইৰ নাম ধৰা, গোসাঁই ধুউৱা জল আদি দিয়া, হাইজা লাগিলে গধূলি থিয়নাম ধৰা, অন্য মাৰি মৰক উপস্থিত হলে ৰাজহুৱাভাৱে গোন্ধচাপৰি আদি বাসুদেৱ পূজা পতা, সৰু সৰু ল'ৰা-ছোৱালীৰ যথা সময়ত মাত নোলালে গৰখীয়া ল'ৰাক পকা কল, পিঠাগুৰিৰ লাড়ু, কেঁচাভোগ, পকা-ভোগ আদি খুউৱা আদি লোক পৰম্পৰাত চলি থকা এহেজাৰ এটা ৰীতিৰ বৈজ্ঞানিক সমৰ্থন নথকা লোকবিশ্বাসৰ সবল আনুগত্য সমাজত নিত্য বৰ্ত্তমান।

এই লোকবিশ্বাসক ভিত্তি কৰিয়েই বান্দৰবোৰৰ মুখত নোম নথকা কথাটোৰ কিম্বদন্তীত এনেদৰে কোৱা হয় যে হনুমন্ত বান্দৰে হেনো লঙ্কা চন কৰি আহি নেগুৰৰ জুই মুখেৰে নুমাইছিল আৰু এনেদৰে নুমুৱা কাৰণে মুখৰ নোমবোৰ পোৰা গ'ল আৰু সেই বাবেই আজিও বান্দৰৰ মুখত নোম নাই বুলি বিশ্বাস কৰি অহা হৈছে।

বিহঙ্গ জগততো লোকবিশ্বাস বিদ্যমান।

লোকবিশ্বাসৰ পৰম্পৰা অনুসৰি মানুহে কাউৰীয়ে কা-কা কৰিলে কোনোবা আত্মীয় স্বজনৰ অমঙ্গলৰ অৰ্থাৎ অশুভ আগ জাননী পায় বুলি কোৱা হয়। বিহঙ্গ জগতৰ কোনোটো চৰায়ে ধৰ্মৰাজা যমৰ কটকী হৈ চোৰ দেখিলে গিৰীহঁতক জগাবলৈ চোৰ-চোৰকৈ বিকট চিঞৰ মাৰে। কোনোটোৱে বিমঙ্গলৰ আগন্তুক দেখিলে ওচৰৰে গছত পৰি—'হুত্-ভেটিৰ মাটি খুন্দা বুলি মাজনিশা চিঞৰি আতঙ্কৰ সৃষ্টি কৰে। এনেদৰে হুদুৱে চিঞৰিলে মানুহৰ ভেটিচন হয় বুলিও লোক বিশ্বাস আছে। ফেঁচাই মাজনিশা নিউ-নিউ কৰিলেও মানুহ মৰে বুলি লোকবিশ্বাস। আকৌ কাবোবাৰ ঘৰৰ মুধচত পৰি বা বেৰ্ধৰ ভিতৰৰ গছত পৰি উৰুলি-জোকাৰ মাৰিলে, সেইঘৰ মানুহৰ ল'ৰা বা ছোৱালীৰ বিয়া হয় বুলি লোকবিশ্বাস।

অকল বিহঙ্গ জগততেই নহয় সকলো জীৱ-জন্তুৰ ক্ষেত্ৰতেই কিছুমান লোকবিশ্বাস স্তুপীকৃত হৈ আছে যেনে—দিনত শিয়ালে চিঞৰিলে, বগা মাছ যেনে—বৌ, বৰালি মাছৰ সংখ্যা বাঢ়িলে দেশত বিমঙ্গলে দেখা দিয়ে বুলি মানুহে কয় ধানখেতি ভাল নহয় বুলি কয়। কুকুৰ মাখি গাত পৰিলে গাৰ মঙহ নাছিলে নাইবা চকু নাছিলে মানুহে বিপদৰ আগ জাননী পাই; সেইদৰে কপাল খজুৱালে ছোৱালী গাভৰু হয় বুলি লোকবিশ্বাস।

পোক-পৰুৱাৰ ক্ষেত্ৰতো কিছুমান জনবিশ্বাস প্ৰচলিত। ফৰিং আদি বাতি ঘৰত আহিলে হেনো পানী খুৱাই এৰি দিব লাগে। আইতা, ককাইদেউতা সকলে কোৱা শুনো। সেইদৰে পখিলা বা অন্যান্য পোক-পৰুৱাক আমি বাতি মাৰিব নেপায়, কাৰণ সেইবোৰ হেনো যমৰ দূত। স্বৰীসৃপ আদিৰ ক্ষেত্ৰতো বহুতো জন-বিশ্বাস প্ৰচলিত।

কেইবাজনো মানুহে একেলগে কথা পাতিলে যদি সত্য কথা উদ্‌ঘাটন হয়, তেতিয়া স্বৰীসৃপ জাতীয় প্ৰাণী জেঠীয়ে টিকটিকাই দিয়ে, মানুহে বিশ্বাস কৰে যে জেঠীয়ে ঠিক ঠিক বুলি সত্যাসত্য প্ৰমাণ কৰিছে।

এনেদৰে জীৱ-জন্তু, চৰাই আদিৰ ক্ষেত্ৰত বিভিন্ন লোকবিশ্বাসৰ উপৰিও মানুহে দেৱ-দেৱীৰ ওপৰতো লোকবিশ্বাস মানি আহিছে। দৰঙীয়া মানুহে লোকবিশ্বাসৰ পৰম্পৰা অনুসৰিয়েই অনেক পূজা-পাতল কৰি আহিছে। সত্য নাৰায়ণ পূজা কৰিলে ঐশ্বৰ্য্যশালী হব পাৰি, পুত্ৰ-সন্তান লাভ কৰিব পাৰি এইয়া বিশ্বাস। গোসাঁনী পূজা কৰিলে হেনো গিৰিহঁতৰ ঘৰত বিপদ-বিঘিনী, মাৰিমৰক নহয়, শীতলা পূজা, লক্ষ্মীপূজা আদিও সেই বিশ্বাসতেই কৰা হয়। শিৱপূজা কৰিলে "বৰ" লাভ কৰিব পাৰি ইত্যাদি। লোক-বিশ্বাসৰ পৰম্পৰা অনুসৰিয়েই আজিও মানুহে অশোকাষ্টমীৰ দিনাখন স্নান কৰিবলৈ সাগৰলৈ যায়। সাগৰলৈ যাব নোৱাৰিলে ব্ৰহ্মপুত্ৰত হলেও স্নান কৰে, তেনে কৰিলে হেনো পূণ্য অৰ্জন হয় মানুহৰ বিশ্বাস।


মুঠতে দৰঙীয়া মানুহৰ প্ৰতি খোজতেই লোকবিশ্বাসৰ বিভিন্ন ধৰণৰ লোকবিশ্বাসৰে দৰঙী ক'লা-কৃষ্টি পৰিপূৰ্ণ। তেনে বিশ্বাস অনুসৰিয়েই

বহাগ আৰু জেঠৰ মাজৰ দোমাহীত এটা হলেও মাছ ধৰি খৰিচাৰে টেঙা বনাই খোৱাৰ নিয়ম।

বহাগ বিহুত লাউপিঠা, সাঠেকী খোৱাৰ নিয়ম। নেখালেহেনো বিহুঘূৰণী হয়; ইত্যাদি এশ একুৰি বিশ্বাস। দৰঙ্গী ক'লা-কৃষ্টিত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আছে।

দৰঙ্গী ক'লা-কৃষ্টিত লোকবিশ্বাসৰ দৰে লোকশ্ৰুতিও কিছুমান পোৱা যায়। লোকশ্ৰুতি বা জনশ্ৰুতি আৰু লোকবিশ্বাস প্ৰায় একেই বস্তু। মাথোন অলপহে পাৰ্থক্য ইহঁতৰ মাজত বিদ্যমান। সেয়া হ'ল জনশ্ৰুতি বোলোতে আমি সেই বিষয়ৰ ওপৰত একোটা কিম্বদন্তীও পাব পাৰো। কিন্তু লোকবিশ্বাস কিম্বদন্তী নহয়, কিছুমান বিশ্বাসহে মাথোন। অৰ্থাৎ জনশ্ৰুতিবোৰো একো একোটা লোকবিশ্বাস। যেনে—ৰাম জখলা, সীতাৰ ব', যখিনীৰ থু এইবোৰ একো একোটা লোকবিশ্বাসৰ একোটা একোটা কিম্বদন্তী আছে। যেনে—সীতাই হেনো বনলৈ যাওঁতেও অসমীয়া শিপিনীৰ দৰে কাপোৰ বৰলৈ সঁজুলিবোৰ লৈ গৈছিল। ৰাৱণে হৰণ কৰাৰ সময়ত হেনো তেওঁৰ হাতত বাটি কৰিবলৈ লোৱা ব' আছিলেই। ৰাৱণৰ ৰথত আকাশেৰে যাওঁতে হেনো তেওঁ গছৰ ওপৰতে ব' বোৰ পেলাই থৈ যায়। সেয়ে আজিও ৰঘুনলা বা সীতাৰ ব' হৈ ৰ'ল।

তেনেদৰে মানুহে উকা জুইক কোনোবা অসমাপ্ত কামনা বাসনা পূৰ্ণ মানুহৰ অশৰিৰী আত্মা বা পুতি খোৱা ধনৰ তলৰ পৰা ওলাই এইদৰে অস্থিৰভাৱে ঘূৰি ফুৰা বুলি বিশ্বাস কৰে, আৰু সেই জুই কোব মাৰিলে হেনো জুই নুমাই কাউৰী এজনী হৈ মৰি থাকে। এইদৰে জনবিশ্বাসক ভেটি কৰি দৰঙ্গী ক'লা-কৃষ্টিৰ কাম কাজবোৰ চলি আহিছে— যদিও আজি কিছুমান শিক্ষিত বা অৰ্ধশিক্ষিত লোকৰ আচাৰ ব্যৱহাৰত এই লোকবিশ্বাসবোৰ দৰঙ্গীৰ ক'লা-কৃষ্টিৰ বুকুৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে। সেই কাৰণে সচেতন ৰাইজে এই জনবিশ্বাসবোৰ গাওঁ-ভূইৰ চুকে কোণে পৰি থকা ঠাইৰ পৰা বিচাৰি আনি লিপিবদ্ধ কৰাৰ সময় হৈছে।



# সত্যজিৎ ৰায়ৰ প্ৰতিভাৰ আন কেইটিমান দিশ

শ্ৰীদিগন্ত কুমাৰ ডেকা
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

ভাৰতবৰ্ষত বোধকৰোঁ এনে কোনো শিক্ষিত লোক নোলাব যিজনে সত্যজিৎ ৰায়ৰ নাম শুনা নাই। ভাৰতীয় চলচিত্ৰ জগতত ৰায়ৰ আবিৰ্ভাৱ এটি উল্লেখযোগ্য ঘটনা। 'পথেৰ পাঁচালী' নামৰ চলচিত্ৰ খনেৰে ভাৰতীয় চলচিত্ৰ জগতত প্ৰবেশ কৰি সত্যজিৎ ৰায়ে চলচিত্ৰৰ জগতখন কেৱল মাত্ৰ তোলপাৰ কৰিয়েই ক্ষান্ত নাথাকিল, ভাৰতীয় চলচিত্ৰক তেওঁ এক নতুন গতিধাৰা প্ৰদান কৰিলে আৰু ভাৰতীয় চলচিত্ৰক আন্তৰ্জাতিক মঞ্চত এক গৌৰৱপূৰ্ণ স্থানত প্ৰতিষ্ঠাপিত কৰিলে। এক অনন্য ব্যক্তিত্বৰ অধিকাৰী এই সত্যজিৎ ৰায়ৰ প্ৰতিভা কিন্তু কেৱল চিত্ৰ পৰিচালক হিচাপেই বিকশিত হোৱা নাই। সত্যজিৎ ৰায়ৰ প্ৰতিভাৰ আন কেইবাটিও দিশ আছে। যেনে—লিখক সত্যজিৎ, চিত্ৰকৰ সত্যজিৎ, সঙ্গীতজ্ঞ সত্যজিৎ ইত্যাদি। এজন মানুহৰ মাজতেই ইমান বিলাক প্ৰভিভা বিকশিত হোৱাটো যিকোনো মানুহৰ বাবেই ঈৰ্ষাৰ বিষয়। কিন্তু বহুতেই সত্যজিৎ ৰায়ক কেৱল মাথোন চিত্ৰ পৰিচালক হিচাপেহে চিনি পায়। তেওঁৰ প্ৰভিভাৰ আন দিশবোৰৰ কথা বহুতৰে অজ্ঞ। সেয়েহে এই প্ৰবন্ধৰ যোগেদি তেওঁৰ প্ৰতিভাৰ অন্যান্য দিশ কেইটিৰ বিষয়ে আলোচনা কৰিব খুজিছো। এইখিনিতে এটি কথা উল্লেখ কৰিব খুজিছো,— অসমৰ প্ৰখ্যাত চলচিত্ৰ পৰিচালক পদুম বৰুৱাৰ মতে এজন সফল চলচিত্ৰ পৰিচালকৰ চিত্ৰ আৰু সঙ্গীতৰ ভাল জ্ঞান থকা দৰকাৰ। সত্যজিৎ ৰায়ৰ সঙ্গীত আৰু চিত্ৰকলাত থকা প্ৰচুৰ দখলে বোধকৰো তেওঁক এজন অতি সফল চলচিত্ৰ পৰিচালক ৰূপে প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰিছে।

**চিত্ৰকৰ সত্যজিৎ ৰায়ঃ**

কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা অৰ্থনীতিত বি-এ পাচ কৰাৰ পিছত ১৯৪০ চনত সত্যজিৎ ৰায়ৰ মাক সুভদ্ৰা ৰায় তথা ৰবীন্দ্ৰ নাথ ঠাকুৰৰ বিশেষ আগ্ৰহত সত্যজিৎ ৰায়ে শান্তিনিকেতনত ফাইন আৰ্টচৰ ছাত্ৰ হিচাপে বিশ্বভাৰতী বিশ্ববিদ্যালয়ত ভৰ্ত্তি হয়। কিন্তু সত্যজিৎ ৰায়ে জীৱনত চিত্ৰশিল্পী হোৱাৰ কথা কোনোদিনে ভবা নাছিল। তেওঁৰ নিজৰ ভাষাত কৰলৈ গলে —"মই নিজে চিত্ৰশিল্পী হোৱাৰ কথা কোনোদিনে ভবা নাছিলোঁ। মই ছবি আঁকা শিকিব গৈছিলো, বিশেষকৈ আৰ্টৰ বুৰঞ্জী সম্পৰ্কে, আমাৰ শিল্পৰ পশ্চাৎপটটো কি সেই জ্ঞান সংগ্ৰহৰ এটি ইচ্ছাই মোক শান্তিনিকেতনলৈ লৈ যায়"। শান্তিনিকেতনত সত্যজিৎ ৰায়ে প্ৰখ্যাত ভাৰতীয় চিত্ৰকৰ নন্দলাল বসু, বিনোদ

বিহাবী আদিক লগ পায়। কিন্তু ১৯৪২ চনব নবেম্বব মাহত সত্যজিৎ বায়ে শান্তিনিকেতনব চিত্রশিক্ষা আধাতে সামবণি মাবি শান্তিনিকেতন ত্যাগ কবে। অৱশ্যে সত্যজিৎ বায়ে নন্দলাল বসু আৰু বিনোদ বিহাবীব পবা শিল্পব শিক্ষণীয় প্ৰায় খিনিয়েই আয়ত্ব কবিছিল আৰু বিনোদ বিহাবীব পবা ক্যালিগ্ৰাফি ভালদৰে আয়ত্ব কবি-ছিল শান্তিনিকেতনব পবা সত্যজিৎ বায় কলি-কতালৈ আহে আৰু ১৯৪৩ চনত ডি, জে কীমাব নামব বিজ্ঞাপন কোম্পানীত জুনিয়ব আর্টিষ্ট হিচাপে যোগদান কবে। সেই কোম্পানীতে সত্যজিৎ বায়ে কোম্পানীব সহকাৰী মেনেজাব ডি, কে, গুপ্তব প্ৰেবণাত ড্ৰইংব ওপবত পৰীক্ষা-নিৰীক্ষা আবম্ভ কবে আৰু নতুনত্ব অনাব চেষ্টা কবে। এই সময়তে সত্যজিৎ বায়ে চিত্ৰকলাব জগতত এটি আলোড়ণব সৃষ্টি কবিবলৈ সমৰ্থ হৈছিল। সেই সময়ত সত্যজিৎ বায়ব দ্বাবা অংকিত বিভিন্ন কিতাপব বেটুপাতে প্ৰকাশন জগতত আৰু পাঠকব মাজত খল্কনি তুলিবলৈ সক্ষম হৈছিল। সেই সময়ত প্ৰকাশিত 'মাইকেল, ববীন্দ্ৰনাথ ও অন্যান্য জিজ্ঞাসা, পূণ্যস্মৃতি, পবম পুৰুষ শ্ৰীবামকৃষ্ণ আদি গ্ৰন্থব প্ৰচ্ছদ সমূহ অংকন কবিছিল সত্যজিৎ বায়ে আৰু সেই প্ৰচ্ছদ সমূহে সত্যজিৎ বায়ক চিত্ৰশিল্পী হিচাপে এখন স্বকীয়া আসন দখল কবাত অবিহণা যোগাইছিল। ১৯৪৫ চনত প্ৰকা-শিত বিজয়লক্ষ্মী পণ্ডিতব 'প্ৰিজন'সড' নামব গ্ৰন্থব প্ৰচ্ছদ (সত্যজিৎ বয় অংকিত) দেখি প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিবাগান্ধী অভিভূত হৈ পবিছিল। চিত্ৰকলাব ক্ষেত্ৰত সত্যজিৎ বায়ব আন এটি দখল থকা দিশ হ'ল সৰু সৰু লবা-ছোৱালীব বাবে কাৰ্টুনব লেখীয়া মনোগ্ৰাহী ছবি আঁকা। সত্যজিৎ বায়ে তেওঁ লিখা গল্প, উপন্যাস আদিব বিভিন্ন চিত্ৰ আৰু অংগসজ্জা নিজেই কবিছে। তদুপবি তেওঁ বচনা কবা চিত্ৰনাট্য সমূহতো দৃশ্যসজ্জা, অভিনেতা, অভিনেত্ৰী আদিব চিত্ৰ, বেখাচিত্ৰ, কাৰ্টুন আদিব প্ৰচুব পয়োভব। তদুপবি চিনেমাব পোষ্টাব আদিতো আছেই। এইখিনিতে উল্লেখযোগ্য জাপানব আকিয়া কুবো-শওৱা আৰু ভাবতব সত্যজিৎ বায়ব বাহিবে আন কোনেও নিজব চিনেমাব পোষ্টাব নিজে নাকেঁ। চিত্ৰকলাব জগতত সত্যজিৎ বায়ে যি আলোড়ণ সৃষ্টি কবিছিল সেই সম্বন্ধে তেওঁ কয়— "সেইটো সম্ভৱ হৈছিল ভাবতীয় বেকগ্ৰাউণ্ডব কাবণেই। শান্তিনিকেতনত মই ক্যালিগ্ৰাফ শিকিছিলো। তদুপবি বিজ্ঞাপনত কি ভাবে ইণ্ডিয়ান ট্ৰাডিশন সোমাব পাবি সেই চেষ্টা মই কবিছিলো। ফলত মোৰ কৰ্মব চেহেবা অলপ বেলেগ ধৰণৰ হৈছিল।"

**সঙ্গীতজ্ঞ সত্যজিৎ ৰায় ঃ—**

'Music is my first love' সত্যজিৎ বায়ে কোৱা কথা এইযাব। সঙ্গীতব প্ৰতি থকা প্ৰেমেই আজি তেওঁক ভাবতব এজন আগশাবীব চলচিত্ৰ সঙ্গীত পবিচালকৰূপে প্ৰতিষ্ঠাপিত কবিছে। সত্যজিৎ বায়ে পবিচালনা কবা বেছিভাগ চল-চিত্ৰবে সঙ্গীত পবিচলনা তেওঁব নিজব। পৃথি-বীত খুব কম সংখ্যক এনে পবিচালক পোৱা যায় যি নিজব ছবিব সঙ্গীতো নিজে পবিচালনা কবিছে। চলচিত্ৰব সঙ্গীতব দিশতো অতি জটিল।

ইয়াত সকলোৱে সফল হব নোৱাৰে। কেৱল ভাল গায়ক বা সঙ্গীতৰ ওপৰত গভীৰ দখল থাকিলেই যে এজন লোক সফল চলচিত্ৰৰ সঙ্গীত পৰিচালক হব পাৰিব তেনে কোনো কথা নাই। বঙ্গৰ জনপ্ৰিয় গায়ক অনুপ ঘোষালে সত্যজিৎ ৰায়ৰ সঙ্গীত সম্বন্ধে কৈছিল—“সেই গৰাকী সঙ্গীত পৰিচালকেই তেখেতৰ মনৰ ভাব যথাৰ্থভাৱে প্ৰকাশ কৰিব পাৰে যিজন সুৰৰ ভাণ্ডাৰী, যিজনে কম্পোজিশন বুজি পায় পাৰফেক্ট নোটেশন কৰিব পাৰে। সত্যজিৎ ৰায়ৰ ভিতৰত ইয়াৰ সকলো বিলাক গুণেই আছে। সঙ্গীত পৰিচালক সত্যজিৎ ৰায়ৰ ইয়াতেই সাৰ্থকতা।”

সত্যজিৎ ৰায়ে পৰিচালনা কৰা ছবি সমূহত ভাৰতীয় ৰাগ সঙ্গীতৰ পৰা লোকসঙ্গীত লৈকে সঙ্গীতৰ প্ৰায় সকলো ভাগৰ প্ৰয়োগ হোৱা দেখা যায়। তদুপৰি সত্যজিৎ ৰায়ৰ সঙ্গীতৰ আন এটি বিশেষত্ব হ'ল তেওঁৰ সঙ্গীতত সদায় দেশী-বিদেশী অনেক বাদ্য-যন্ত্ৰৰ প্ৰয়োগ কৰাটো। এই বাদ্য-যন্ত্ৰৰ সংমিশ্ৰনত এনে নতুন ধৰণৰ সুৰৰ সৃষ্টি হয় যিটো সচৰাচৰ অন্যৰ বাবে সম্ভৱ নহয়।

সত্যজিৎ ৰায়ৰ সঙ্গীতৰ ওপৰত ভেটি কৰি চলচিত্ৰ পৰিচালক উৎপলেন্দু চক্ৰৱৰ্তীয়ে ‘Music of Satyajit Roy’ নামৰ তথ্যচিত্ৰ এখন কৰিছে। ইতিমধ্যে দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় কাৰ্য্যসূচীত এইখন দেখুৱা হৈছে। যিসকলে এই তথ্যচিত্ৰখন উপভোগ কৰিছে তেখেতসকলে সত্যজিৎ ৰায়ৰ প্ৰতিভাৰ এই দিশটোৰ লগত ভালদৰেই পৰিচিত হৈছে।

**লেখক সত্যজিৎ ৰায় ঃ—**

সত্যজিৎ ৰায়ৰ গল্প বা উপন্যাসৰ সোৱাদ যিজনে এবাৰ পাইছে তেওঁ সদায়েই সত্যজিৎ ৰায়ৰ নতুন লেখাৰ সন্ধান কৰিবলৈ বাধ্য। ‘প্ৰফেচাৰ শংকু’, ‘ফেলুদা’ আদি তেওঁৰ গল্পৰ বিখ্যাত চৰিত্ৰ। যদিও তেওঁ প্ৰধানকৈ শিশু আৰু কিশোৰৰ বাবে গল্পসমূহ লিখে তথাপিও তেওঁৰ গল্পসমূহ সকলো বয়সৰ লোককে সমানে আকৰ্ষিত কৰে। সত্যজিৎ ৰায়ৰ গল্পসমূহ প্ৰধানকৈ ‘গোয়েন্দা’ আৰু ‘বিজ্ঞান ভিত্তিক’ এই দুই ভাগত বিভক্ত। সত্যজিৎ ৰায়ে যিধৰণৰ গল্প বা উপন্যাস ৰচনা কৰে তেনেকুৱা গল্প বা উপন্যাস ভাৰতীয় সাহিত্যত মাত্ৰ সামান্য কেই-জনমান লেখকেহে ৰচনা কৰিব পাৰে। তেওঁৰ গল্প আৰু উপন্যাসসমূহ ভাৰতৰ বিভিন্ন ভাষালৈ অনুবাদ হৈছে, গল্পৰ ওপৰত ভেটি কৰি চলচিত্ৰ নিৰ্মাণ কৰা হৈছে, অনাতাঁৰ নাটক ৰচনা কৰা হৈছে আনকি টি, ভি, চিৰিয়েল পৰ্য্যন্ত নিৰ্মাণ কৰা হৈছে। পূজা উপলক্ষে কলিকতাৰ পৰা প্ৰকাশিত বিভিন্ন বাংলা আলোচনী বিলাকত সত্যজিৎ ৰায়ৰ গল্প বা উপন্যাস নহলেই নহয়।

অৱশ্যে সত্যজিৎ ৰায়ে সদায়েই যে গল্প বা উপন্যাসৰ দৰে লঘু সাহিত্য ৰচনাতে ব্যস্ত আছে এনে নহয়। চলচিত্ৰৰ ওপৰত তেওঁ বহুতো চিৰিয়াচ প্ৰবন্ধ আৰু গ্ৰন্থ ৰচনা কৰিছে যিবিলাকে আমাৰ ‘চলচিত্ৰ সাহিত্য’ৰ দিশটো চহকী কৰিছে। ভাৰতত চলচিত্ৰ সাহিত্যৰ দিশটো অতি পিচপৰি আছে। এই ক্ষেত্ৰত সত্যজিৎ ৰায়ৰ অৱদান উল্লেখযোগ্য। শেষত আমি তেওঁ ৰচনা কৰা কেইখনমান গ্ৰন্থৰ নাম উল্লেখ কৰি এই প্ৰবন্ধৰ সামৰণি মাৰিছো। **গল্প-প্ৰবন্ধ**—গ্যাংটকে গণ্ডগোল, প্ৰোফেচৰ শংকু, বাদচাহী আংটি, সাবাস প্ৰোফেচৰ শংকু, ফেলুদা এণ্ড কোং, বয়েল বেঙ্গল ৰহস্য, জয়বাবা ফেলুনাথ, হত্যাপুৰী, ফটিকচাঁদ, স্বয়ং প্ৰোফেচৰ শংকু, মহা-সংকটে শংকু ইত্যাদি। **চিত্ৰনাট্য**—নায়ক, কাঞ্চনজঙ্ঘা। **প্ৰবন্ধ**—বিষয় চলচিত্ৰ। **সম্পাদিত** সেৰা সন্দেশ। ইয়াৰ উপৰিও আৰু বহুতো গ্ৰন্থ আছে।

# মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰতীক (Emblme)ৰ ইতিকথা

ৰচনা ঃ দেৱীদাস নেওগ
দৰ্শন বিভাগ

পাতনি বা কৈফিয়তৰ প্ৰয়োজন আছে । কাৰণ আলোচনীত গল্প-প্ৰবন্ধ লিখা মানুহক (তেহেলৈ সেই প্ৰবন্ধ দাঁতৰ বেমাৰৰ সম্পৰ্কেই হওক) ৰাইজে ছয়ষষ্ঠি কলাৰ ওজা বুলি ভাবে নেকি ? এম-এ পঢ়ি থাকোতে মানসিক ব্যাধিৰ সম্বন্ধে দুই চাৰিটা প্ৰবন্ধ লিখিছিলো । মানসিক ব্যাধিগ্ৰস্ত মানুহক কেন্দ্ৰ কৰি দুই চাৰিটা গল্পও লিখিছিলো । সেই অনিচ্ছাকৃত অপৰাধৰ কাৰণেই নেকি মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সম্পাদক শ্ৰীমান ৰবীন শৰ্মাই নিৰ্দেশ দিলে মহাবিদ্যালয়ৰ প্ৰতীক ( Emblem ) এটা আঁকিব লাগে । চকুৰে ধুৰ্লি-কুঁৰলি দেখিব ধৰিলো । আমাৰ দিনত পঞ্চম-ষষ্ঠমান শ্ৰেণীলৈকে চিত্ৰাঙ্কণ ( Drawing ) এটা বাধ্যতামূলক বিষয় আছিল । শ্ৰীমান ৰবীন শৰ্মাক হাতত বেত লৈ থকা আমাৰ ড্ৰইং শিক্ষক ৺আদ্যনাথ শৰ্মা চাৰৰ দৰে লাগি গৈছিল । বেঙেনাৰ ছবি আঁকিবলৈ গৈ আমৰ ছবি, হাঁহ আঁকিবলৈ গৈ কাউৰীৰ ছবি অঁকা বাবে সাবৌপ সাবৌপকৈ পিঠিত পৰা বেতকেইটাৰ কথাও মনত পৰিছিল । কিন্তু একে আষাৰে অসন্মতি প্ৰকাশ কৰিবলৈও ভাল নালাগিল । কাৰণ শ্ৰীমান ৰবীন শৰ্মা মোৰ অকল ছাত্ৰই নাছিল, চিকাৰৰ সঙ্গীও আছিল । চিকাৰ এটা মাৰাত্মক নিচা । মাৰাত্মক নিচা বুলি এই কাৰণেই কৈছো যে এইবিধ নিচাৰ কবলত পৰা মানুহে হাতত বন্দুক লৈ হাবিত সোমোৱাৰ পিছত ভয়-ভীতি, দুখ-ভাগৰৰ কথা পাহৰি যায় । কপৌ চৰাই এটা মাৰিব নোৱাৰা জনেও নৰখাদক বাঘ বা গুণ্ডা-হাতী দেখিলে দুই-চাৰি যাই গুলী মাৰে । এমাইল খোজ কাঢ়িলে ভাগৰ লগা জনেও গোটেই দিনটো টলৌ টলৌকৈ খোজ কাঢ়ে । নিচাৰ সঙ্গীক মানুহে অসন্তুষ্ট কৰিব নোখোজে,— সেয়া ৰাগীয়াল বস্তুৰ নিচাই হওক বা ভগৱৎ প্ৰেমৰ নিচাই হওক । একাংকিকা নাটক লিখিবলৈ মোক বাধ্য কৰোঁতা শ্ৰীমান কিৰণ শৰ্মা আৰু দুজন মানে পিঠি চপৰিয়াই উদগনিও দিব ধৰিছিল । প্ৰায় আঠাইশ বছৰৰ আগৰ কথা । গাত উঠি অহা ডেকা তেজৰ পিৰপিৰণি আছিল । কোনোবাই গা উঠাই দিলে উঠি যাওঁ । কাগজ পেঞ্চিল লৈ বহী গলো । কিন্তু আঁকো কি ! কেইদিনমান সাপ-বেং, কলহ-টেকেলিৰ ছবি অঁকাৰ পিছত মনত পৰি গ'ল হেগেলীয় দৰ্শনৰ প্ৰেৰণাত ( ভিত্তি কৰি বুলি কব খোজা নাই এই কাৰণেই যে শ্ৰেণীত পঢ়ুৱালেও হেগেলৰ

দৰ্শন কিমান বুজি পাওঁ নিজেই নাজানো ) লিখা 'সাগৰ সঙ্গমত কতনা সাতুৰিলো' নামৰ একাংকীয়া নাটক এখনৰ কথা। দিগন্তৰ সীমা বিচাৰি অস্থিৰ হোৱা আপাতঃ দৃষ্টিত লম্পট শিল্পী এজনৰ অৱচেতন মনৰ সংঘাত বোৰকেই নাটকখনত দেখুৱাব খুজিছিলো। অনভিজ্ঞ হাতেৰে লিখা দ্বিতীয় নাটক। নাটক বা 'ড্ৰামা' নহৈ 'মেলোড্ৰামা'হে হৈছিল। তথাপিও কুমাৰ সমৰেন্দ্ৰ নাৰায়ণ দেৱ, ৺হৰিচৰণ শৰ্মা, শ্ৰীমতী দীপাপ্ৰভা শইকীয়া আৰু শ্ৰীমতী ৰেণু শইকীয়াই নাটকখন আশাতীত কৃতকাৰ্য্যতাৰে মঞ্চস্থ কৰিছিল। প্ৰায় একে ধৰণৰ ভাব-ধাৰণাৰ ভিত্তিত প্ৰতীক ( Emblem ) টোৰ মডেল এটা আঁকি পেলালো। ছাত্ৰ একতা সভা আৰু গৱৰ্ণিং বডিৰ সভাপতি শ্ৰীনটৰাজনৰ দ্বাৰা মডেলটো অনুমোদিত হ'ল। চিত্ৰশিল্পী শ্ৰীবাতুল দাসে চাইনীজ চিঞাহীৰে আঁকি অলপ কাৰুকাৰ্য্য খটুৱাই ব্লক তৈয়াৰ কৰাৰ উপযোগী কৰি তুলিলে।

প্ৰতীক ( Emblem ) টোত এটা সৰু বৃত্ত পূৰণ চিনৰ সহায়ত এটা ডাঙৰ হৈ পৰিছে। পূৰণ চিনটোৰ অৰ্থ হ'ল নিজকে বিকাশ বা ব্যাপক ( Expand ) কৰা। পূৰণ চিনটোৰ মাজত এটা যোগ চিনো আছে। যোগ চিনটোৰ অৰ্থ হ'ল সম্প্ৰীতি আৰু সমন্বয়। ডাঙৰ বৃত্তটোৰ চাৰিওপিনে থকা কাঁড়ৰ দৰে ত্ৰিভুজ চাৰিটাৰ অৰ্থ হ'ল বিকশিত প্ৰতিভাৰ জ্যোতি চৌদিশে বিয়পাই দিয়া। নীলা পটভূমিৰ অৰ্থ হ'ল অসীম ব্ৰহ্মাণ্ড বা মহাকাশ।

তৰা বা নক্ষত্ৰৰ ৰূপ লোৱা সম্পূৰ্ণ প্ৰতীক (Emblem) টোৰ অৰ্থ এনেদৰে কৰিব পাৰি। সমন্বয়ৰ মাজেৰে সুপ্ত সম্ভাৱনাবোৰৰ বিকাশ ঘটাই, নিজকে বিশাল কৰি নক্ষত্ৰৰ দৰে চৌদিশে জ্যোতি বিয়পাই দিয়াই হ'ল জীৱন। আত্মকেন্দ্ৰিকতাৰ অন্য নাম মৃত্যু। নিজে জ্বলিপুৰি চৌদিশে পোহৰ বিলাই জুইৰ শিখাৰ দৰে নক্ষত্ৰ জীয়াই থাকে। জ্বলিপুৰি চৌদিশে সুবাস বিলাই ধূপে নিজৰ অস্তিত্ব অনুভৱ কৰে। নিজকে অতিক্ৰম ( Transcend ) কৰিহে সম্ভাৱনাৰে ভৰপূৰ অমৃতৰ সন্তানৰূপী মানুহে আত্মোপলব্ধি কৰিব পাৰে।

প্ৰতীকটো আবৃত কৰি যোৱা চীল্ড (Shield)ৰ ছবি যোগ দিছিল শ্ৰীবাতুল দাসে—মহাবিদ্যালয়ৰ নামটো লিখিবলৈ। প্ৰতীকৰ তলত ধানৰ ছবিও শ্ৰীদাসেই দিছিল হয়তোবা ছবিখনৰ ভাবসাম্যতা ( Balance ) ৰক্ষা কৰিবলৈ অথবা সৌভাগ্য-সমৃদ্ধি ( Prosperity ) বুজাবলৈ।

> "উপায় আৰু উদ্দেশ্যৰ ভিতৰত কোনো পাৰ্থক্য নাই। উপায় যদি ভাল নহয় উদ্দেশ্যও ভাল হব নোৱাৰে। কোনো কাম কৰাৰ প্ৰণালী যদি শুদ্ধ আৰু পবিত্ৰ নহয়, তেনেহলে সেই কামৰ ফলো মঙ্গলজনক নহয়। অসজ উপায়েৰে সজ উদ্দেশ্য সিদ্ধি নহয়। হুলেৰে হুল কঢ়াৰ নীতি মই বিশ্বাস নকৰোঁ। হিংসাৰ প্ৰতিকাৰ হিংসাৰে, অসত্যৰ প্ৰতিকাৰ অসত্যৰে হ'ব নোৱাৰে।"
>
> —মহাত্মা গান্ধী

# সমৰ কলা (Martial Arts) আৰু আত্মৰক্ষা বিজ্ঞান (Science of self-defence)ৰ চমু ইতিহাস আৰু মঙ্গলদৈত ইয়াৰ প্ৰভাব

শ্ৰীগিৰীশ শইকীয়া
স্নাতক ২য় বাৰ্ষিক

সমৰ কলা— ইংৰাজীত Martial Art শব্দটো বৰ্ত্তমান সমগ্ৰ পৃথিৱীতে বিস্তৃতি লাভ কৰা এক জনপ্ৰিয় নাম। সমৰ কলা বুলিলে প্ৰদৰ্শনী মূলক বা প্ৰতিযোগিতামূলক সমৰ কৌশলক বুজায়। কলাসম্মতভাৱে বিভিন্ন ভঙ্গিমাৰে এই কৌশল সমূহৰ প্ৰদৰ্শন হয় বাবেই ই প্ৰকৃত পক্ষে সমৰ কৌশল যদিও ইয়াক কলা বোলা হৈছে। আনহাতেদি আত্মৰক্ষাৰ বাবে উপযোগী এক বিজ্ঞান সম্মত পদ্ধতি বাবে ইয়াক আত্মৰক্ষা বিজ্ঞানো বোলে।

সমৰ কলা বুলিলে আমি মল্ল, মুষ্টি, অসি, লাঠি ইত্যাদি সকলো ধৰণৰ যুদ্ধৰ কলা সম্মত প্ৰদৰ্শনী মূলক কৌশলকে বুজাই যদিও বৰ্ত্তমানে প্ৰধানকৈ চীন, জাপান, কোৰিয়া আৰু শেহতীয়া ভাবে ভাৰততো 'জুড', কাৰাটে, কুং ফু, টেইকো-রানডো, আদি সমৰ কলা সমূহ জনপ্ৰিয় হৈছে। বিজ্ঞান সম্মত আধুনিকৰণ আৰু মানদণ্ড উন্নতি কৰণ ইয়াৰ জনপ্ৰিয়তাৰ এক প্ৰধান কাৰণ।

কাৰাটেঃ—একেধাৰে দেহতত্ব বা শৰীৰ বিজ্ঞান, মনোবিজ্ঞান, যোগদৰ্শন আৰু বিভিন্ন সমৰ কৌশল সমূহক ভিত্তি কৰি সৃষ্টি কৰা উল্লেখিত সমৰ কলা বা আত্মৰক্ষা বিজ্ঞান সমূহৰ অন্যতম কাৰাটে। বৰ্ত্তমান গোটেই বিশ্বতে এটা ইয়াৰ আলোড়ণৰ সৃষ্টি হৈছে। এই আলোড়ণ হৈছে এটা খেলা 'কাৰাটেক' লৈ। চলচিত্ৰ নায়ক ক্ৰচলিৰ 'এণ্টাৰ দ্যা ড্ৰেগন' নামৰ চলচিত্ৰখন মুক্তি পোৱাৰ লগে লগে বিশ্বত এই খেল অধিক জনপ্ৰিয় হৈ উঠে। উনৈশ শতিকাৰ আৰম্ভণিতে, আনুমানিক ১৯০৫ খৃষ্টাব্দত জাপানত আত্মৰক্ষাৰ এক মাধ্যম হিচাপে ইয়াৰ ব্যৱহাৰ হৈছিল। বৰ্ত্তমান গোটেই বিশ্ব-তেই এক ক্ৰীড়া হিচাপেহে অধিক জনপ্ৰিয় হৈছে। কিন্তু আটাইতকৈ আচৰিত কথা যে ৫২০ খৃষ্টাব্দত ভাৰতীয় বৌদ্ধ-ভিক্ষুসকলে জাপা-নলৈ ধৰ্ম প্ৰচাৰৰ বাবে যাওঁতে প্ৰথম এই ক্ৰীড়া জাপানীসকলক শিকাইছিল বুলি বহুতে মত পোষণ কৰে। কিন্তু ভাৰততেই ইয়াৰ প্ৰসাৰতা একেবাৰে নগণ্য। বৰ্ত্তমান বিশ্বৰ বহুকেইখন দেশে ইয়াক শিক্ষাৰ এক অংগ হিচাপে গ্ৰহণ কৰিছে। কিন্তু ভাৰতবৰ্ষ বা অসমৰ সাধাৰণ জনসাধাৰণৰ দৃষ্টি ভঙ্গীত ই সাধাৰণ মাৰপিটৰ

লেখিয়া এক কাৰ্য্য। শিক্ষিতসকলে এই দৃষ্টি-ভঙ্গী আঁতৰ কৰি সমৰ কৰা যে সুস্থ শাৰিৰীক শক্তি অধিকাৰী হোৱাৰ এক উত্তম উপায় আৰু সুস্থ শাৰিৰীক শক্তিৰ অধিকাৰী হব নোৱাৰিলে যে সুস্থ মানসিক শক্তিৰো অধিকাৰী হব নোৱাৰে এই কথাটো সৰ্ব্বসাধাৰণ ৰাইজক বুজাই দিয়াৰ সময় হৈছে। যদি এই সন্দৰ্ভত পুৰণি ভাৰতৰ ইতিহাসত অলপ চকু ফুৰাও তেনেহলে হয়তো অসমীচিন নহব। ৰামায়ণ, মহাভাৰতৰ যুগলৈ আমি যদি উভতি যাওঁ তেনেহলে আমি দেখা পাম মহাবীৰ হনুমান, বালি, সুগ্ৰীৱ বাহুবলী ভীমসেন, জৰাসন্ধ, ভগৱান শ্ৰীকৃষ্ণ আৰু কংসৰাজৰ মল্লবীৰ চাণৰ মুস্টিক আজিৰ মল্লযুদ্ধৰ কথা বা মুষ্টি যুদ্ধৰ কথা অসি চালনাত পাকৈত নকুল-সহদেৱৰ কথা। সংস্কৃত ভাষাত 'কৰ' অৰ্থাৎ হাত। এই কৰ বা হাতৰ বৰ্ত্তমানৰ কাৰাটেৰ লগত মিল আছে। বৰ্ত্তমানৰ কাৰাটেৰ Cohelition কৰি টান কৰা হাতৰ লগত তেতিয়াৰ বজ্ৰসম মুষ্টিৰ মিল আছে। আক্ৰমণ বা প্ৰতি আক্ৰমণৰ সময়ত পৰা সিংহ গৰ্জন বা বজ্ৰনিনাদ আদিৰ লগত আজিৰ কাৰাটেৰ "কিয়াই" চিঞৰৰ যথেষ্ট মিল আছে।

কিছুমানৰ মতে অহিংসা ধৰ্মত দীক্ষিত বৌদ্ধ ভিক্ষুসকলে অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰা নাছিল। কিন্তু ধৰ্ম আৰু আত্মৰক্ষা কৰাৰ বাবে ৰক্তপাত নোহোৱাকৈ বিনা অস্ত্ৰে যুজ কৰিছিল। অস্ত্ৰেৰে সজ্জিত হৈ অহা শত্ৰুক বিনা অস্ত্ৰে পৰাভূত কৰিব লগা হোৱাৰ বাবে তেওঁলোকৰ যুদ্ধ কৌশল সমূহৰ বিজ্ঞানসন্মত পদ্ধতিৰে উন্নতি সাধন কৰিব লগাত পৰিছিল যাতে প্ৰয়োজনিত অস্ত্ৰৰ বিপৰীতে সুদা হাতেই যুজ কৰি সহজেই শত্ৰুক পৰাভূত কৰিব পাৰে। যেতিয়া ভিক্ষু সকল বহু বাধা-বিঘিনী অতিক্ৰম কৰি চীন দেশৰ পাহাৰ-পৰ্বতেৰে ভৰা উত্তৰাঞ্চলৰ "চাও-লিন মঠত" ( Shaolin mohasfery ) অৱস্থান কৰাৰ সময়ত উক্ত মঠৰ চীনা ভিক্ষুক সকলক এই বিদ্যা শিক্ষা দিয়ে।

উক্ত কলাই কাৰাটেড' নামেৰে বিশ্ব বিখ্যাত হোৱাৰ মূলতে হ'ল, অধ্যাপক ( গুৰু ) ফুণাকুচি গিছীন। প্ৰথমে জাপান আৰু লাহে লাহে সমগ্ৰ পৃথিৱীতে ই বিয়পি পৰিল। তাৰ পিছৰ পৰাই কাৰাটেড'ৰ কৌশলসমূহ প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীমূলক খেলৰ উপযোগীকৈ শ্ৰেণী বিভাগ কৰি যথেষ্ট সংশোধন কৰা হয়।

অধ্যাপক গিছিনেই কাৰাটে বা খালী হাত নামাকৰণ কৰে। বৰ্ত্তমান কাৰাটেৰ বিভিন্ন শাখা যেনে— ১। টেকাণ ২। বডুকান ৩। ৱাড-ৰিউ ৪। গোজৰিউ ৫। চিটিৰিউ ৬। কিউ কোচিন কাই ৭। গুজকাই ৮। চুটুকাই ৯। চুকুকাই ইত্যাদি। এই প্ৰতিটোতে ভিন ভিন সময়ত ভিন ভিন ধৰণৰ বল শক্তিৰ প্ৰয়োগ কৰা হয়। বৰ্ত্তমান সমগ্ৰ বিশ্বতে জনপ্ৰিয়তা লাভ কৰা কাৰাটেৰ শাখাটো হৈছে "টেকাণ"।

মঙ্গলদৈত ইয়াৰ চৰ্চা হয় ১৯৮৫ চনৰ পৰা। যদিও ইয়াৰ আগতে ইয়াক কোনো কোনোৱে শিকিছিল সেয়া আছিল লুকাই চোৰকৈ কাৰণ মানুহে হাঁহিব বুলি ভয় কৰিছিল। ১৯৮৫ চনত 'দৰং মাৰ্চিয়েল আৰ্টচ এচোছিয়েচন' গঠন হোৱাৰ পৰা ইয়াত বিজ্ঞান সম্মতভাৱে নিতৌ কলেজত

মুকলিকৈ প্ৰশিক্ষণ চলে । যদিও মঙ্গলদৈত ইয়াৰ প্ৰসাৰ বৃদ্ধি পাইছে তথাপি ইয়াৰ জনসাধাৰণে ইয়াক এতিয়াও মাৰপিটৰ বস্তু বুলিয়েই ভাবে আৰু শিকা ল'ৰাক উৎসাহ দিব ছাবি হাঁহেহে যাৰ বাবে বহুতো ইচ্ছুক ল'ৰাই শিকিব নোৱাৰে। ছোৱালীবতো দূৰৰ কথাই । কিন্তু অসম তথা ভাৰতত বহু ছোৱালীয়ে কাৰাটে শিকে আৰু প্ৰতিযোগিতাতো যোগদান কৰে। আনকি মালয়এচিয়াত কাৰাটে সুন্দৰী প্ৰতিযোগিতাও পতা হয় । বৰ্ত্তমান মঙ্গলদৈত এই শিক্ষা লবলৈ বহুতো ল'ৰা ওলাই অহা দেখা গৈছে । এই "এচোছিয়েচন" ৰ পৰা প্ৰতিযোগিতাত যোগদান কৰি পুৰস্কাৰ পাবলৈও সক্ষম হৈছে । বাইজৰ উৎসাহ আৰু আশীৰ্বাদ পালে ইয়াৰ পৰাও ভাল খেলুৱৈৰ আবিৰ্ভাৱ হব নিশ্চয় ।

> জাতীয় জীৱন আৰু জাতীয় সাহিত্য এই দুটাৰ অবিচ্ছেদ্য সম্বন্ধ । জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিধ্বনি মাথোন । জাতীয় জীৱন যদি সংকীৰ্ণ হয়, জাতীয় সাহিত্যইও সেই সংকীৰ্ণতাৰ হাত সাৰিব নোৱাৰে ।
>
> —সাহিত্যৰথী বেজবৰুৱা

# ধৰ্ম

শ্ৰীসাধিৰাম ৰবা
মঙলদৈ মহাবিদ্যালয়,
কাৰ্য্যালয়ৰ সহায়ক।

বৰ্ত্তমান পৃথিৱী ব্যাপি ধৰ্মক লৈ টনা আজোৰা লাগিছে। নানা যুদ্ধ বিগ্ৰহৰ সৃষ্টি হৈছে। ধৰ্ম ধৰ্ম বুলি আমি কি কৰিছো ? ধৰ্ম সঞ্চয় কৰিব পাৰিছোনে ? যথা ধৰ্ম তথা জয় এই কথাৰ সত্যা সত্য বিচাৰ কৰিলে মহাভাৰতৰ ধৰ্মৰ আদৰ্শ ধৰ্ম ৰজা যুধিষ্টিৰ। ৰামায়ণতো ভৰত, হনুমান আৰু সীতাৰ সত্যতাক স্বীকাৰ কৰিব লাগিব। শ্ৰীৰামচন্দ্ৰ হৈছে ৰামায়ণৰ মূল সত্য চৰিত্ৰ। ৰামায়ণ আৰু মহাভাৰত মহাকাব্য দুখনত অঙ্কন কৰা চৰিত্ৰবোৰ সত্যৰ প্ৰতীক। ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয়, এই কথাৰে সকলোবোৰ বৰ্ণনা মোখনি মাৰিব পৰা যায়। সত্য, সুন্দৰ আৰু ঈশ্বৰ নিশ্চয় আছে। ঈশ্বৰক বিশ্বাস কৰিবলৈ হলে কিছুমান নিয়মৰ বশবৰ্ত্তী হব লাগে। তথা সত্য সুন্দৰ স্বভাৱ ফুটি উঠে নিকা চৰিত্ৰৰ ওপৰত।

পালনকৰ্ত্তা এজন। সেইজনকে ভগৱান, আল্লা, গড, বুলি অভিহিত কৰা হৈছে। হিন্দুৱে হিন্দুৰ নীতি নিয়মত ব্ৰতী হৈ ঈশ্বৰ সেৱা কৰে। মুছলমানেও সেইদৰে নিজ ধৰ্মত আল্লাক প্ৰাৰ্থনা কৰে। খৃষ্টান, শিখ আৰু আন আন সম্প্ৰদায়ৰ মানুহেও ভগৱানক ভক্তি কৰে। ধৰ্ম মানে ঈশ্বৰ আৰু ধৰ্মক আমি সংস্কৃতি বুলি কব নোৱাৰো। সংস্কৃতি হৈছে এটা পৰম্পৰা ৰীতি নীতি। কিন্তু ঈশ্বৰ অনাদি অনন্ত।

যুগ যুগ ধৰি মানুহে ধৰ্ম উপাসনা কৰি আহিছে। ধৰ্ম উপাসনাৰ মূল কাৰণ সুখ, শান্তি আনন্দ আৰু সুখে সন্তোষে থাকিব পৰাটোৱেই। তথাপি বহুতে ঈশ্বৰক, ভগৱানক বিচাৰি তপস্যা কৰি সন্যাস ধৰ্ম অৱলম্বন কৰি জীৱন পাত পাত কৰিছে। থৰ্মৰ নামত সকলো ত্যাগ কৰিছে। সৰ্ব্ব মঙ্গলৰ কাৰণে স্বৰূপ ধৰ্মক মানুহে বৰ্ত্তমান কি ধৰণে লব লাগে আৰু ধৰ্মৰ বিকাশ কেনেকৈ হয় জনাৰ আৱশ্যক। বহুত পণ্ডিতে নানা মত পোষণ কৰিছে। মফিচুদ্দিন আহমেদ হাজৰিকাই ধৰ্মৰ অৱনতিৰ কথা উল্লেখ কৰি কণা মানুহে হাতী চোৱাৰ উদাহৰণ দিছে। তেওঁৰ মতে ধৰ্মৰ 'ধ' টোকে নজনা মানুহে ধৰ্মক লৈ বিবাদ কৰে। সেইদৰে হেমচন্দ্ৰ বৰুৱাই তাল, মাল, ফোঁট, হোমৰ ছাই এইবোৰক এটা বাহিৰা ঢঙ বুলি কৈছে। কোনো কোনোৱে কয় ধৰ্ম হৈছে কোনো এটা পৰিয়ালৰ পৰম্পৰা ৰীতি। হিন্দুৱে হওঁক বা মুছলমানেই হওক আদি পুৰুষসকলৰ বশবৰ্ত্তী হৈ চলি আহিছে। এজন মুছলমান লোকে ৰমজান মাহত ধৰ্মত থাকিব নেপালে নিজকে আচহুৱা যেন পায়। সেইদৰে হিন্দুৱেও মাঘ বিহু, বহাগ বিহু, কাতি বিহু আন পালনীয় পৰ্ব দিন। কাতি মাহত ঈশ্বৰ উপসনা কৰিব নেপালে

নিজকে অপবাধী বুলি ভাবে। সাধাবণতে দেখা যায় গা-নোধোৱা, বাহি বস্ত্র পবিধান কবা, বেয়া বাক্য প্রয়োগ কবা ইত্যাদি কামো ধর্ম নিবপেক্ষ ভাৱে অপবাধমূলক কাম।

ধর্মব বিস্তাব কবিবলৈ হলে বাজনীতি, সমাজনীতি, দেৱনীতিব মূলনীতিবিলাক ধর্ম মন্দিবত, পঢ়াশালিত আৰু সভা সমিতিত প্রচাব হব লাগে। কমলাকান্ত ভট্টাচাৰ্য্যদেৱে ধর্মব সংস্কাব নহলে সাহিত্য সংস্কাব নহয় বুলি কৈছে। ধর্মব যথা নীতি নিয়মে কোনো এটা সম্প্রদায়ব প্রাণকেন্দ্র। কু-সংস্কাববোব আঁতবাই ধর্মব লাই-খুটা পুতি বিশ্ব ধর্মব সৃষ্টি কবিবলৈ সকলোৱে চেষ্টা কবিব লাগে। বিশ্ব ধর্মনো কি? এই লৈ মানুহে বুজিবলৈ চেষ্টা কবিব লাগে। সাধাবণতে নদ-নদী, খাল, বিলব পানী বৈ গৈ সাগব মহাসাগবব পানীব লগত মিলি গৈ বিশাল জলাশয়ব সৃষ্টি কবে। এইদবে ধর্মব শাখা-প্রশাখাবোব লগ লাগি বিশ্ব ধর্মব সৃষ্টি হয়। বিশ্ব ধর্ম বিশ্ব শান্তিব প্রতীক। বিশ্ব শান্তিয়ে ধর্মব মূলনীতি হব লাগে।

বামায়ণ মহাকাব্যত বর্ণিত সীতা, বামচন্দ্র, হনুমান আদিব চবিত্র নির্মল আৰু মহান। কিয়নো ধর্ম আৰু সত্যতাব ওপবত এই চবিত্রবোব অঙ্কন কবা হৈছে। সেইদবে মহাভাবত কাব্যতো পঞ্চ পাণ্ডৱব জয় আৰু কৌবৱব পবাজয়ব কাহিনী বর্ণোৱা হৈছে। বামায়ন, মহাভাবত, গীতা, ভাগৱত, পুবাণ, কোবাণ ইত্যাদি ধর্ম গ্রন্থ অধ্যয়ন আৰু শ্রৱণ কবা সময় উপস্থিত হৈছে? কিয়নো ধর্মব পবিসব বৃদ্ধি নহলে মানুহব মঙ্গল নহয় তথা সমাজব উন্নতি নহয়। আদিতে মানুহে কেচুমতা (কেচুব মুখেৰে ওলাই থুপ খাই থকা) মাটিব দমকে মানুহে ঈশ্বব বিশ্বাস কবি পূজা কবিছিল। ঈশ্বব বিশ্বাস নেথাকিলে ধর্ম নাথাকে। ধর্মব মূলনীতি ঈশ্বব বিশ্বাস।

ভগৱান মহাবীবে কোৱা কেইটামান নীতি বচন তলত উল্লেখ কবা হ'ল—

* জগতব সকলো প্রাণী সমান। কেতিয়াও কাকো কায়মানো বাক্য কষ্ট নিদিবা।
* মানুহ জন্মব দ্বাবা নহয়, কর্মব দ্বাবাহে ডাঙব হয়।
* সম্পূর্ণ জগতব প্রতি সত্য আৰু নির্মল আচবণ কবিবা।
* ধনব সংগ্রহ নকবিবা। পালেই তাক পাত্র চাই দান কবি দিবা।
* পবিগ্রহ বিহীন ব্যক্তিহে স্বাধীন নির্দোষী হব পাবে।
* ধনব দ্বাবা মানুহে নিজক বক্ষা কবিব নোৱাবে।
* কামনাবোবব অন্ত হলেহে দুখব অন্ত হয়।
* ধর্মব দ্বাবা মানুহব কল্যাণ সাধন হয়। কিন্তু সেই ধর্ম অহিংসা সংযম আৰু তপস্যাব ওপবত প্রতিষ্ঠিত হব লাগিব।
* সত্যব সাপেক্ষে সদায় ব্যাখ্যা কবিবা। নিজব মতত আগ্রহ নকবিবা। আনব কথাও বুজিবলৈ চেষ্টা কবিবা।

এইবোব সত্যব বাণীয়ে সূচনা কবে এটা মহা ধর্মব পথ। মহা ধর্মব দ্বাবা বিশ্ব শান্তি বচনা কবিব লাগে।

শ্রীমন্ত শঙ্কবদেৱে প্রচাব কবা বৈষ্ণৱ ধর্ম মতে

এক দেৱ এক বিনে নাই কেৱ। বৈষ্ণৱ সাহিত্য উদ্দেশ্য ধৰ্মী। যিমান আহুকালৰ মাজেৰে হওক পৰম ব্ৰহ্মাৰ জয় আৰোপ কৰা হয়। বৈষ্ণৱ সাহিত্য মূল নায়কজন চিৰসুন্দৰ। ভাগৱত সাহিত্যই পৰম ভগৱানৰ নাম-ধৰ্ম প্ৰচাৰ কৰি বিশ্বত বিশ্ব ধৰ্মৰ সৃষ্টি কৰিছে। সেয়ে শঙ্কৰদেৱে হিন্দু, মুছলমান, খৃষ্টান সকলোকে বৈষ্ণৱ ধৰ্ম প্ৰচাৰত আত্ম বিশ্লেষণ কৰিব কৈছে।

খৃষ্টান ধৰ্মৰ প্ৰচাৰক সকলেও সৰ্বসাধাৰণে বুজিব পৰাকৈ খৃষ্টান ধৰ্মৰ মূলমন্ত্ৰ প্ৰচাৰ কৰিছে। হিন্দু শাস্ত্ৰ এসময়ত অনভিজ্ঞ কিছুমান মানুহৰ হাতত পৰাত ইয়াৰ মূলনীতি সৰ্বসাধাৰণ মানুহে বুজাত হীনদেৰি হোৱা দেখা যায়। পূজা-পৰ্ব, বিয়া-সভা, যাগ-যজ্ঞত আদিত প্ৰচাৰ হোৱা বেদৰ বাণীবোৰ সৰ্বসাধাৰণ মানুহে বৰ্ত্তমানেও আয়ত্ব কৰিব নোৱাৰা বাবে প্ৰচাৰত ব্যাহত হৈছে।

> আত্মবিশ্বাস থাকিলে পৃথিবীত ভয়ৰ একো কাৰণ নাই। সত্যবাদিতা, ভালপোৱা আৰু বিশ্বাস স্থাপনৰ দ্বাৰা সকলোকে সহজে জয় কৰিব পাৰি।
>
> —ঋষি অৰবিন্দ।

বিঃ দ্ৰঃ—ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য দেৱৰ "ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি" আৰু আসাম ক'মাৰ্চিয়েল এজেঞ্চিৰ "ভগৱান মহাবীৰ" এই দুখন কিতাপৰ পৰা উদ্ধৃতিখিনি লোৱা হৈছে।

# দেহৰ দুৱাৰেদি

শ্ৰীহৰেন্দ্ৰ কেওঁট
স্নাতক মহলা, ৩য় বাৰ্ষিক

মাঘৰ মেজিৰ জুইকুৰা
যেতিয়া সিহঁতৰ পদূলিত জ্বলে
তেতিয়া মোৰ দুখবোৰ
নিয়ৰৰ দৰে ওলমি থাকে ।

মোৰ বুকুত মৰুভূমিৰ তপত বালি ।

তেজৰ কোঁহে কোঁহে
অলেখ শব্দই ঢৌ-তুলি
সিহঁতৰ ছবি আঁকে,
কলিজাৰ ফাঁকে ফাঁকে
সিহঁতৰ নিঃশব্দে সোমাই আহে
হাড়ৰ মাজেৰে ।
উশাহত অহা-যোৱা কৰে
সিহঁতৰ তেজৰ কণিকা
বতাহত বৈ আহে
মেজিৰ জুই
মোৰ দেহৰ দুৱাৰেদি ।

# আৱাহন

শ্ৰীমিনতি দেৱী
স্নাতক মহলা, ২য় বাৰ্ষিক (কলা)

তোমাৰ বুকুৰ মাজৰ বিষাক্ত নিবৱতাখিনি
ভংগ কৰাৰ সাহস মোৰ আছিল,
মোৰ বুকুৰ কেঁচা তেজেৰে, তোমাৰ বুকুৰ
উত্তপ্ত মৰুভূমি শীতল, সিক্ত কৰাৰ সাহস
মোৰ আছিল-এদিন আছিল ।
জানিছিলোঁ,
এই মাতৃভূমিতেই মোৰ ককা-আজোককাহঁতেও
ৰাখিছিল গৌৰৱ অথবা সন্মান এই পবিত্ৰভূমিৰ
কৰি মাতৃপূজা হই নিজে বলি ।
আজিও সেয়েহে মই তাকেই কৰিছোঁ।
মোৰ বুকুৰ এসুঁতি ৰঙা ৰক্তেৰে,
তোমাৰ বুকু শুৱনি কৰিছোঁ। ।
ভাবিছিলোঁ, মৰণোন্মুখ এটা জাতিৰ হকে
অগ্নিবাণ মাৰি কৰিম ধূলিস্যাৎ
সৰ্বনাশক !
মোৰ অদম্য হেপাহ আছিল
তোমাৰ বুকুত সৃষ্টি কৰাৰ
—নৱ পাতনিৰ, পাণ্ডপাত ৰূপে মই
বিষাক্ত খাণ্ডৱ দহি ।
কিন্তু ........
অসম সন্তান মোৰ ভাইহঁতে জানো নকৰিব তাকে ।

# কেঁচা সোণৰ সপোন

শ্ৰীভৱজ্যোতি চহৰীয়া
স্নাতক মহলা কলা
১ম বাৰ্ষিক

গভীৰ প্ৰশান্তি ভৰা আইৰ কোলাত উঠি
নিতে ৰচো মই
কেঁচা সোণৰ সপোন,
সপোন সোঁতত দেখো
কাৰাগাৰত জন্ম লোৱা কৃষ্ণক
কেতিয়াবা ক্ৰচবিদ্ধ যীশুক
কেতিয়াবা গুহাত জ্ঞান পোৱা মহম্মদক
সিহঁতে কৈ যায় ·········
"পিঠিৰ দুৰ্বহ বোজা অকল আমাৰ বাবেই নহয়"
কেতিয়াবা মহাবীৰ বুদ্ধ অশোক
সিহঁতে কৈ যায় মানুহৰ হকে জীয়াই থাকা ॥
কেতিয়াবা মাক্স, কনফুচিয়াচ
আৰু লিংকনৰ সমাধি বেদী
ভাঁহি উঠে কত জনমৰ চিৰন্তন ইতিহাস ॥
কেতিয়াবা নেলছন মেণ্ডেলাৰ বিপ্লৱী কণ্ঠ
ভিয়েটনামী আকাশ
আৰু জালিয়ানাৱালাবাগৰ
ৰক্ত চিহ্নিত মাটি
ভাঁহি উঠে কাৰাগাৰৰ দুৱাৰ ॥
কেতিয়াবা দেখো শত শ্বহীদৰ প্ৰেতাত্মাৰ ক্ৰন্দন
প্ৰতিটো ক্ৰন্দন দুবদুবীয়া আকাংক্ষাৰ ॥
কেতিয়াবা দেখো চিতা জুইৰ
স্তিমিত শিখা,
অব্যক্ত, অসহ্য, অনুক্ত বেদনাৰ হাহাকাৰ ॥
কেতিয়াবা দেখো নৰমাংস লুলুপ বুভুক্ষ
কুকুৰৰ দৰে মানুহৰ দল
বিচাৰি ফুৰে নিশাৰ অন্ধকাৰত
মিঠা, মিঠা স্বপ্ন
কিন্তু সিহঁত কণ্ঠৰুদ্ধ ॥

VVVVVV

# বহাগী নিশা

শ্ৰীহিমাংশু ৰঞ্জন নাথ
স্নাতক মহলা (বিজ্ঞান)

শীতৰ ঠেৰেঙা লগা
মোৰ পৃথিৱীখনলৈ
বসন্তই কঢ়িয়াই আনিছে
যৌৱনময় প্ৰকৃতিৰ
পূৰ্ণ প্ৰাচুৰ্য্য।

যৌৱনবোৰ—
মৰম হৈ, সাহস হৈ
প্ৰস্ফুতিত হৈছে
কুলিৰ মাতত
পেঁপাৰ সুৰত
গামোচাৰ
ৰঙা আচুফুলত।

হুৰহুৰাই—
বৰদৈচিলাইয়ে
তাণ্ডৱ নাচি যায়;
কিন্তু ভ্ৰুক্ষেপ নাই।
নিশাবোৰ গভীৰ হয়
উশাহবোৰ ঘন হয়
মৰমবোৰ নিগৰি আহে।

বহাগতটো
আউসীৰ
গভীৰতা নাথাকে।
চকুলৈ টোপনি নাহে
দেহলৈ অলসতা নাহে

এইয়া যে—
বহাগৰ নিশা;
এইয়া যে—
বহাগী নিশা।

## আমিয়েইতো আনিব লাগিব এই ৰাতিৰ শেষৰ নতুন প্ৰভাত

শ্ৰীজীৱন চন্দ্ৰ কোঁচ
উচ্চতৰ মাধ্যমিক (বিজ্ঞান)
২য় বাৰ্ষিক

হঠাতে গভীৰ নিশা সাৰপাই দেখিলো,
চৌদিশে কেৱল এন্ধাৰ,
দূৰৈত শুনিলো কেৱল,
শিয়াল কুকুৰৰ চিঞৰ,
বাকী সকলো নিমাত নিতাল ।
হঠাতে উপলব্ধি কৰিলেঁা,
আমিয়েইতো আনিব লাগিব
ৰাতিৰ শেষৰ নতুন প্ৰভাত
এবা, আমিয়েইতো আনিব লাগিব এই ৰাতিৰ
শেষৰ নতুন প্ৰভাত,
এই ঘিটমিটিয়া এন্ধাৰ হৈ থকা
ক'লা ডাৱৰে আৱৰা,
নিমজ নিতাল হৈ থকা
কাহ পৰি জীণ যোৱা এই ৰাতিবোৰ
আমিয়েইতো আনিব লাগিব এই ৰাতিৰ
শেষৰ নতুন প্ৰভাত ।
কিন্তু, এতিয়া কিমান ৰাতি হ'ল নজনাকৈয়ে,
পুৱালৈ কিমান বাকী নজনাকৈয়ে
"সাগৰত নাও মেলি দি
পাৰ বিচৰাৰ দৰে ;
এই বিশাল ৰাতিবোৰৰ অন্ত পেলাই
পাৰিমনে পুৱাৰ পোহৰ আদৰিবলৈ !

## অতীত আৰু বৰ্ত্তমান

শ্ৰীজ্যোতিষ চন্দ্ৰ নাথ
স্নাতক ১ম বাৰ্ষিক, কলা

প্ৰতিটো অতীত দিনৰ
সোণালী স্মৃতিয়ে
কঢ়িয়াই আনে মনলৈ
অবুজ বেদনা,
নিৰ্জনতাই আৱৰা কণ্ন দিনবোৰে
মনলৈ আনে
গভীৰ হতাশা,
মন ভাঙি ওলাই অহা
ব্যৰ্থতাৰ হুমুনিয়াহ
অলীক কল্পনা মোৰ
অলীক কামনা ।

এদিন আহিছিল তেওঁ
মোৰ জীৱনলৈ
মুখত এমোকোৰা কৃত্ৰিম হাঁহি লৈ ।
কিন্তু !
মোৰ হিয়াত জুইকুৰা দি
যেতিয়া তেওঁ আঁতৰি গৈছিল
যৌৱন মোৰ শেষ হওঁ হওঁ ।

'ডিভাইন কমেডি'ৰ পাতে পাতে
আজিও বিচাৰো মই
সেই সোণালী দিনৰ জোনালী অস্তিত্ব ।

SSSSSSS

# সুৰদি গীত

মিচ্ মঞ্জু দেৱী
উচ্চতৰ মাধ্যমিক (কলা)
১ম বাৰ্ষিক

তোমাৰ কণ্ঠৰ
সুৰদি গীত
শুনিছো দূৰৰ পৰা
নেদেখি তোমাক।
শুনিছো মাথোঁ
সুৰদি সুৰ
পছোৱাৰ বা' পাই
হুকুহুক কঁপি উঠা কহুৱাৰ দৰে।
নেদেখা নুবুজা
ৰঙ তুলিবে
আঁকিছো ক'ত ছবি
আৰু এক বিৰহৰ ৰেখা
আৰু, কিমান দিন
থাকিবা এইদৰে
নেদেখা নিচিনা
অচিনাকী বেশেৰে।
মোৰ জীৱনত
ব্যাকুল হৃদয়ত
ভাহি উঠা গীত কিটি
লোৱা তুমি আজলি ভৰাই।

ග ග ග ග

# স্নেহ

মঃ হাফিজ আলি
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

মোৰ ৰুদ্ধ জীৱন
তুমি কিয় স্নেহেৰে
গতিশীল কৰিলা ?
মই বিছৰা নাছিলো
তোমাৰ পেৰণাতেই
অনাগত ভৱিষ্যতৰ
সপোন দেখিম !
মই বিছৰা নাছিলো—
মোৰ নিবসাত,
মোৰ আৱেগত
তোমাৰ চকুত চকুলো !
মোক, তুমি ৰুদ্ধ হৈয়েই
থাকিব দিয়া
পাৰিম জানো দিব
তোমাৰ চকুলোৰ দাম ?
থাকিব জানো জীৱন জুৰি
তোমাৰ স্নেহেৰে
মোৰ গতিশীল জীৱন ?
ভাতৃত্ব ভাবেৰে যাক
আঁকোৱালি লৈ
স্নেহ ঢালিছা হলাহল
আপ্লুত কবি-বন্ধু বুলি।
নোযোৱাটো পাহৰি
অনাগত আগন্তুকত ?

## অসম কেশৰী
## অম্বিকাগিৰি ৰায়চৌধুৰী

শ্ৰীবিপিন শৰ্মা বৰুৱা
একাদশ শ্ৰেণী ( বিজ্ঞান শাখা )

ধূমকেতুৰ বেগত পাৰ হব খোজা,
তুমি অসমীয়া হোজা ।
উল্কাৰ গতিৰে আগবাঢ়ি যোৱা,
অসমৰ হিট্‌লাৰ তুমি ।
মনৰ আবেগক বাস্তৱত কৰিলা প্ৰকাশ,
পূৰ্ণ হ'ল তোমাৰ তৃপ্তি ।


সন্মানিত কৰিলে তোমাক,
অসমবাসীয়ে 'অসম কেশৰী' বুলি ।
ধন্য হলা তুমি, ধন্য হ'ল অসমবাসী,
ধন্য হ'ল স্বদেশ স্বজাতি ।
তেজাল চন্দ্ৰ নমাই আনিলা তুমি,
আবেগ, অনুভূতিৰ হ'ল সৃষ্টি ।
মহাত্মাৰ আহ্বান মানি লৈ তুমি,
হ'লা আৰু তুমি আন্দোলন মুখী ।
জাতীয় চেতনা লভিবৰ বাবে,
সাক্ষাৎ মিলিল জ্যোতিপ্ৰসাদ আগৰৱালাৰ ।
বিপ্লৱী চেতনাৰ আৰু জাতীয়তাবাদত,
উদ্বুদ্ধ হ'লা তুমি ভাৰতব্যাপি ।
হ'লা তুমি স্বাৱলম্বী,
হ'লা তুমি প্ৰতিবাদী,
আৰু আত্মবিশ্বাসী স্বদেশপ্ৰেমী ।
কৰ্মই জীৱন, কৰ্মই গমন,
মানসত হ'ল মহামন্ত্ৰ তোমাৰ ।
অসম কেশৰী ৰূপে হ'লা,
জীৱন্ত আগ্নেয়গিৰি ।
কোনোবাই যদি কৰে মোক প্ৰশ্ন,
অসমীয়া কোন বুলি ?
বীৰদৰ্পে আমি কম অম্বিকাগিৰি ৰায়চৌধুৰী । ○

# মৰমৰ বন্ধু

— শ্ৰীপ্ৰবীন শৰ্ম্মা
স্নাতক ( বিজ্ঞান ) ১ম বাৰ্ষিক

কলেজীয়া জীৱনৰ এটি উজ্বল মুহূৰ্ত্তত
তোমাক পাইছিলো লগ ;
হৈছিল দুয়ো দুয়োৰো মাজত
সুমধুৰ চিনাকি ।
তুমি মাতিছিলা তোমাৰ ঘৰলৈ
অতি মৰমেৰে ;
ময়ো গৈছিলো তোমাৰ ঘৰলৈ
মৰমৰ প্ৰত্যুত্তৰ স্বৰূপে ।
খাইছিলো ভাত নানা বস্তু
লগা নাছিল আমনি ;
দিছিলা তুমি বিধে বিধে
নলগাই আমনি ।
এইদৰে মাজে মাজে মই গৈছিলো
তোমাৰ ঘৰলৈ ;
মাজে মাজে তুমিও আহিছিলা
আমাৰ ঘৰলৈ ।

কটাইছিলো আমি কলেজীয়া জীৱন
মধুৰ আনন্দত ;
দিছিলো মৰম দুয়ো দুয়োকো
হিয়া উদঙাই ।
কিন্তু হায় ! বিধিৰ কি ?
বিচিত্ৰ মায়াৰ খেলা ;
নোৱাৰি বুজিব মানুহে অকণো
মানুহৰ নাই শকতি ।
এদিন মই আহিলো কলেজ শেষ কৰি
তোমাক বিদায় জনাই ;
তুমি আহিছিলা মোক বিদায় জনাবলৈ
সেই মুহূৰ্ত্তত ।
শোকত দুয়ো হৈছিলো বিহ্বল
সেই বিদায় বেলাত ;
শেষত মাথো চাইছিলোঁ দুয়ো
দুয়োৰো চকুলৈ ।



## স্বাগতম, হে মহাবিদ্যালয়

মিচ্ বুলুমণি বৰদলৈ
উচ্চতৰ মাধ্যমিক (কলা)
১ম বাৰ্ষিক


মঙ্গলদৈ মহাবিদ্যালয়
মাথো শিক্ষাৰ আলয়,
পুৰণিক ভাঙি
নতুনক গঢ়াৰ,
এটি শিল্পালয়।
অজ্ঞান-আন্ধাৰৰ
কবাল গ্ৰাহক
জ্ঞানৰ আলোকেৰে
উদ্ভাষিত কৰি;
নতুন যুগৰ
ন দিগন্তক
হাততে দিবলৈ
তুমি জানো থিয় দিয়া নাই?
চীনৰ প্ৰাচীৰ হৈ।
দুৰ্নীতিৰ মায়াজাল ফালি
কুসংস্কাৰৰ গলি পথ
পোহৰলৈ আনিবলৈ;
মানৱ প্ৰেমৰ মুখা পিন্ধা
দেশদ্ৰোহী বদন; আৰু
দেশৰ প্ৰতিটো চুকত
কিল্‌বিলাই ফুৰা
কাল শতৰুহঁতক;
পুলিতেই উভালিবলৈ
দুৰ্জয় ডেকা শক্তিৰ
জন্ম দিছা তুমিয়েই।
হে মহাবিদ্যালয়
তোমাক স্বাগতম॥ ●

## বিভ্ৰান্ত বিভুক্ষিত

শ্ৰীপ্ৰবীণ কুমাৰ ডেকা
স্নাতক মহলা (কলা)
১ম বাৰ্ষিক

জীৰ্ণ শীৰ্ণ চেহেৰা—
অবিনস্ত পোচাক—
কোটোৰচাৰ চকু,
আউল বাউল চুলি টাবিবে
এহাতে এটি নাওঠ কেছুৱা লৈ
খৰগোজীয়া গতিবে
আত্ম-অভিমান,
উত্তৰ পূব কোনে গতি কৰিলে
এটি নৱকঙ্কাল।
ক্ষুধাৰ তাড়না আৰু
আত্ম ৰক্ষাৰ প্ৰবৃত্তি
কান্ধত টোপোলা,
কেচুৱাটো আৰু এদোপ ওপৰলৈ তুলি
বিপদাপন্ন অৱস্থা উপলব্ধি নকৰি
সভ্যতাক চিনিব নোৱাৰা
তাই এক যাযাবৰী।

★★



# চিৰ জ্যোতিষ্মান

শ্ৰীবোধেশ্বৰ শৰ্মা
একাদশ শ্ৰেণী
উচ্চতৰ মাধ্যমিক ( কলা )

সুউচ্চ শৈলমালাৰ
অভ্ৰভেদী শিখৰৰ
প্ৰাণোচ্ছল যৌবনোদ্দীপ্ত তটিনীৰ
নিৰৱধি গান ।

সুন্দৰ সুষমা
নিৰ্বাক জলমা
দিগ্‌বলয়ৰ পৰিধি খেদিও যে
অক্লান্ত প্ৰাণ ।

শান্ত-সুশীতল ধিমি-ধিমি
জোনালী যামিনী
মৃদু মধুৰ মলয় সমীৰণ,

ঋতুৰাজ বসন্তৰ
চঞ্চলা কুলিজনী
তোমাৰ স্নেহৰেই উদ্গীৰণ ।

ইতিহাস সম্বলিত
মমতাজৰ স্মৃতি
আদ্যা মহামায়া
দেৱী কামাখ্যা
আই মাতৃৰ বক্ষত যে চিৰ জ্যোতিষ্মান ।

সাগৰ সঙ্কাশ
মহাকালৰ মহা উন্মীলন
বিশ্ব জননেতা আৰু
অগণন গণপুঞ্জ
স্মৃতিৰ বসুধা অতিকে মহিয়ান ।

মুক্তিকামী বিশ্ব মানৱৰ
উদাত্ত সুৰ,
প্ৰশান্ত সাগৰৰ
অশান্ত উৰ্ম্মিমালা,
অবিচ্ছেদ্য অঙ্গ যে প্ৰকৃতিৰ ।

উদিত ভাস্কৰ আৰু
অস্তগামী সূৰুযৰ
অস্তেয় অপৰিগ্ৰহ
পৰশ কাম্য ধৰণীৰ ;

ৰহস্যাবৃত সৃষ্টি
সুন্দৰৰ জীৱন গীতি
বিমুগ্ধ শৌৰ্য্য বিক্ৰম মহামানৱৰ,
যদ্যপি ক্ষন্তেকীয়া
সবেও ইহ জগতৰ
দুৰ্জ্জেয় দুৰ্লঙ্ঘ্য প্ৰতীতি
তথাপি মহান আৰু চিৰ জ্যোতিষ্মান ।

# ০ অসমীয়া ডেকা আমি ০

শ্ৰীহিৰণ চন্দ্ৰ বৰুৱা
উচ্চতৰ মাধ্যমিক ( বিজ্ঞান ) ১ম বাৰ্ষিক

( এক )

হতাশ নহবা আই অসমী
তোমাৰ পূজাত অৰ্ঘ্য দিবলে ;
উঠিছে তোমাৰ পুত্ৰৰ মাজতে
হিয়াভৰা আনন্দৰ বোল
গতিকে ; ক্ষান্ত হোৱা আই—

( দুই )

শৰাইঘাটৰ চানেকীয়ে
আজিও বিলায় দিয়ে
হেজাৰ হেজাৰ জনক
সাহসৰ কপালী তৰা ।

( তিনি )

ছবছৰীয়া নবীন ইতিহাসে
লক্ষজনক জনালে স্বৰূপত
ত্যাগ আৰু বেদনাৰ ইংগিত ।

( চাৰি )

কোমল বুকুলৈ বেদনাৰে আনি
প্ৰচণ্ড সাহসৰ সাজিলোঁ দুৱাৰ
সেই বাটেৰেই খোজ লবলৈ সাজু ;
খোজত যদি উজুটি খাই শতভংগ হয় অসমী,
তথাপি পুনৰ একতাৰে মিলি
বহলাই ৰাখিম অসম ভূমি
শক্তিশালী অসমীয়া ডেকা আমি ।

## □ গৈ আছো □

শ্ৰীহীৰাজ্যোতি দাস
উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক

সংগীবিহীন জীৱনত
তোমাক সংগীৰূপে লৈ
গৈ আছো মই
এবুৰি আশা বুকুত বান্ধিলৈ
অনাগত ভৱিষ্যতলৈ।
মোৰ সংগীৰূপী
সময়ৰ সৈতে
গৈয়েই থাকিম খোজ মিলাই
বাধাবোৰৰ সৈতে যুদ্ধৰতহৈ
মৃত্যুৰ আগ মুহূৰ্ত্তলৈ।
প্ৰয়োজনতকৈ বেছি সুখ
মই নিবিচৰাকৈ
মোৰ জননীকো নাপাহৰাকৈ
( নদীৰ ) সোঁতৰ নিচিনাকৈ
গৈ আছো মই।
সময়ে দিছে—
খোজবোৰ আগলৈ আৰু আগলৈ
আহৰি নাই মোৰ আৰু ভাবিবলৈ
অবুজ সংগী মোৰ যায় অচিন দেশলৈ
একান্ত বাধ্য মই,
গৈ আছো নভবা নোবোৱাকৈ।

## নৱবৰ্ষ

শ্ৰীবীৰেন্দ্ৰ কুমাৰ নাথ
উচ্চতৰ মাধ্যমিক, প্ৰাক্তন ছাত্ৰ ( কলা )

ৰঙীণ সাজেৰে শোভিত কৰি
আহিব ধৰিছে বসন্ত।
প্ৰকৃতি দেৱী হৈছে সদৰি
শীতৰ পৰিৰ অন্ত।
ডালে ডালে ফুলিব ফুল
মাথো নাচন দেখিবা।
নৰয় কোনো জাতি কুল
সকলোৱে মাথো হাঁহিবা।
এনেনো বিতোপন এই ধৰণী
বিভিন্ন বিমোহন ৰূপ।
মানুহৰ নাই কিন্তু আহৰি
উপভোগ্য এই অপৰূপ।
মানুহৰ মৃত্যুৰ বাবে আগুৱাই
আগমন হয় নৱবৰ্ষৰ।
পুৰণি স্মৃতি লীন যায়
নতুনক কৰিবা আদৰ।
বিগত বৰ্ষই অৰ্পিলে তিক্ততা
সাদৰেৰে আদৰিছো নৱবৰ্ষক।
সেউজ বোলেৰে বোলালা বনলতা
বিদায় বিগত ( ৮৭ ) বৰ্ষক।
নৱবৰ্ষই দিব সুখ সমৃদ্ধি
অনামক দিব আশ্ৰয়।
সকলোৰে হব যশ বৃদ্ধি
বাঢ়িব সকলোৰে আয়।

# এন, এছ, এছৰ, অভিজ্ঞতা

শ্ৰীভৈৱৱ চন্দ্ৰ ডেকা
উচ্চতৰ মাধ্যমিক, ২য় বাৰ্ষিক

কলেজত নামভৰ্ত্তি কৰিয়েই মই
ললো কলেজৰ সকলোবোৰ গম,
মনে-লগা-পালো-বিচাৰি এটি মাথো বিষয়
কি বস্তু কেনেকৈ ধৰি লম।
নাজানো একোকে সুধিলো সকলোকে
কোনোৱে যে নোৱাৰে কব,
গলো ওচৰ চাপি কলো ভাঙি-পাতি
কলে অধিনায়কে এই বিষয়টো লব।
বুজি পাও কি নাপাও কৰি আহিলো ঘৰত
কৰিলো পুনঃ পুনঃ চিন্তা,
সদৌ শেষত কিন্তু বুজি পালো মই
সমাজ সেৱা কৰাৰ কথা।
বহুতো কৰিলো অৰ্দ্ধদিনীয়া শিবিৰ
বহুতো কৰিলো কাম,
শিবিৰত কাম কৰিও কৰা যেন নেলাগে
শিবিৰ আৰু কেতিয়ানো পাম?
কৰিলো বাস মহোৎসৱত কৰিলো সাধাৰণ অধিবেশনত
কৰিলো বহুত ফুৰ্ত্তি আৰু কাম,
সেই দিনবোৰলৈ মনত পৰিলে মন মৰি যায়
সেই দিন আৰু কেতিয়া পাম।

লাগিলো বহুত কামত কৰিলো বহুত কাম
এন, এছ, এছৰ হওঁক বুলি,
লাগি গৈ থাকোতে আমনি নালাগিল
গৈ থাকিম সমাজৰ সেৱা কৰি।
বিশ্ববিদ্যালয়ৰ শিবিৰত অংশ গ্ৰহণ কৰিলো
কৰিলো বছৰেকীয়া শিবিৰ,
শিবিৰ কৰি কৰি আমনি নালাগিল
তাক যাওঁ কেনেকৈ পাহৰি।
শিবিৰ বিলাকত উপস্থিত থাকি মই
কৰিলো বহুত সমাজৰ কাম,
আৰু কৰিম আগবাঢ়ি যাম
হওঁক এন, এছ, এছৰ নাম।
এই বিষয়ত ভৰি দিয়েই মই
মন মেলি গলো,
এন, এছ, এছ, কি এন, এছ, এছ, কি
এতিয়াহে বুজি পালো।
সমাজৰ কাম ব্যক্তিত্বৰ বিকাশ
এন, এছ, এছৰ, মহামন্ত্ৰ,
জয় যুৱ শক্তিৰ জয় এন, এছ, এছৰ
জয় মহান ভাৰত-গণতন্ত্ৰ।

# কবিতা ● সুন্দৰৰ

শ্ৰীদিলীপ কুমাৰ নাথ
স্নাতক মহলা, ( বিজ্ঞান ) ১ম বাৰ্ষিক

নেগাওঁ কবিতা মই
বিয়াল্লিছৰ,
নেগাওঁ কবিতা মই
কনকলতাৰ।
কাৰণ হব কবিতা সেয়া
কেঁচা কেঁচা তেজৰ,
তিতিব পুনৰ পতাকা
তেজেৰে নিৰপৰাধীৰ।
আৰু, লিখা আছে তাত
এখনি ইতিহাস,
য'ত কৰিছিলে বৰ্ব্বৰতাই
সজোৰে প্ৰকাশ।

o o o o

নিলিখো কবিতা মই
বাসন্তৰৰ,
নিলিখো পুনৰ কাহিনী
মোজাম্মিলৰ।
কাৰণ, পুনৰ লাগিব প্ৰাণ
নাবালক অন্তৰৰ,
পুনৰ ঘটিব নৰহত্যা
সৃষ্টি হব আতংকৰ।
আৰু পুনৰ ভাঙিব দেৱাল
কাৰোবাৰ মূৰৰ আঘাতত,
আছে লিখা সেই কাহিনী
সেই ভাষা ইতিহাসত।

নেগাওঁ কবিতা মই
উনাশীৰ,
নিলিখো কাহিনী
অত্যাচাৰী পুলিচৰ।
কাৰণ, নৰ্দমাৰ পৰা আহি
উঠি এটি অৰ্দ্ধমৃতদেহ,
চিঞৰি চিঞৰি কব
'কৰা তোমালোকে গিলক শেষ'।
আৰু বাস্তাত বহি থকা
শান্তিপ্ৰিয় জনতাৰ ওপৰেৰে,
যাৰ পুলিচ ভান খনি
চলাই নিব অকাতৰে।

o o o o o

নেগাওঁ কবিতা মই
তিৰাশীৰ,
নিলিখো কাহিনী
অবাঞ্চিত নিৰ্ব্বাচনৰ।
কাৰণ, দৰকাৰ নাই শাসন
মিলিটেৰীৰ,
অন্যথাই ভাইৰ আগত হব অত্যাচাৰ
মৰমৰ ভনীৰ।
চিঞৰিছিলে জনতাই নিৰ্ব্বাচন
কৰা বন্ধ বুলি,
পুলিচে চলাইছিল মাথোন
জনতালৈ গুলি।

পুনৰ তিতিৰ ৰাজপথ
বুকুৰ তেজেৰে,
টানিৰ কাৰোবাৰ মৃতদেহ
শিয়াল কুকুৰে।

o o o o

(সেয়েহে) হে মোৰ চেনেহী
অসমী আই,
মকন্দাওঁ তোক কুৰি শতিকাৰ
কবিতা গাই।
শত শত শ্বহীদৰ স্মৃতিত
আজি,
কামনা কৰিছো নৱোদিত
সুন্দৰৰ প্ৰতি।

হে সুন্দৰ, গোৱাৰ পাবা
যেন তুমি,
কবিতা, বিষাদৰ পৰিবৰ্তে
হাঁহি-আনন্দৰ।

আৰু, হয় যদি সেয়ে, মই
গাম কবিতা সুন্দৰৰ,
এটি উজ্জ্বল কামনাৰে
অনাগত একৈশ শতিকাৰ।

# শৰণাৰ্থী শিবিৰ

মূল—তুষাৰ ৰায় চৌধুৰী
অনু—শ্ৰীগুঞ্জৰী ৰায় চৌধুৰী
১ম বাৰ্ষিক (কলা)

দেখিছো আজি বহুত জনতা—
পতাকাৰ তলত
আন্দোলন হৈ থম্‌কি ৰৈছে।
দেখিছো আজি দেশে-দেশে ইমান সন্ত্ৰাস ?
মুখ ঢাকিছে করুণ পৃথিৱী।
জনতাৰ উচাটনে দীৰ্ঘদিন
কোলাহল কৰে
চিএগৰত ঢৌ উঠে গৰম খবৰ।
দেখিছো আজি এওঁৰ মুখৰ কালে চায়
মনে মনে হৃদয় সামুৰে
আঙ্কৰিত পতাকা ভাহি উঠিছে
শৰনাৰ্থী শিবিৰত।



# পলীয়াতৰা

★

**মিচ দুলপ্ৰিয়া ডেকা**
স্নাতক ২য় বাৰ্ষিক ( কলা )

বুইছ অসীম ! মানুহ যে কি বিচিত্ৰ ভাবিলে সঁচাই আচৰিত লাগে। মিঠুক লগ পোৱাৰ পিছত মোৰ মানুহৰ প্ৰতি থকা বিদ্বেষ ভাব নোহোৱা হৈ গ'ল। বিশেষকৈ—ছোৱালীৰ প্ৰতি থকা মনোভাব। পৃথিবীৰ চব মানুহ একে নহয় অসীম। জান আৰু মিঠুৰ মাজত সীমাহীন পাৰ্থক্য। জানৰ দৰে ছোৱালীয়ে মানুহৰ জীৱন ধ্বংস কৰি দিয়ে—আৰু মিঠুৰ দৰে ছোৱালীয়ে ধ্বংস হৈ যাব ধৰা জীৱন একোটা নতুন ৰূপত সজাই-পৰাই জীয়াই থকাত প্ৰেৰণা যোগায়। তই হয়তো একো বুজা নাই অসীম। তই তেতিয়া মদাৰ তলত নাছিলি। মোৰ জীৱনত ঘটি যোৱা চৰম দুৰ্য্যোগৰ কথা মই তোক জনোৱা নাছিলো। তই তেতিয়া পুনাত আছিলি। জান অসীম—জান মোৰ জীৱনৰ পৰা হাঁহি হাঁহি আঁতৰি গৈছিল। জানৰ বিয়া মই সহজভাৱে লব পৰা নাছিলো অসীম। তইটো জানই—জানক মই ভাল পাইছিলো সকৰে পৰা। জানক বাদ দি মোৰ কল্পনা এটাও সম্পূৰ্ণ হোৱা নাছিল। অথচ সেইজনী জানে আজি মোৰ জীৱনটোকেই অপূৰ্ণ কৰি আঁতৰি গ'ল। জানক মই দোষাৰোপ নকৰো অসীম। দোষী মোৰ বেকাৰ জীৱনটো। কাৰণ সেই সময়ত জানক বিয়া কৰাই প্ৰাচুৰ্য্যৰ মাজত ডুবাই ৰাখিবলৈ মোৰ এটা সামান্য সংস্থান নাছিল। তথাপি জানক এবাৰ বুজাই চাইছিলো সংস্থান নহলেও মোৰ দুহাতেৰে কাম কৰি জানক খুউৱা-পিন্ধোৱাৰ সামৰ্থ্য আছে আৰু ভৱিষ্যতে নিশ্চয় সংস্থান এটা হব। কিন্তু ভৱিষ্যতত কিবা পাম, কিবা হব বুলি কল্পনা কৰা বিধৰ ছোৱালী তাই নাছিল। বৰ্তমান একো নাই যেতিয়া ভৱিষ্যতলৈ বাট চাই জীৱনৰ সতে সংগ্ৰাম কৰিবলৈ

তাই প্ৰস্তুত নহয়। সৌৰবাই দিছিলো আমাৰ মিঠা মিঠা লগা ভালপোৱাৰ মুহূৰ্ত্তবোৰ, প্ৰতিশ্ৰুতিবোৰ। সেইবোৰ কৈ একো লাভ হোৱা নাছিল। টকা-পইচা আৰু ফিয়েটৰ মোহে জানক অন্ধ কৰি দিছিল।' জানৰ পৰিবৰ্তন দেখিলে সেই সময়ত তই আচৰিত হৈ গলি হয়। যিজনীয়ে জানে মন্দিৰলৈ গলে মোৰ বাবে এপাহি পূজাৰ ফুল বা এখিলা বেলপাত আনে, ফুৰিবলৈ গলে কিবা এটা ননাকৈ নাথাকে সেইজনী জানৰ যে ইমান সোনকালে পৰিবৰ্তন হব ভবা নাছিলো। অনবৰতে পৰাশ পৰাশকৈ চিঞৰি থকা জানজনীয়ে যে এনেকৈ তাইৰ পৰাশক অতি সোনকালে পাহৰি যাব এয়া এক মুহূৰ্ত্তৰ বাবেও ভাবিব পৰা নাছিলো। শেষত জানে মোক কি কৰিলে জান অসীম? জানৰ ফটো আৰু চিঠিবোৰ উভতাই দিবলৈ মই সিহঁতৰ ঘৰলৈ গৈছিলো। মোক দেখাৰ লগে লগে মাক-দেউতাক মোৰ ওচৰলৈ দৌৰি আহিছিল আৰু অন্য এটা কোঠাত মোক বহিবলৈ দি কিবা কিবি খাবলৈ দিছিল। মই মাকক কৈছিলো যে মা মই একো খাবলৈ অহা নাই মাত্ৰ এবাৰ জানক লগ পাবলৈ আহিছো। জানৰ মাকে মোৰ ফালে বৰ কাতৰভাৱে চাই-ছিল আৰু কৈছিল—পৰাশ আজি জানৰ জোৰোণ। ভিতৰত দৰাঘৰৰ মানুহ বহি আছে। তেওঁলোকে এইবোৰ শুনিলে কি হব বাৰু? তুমি ঘৰলৈ যোৱা। মই একো কবলৈ নাপাওঁ-তেই জান সোমাই আহিছিল আৰু মোক অভদ্ৰৰ দৰে সিহঁতৰ ঘৰৰ পৰা খেদি পঠিয়াইছিল। জানৰ ব্যৱহাৰত মই বোবা হৈ পৰিছিলো। টকা-পইচাৰ মোহত মানুহ ইমান তললৈ যে নামিব পাৰে মই সেয়া জানৰ ব্যৱহাৰতহে উপলব্ধি কৰিব পাৰিছিলো। ঘৰলৈ দৌৰি আহি মাক সাৱটি ধৰি খুব কান্দিছিলো। মাই মোক খুব মৰমেৰে বুজাইছিল আৰু কৈছিল—"তই নাকান্দিবি সোণ। তোৰ কান্দোন মই সহ্য কৰিব নোৱাৰো। মোৰ সম্পত্তি বেছি হলেও তোলৈ জানতকৈ বহুত ধুনীয়া এজনী ছোৱালী বিয়া কৰাই আনিম।"

জানৰ বিয়া হৈছিল মনজিত কাকতিৰ সতে। মনজিত নগাওঁৰ ভিতৰতে আটাইতকৈ ধনী পৰিয়ালৰ ল'ৰা বুলি শুনিছিলো। জানৰ বিয়াৰ পিছত মোৰ গোটেই জীৱনটোতেই আউল লাগি গ'ল। মানসিক অৱস্থা বৰ বেয়াৰ ফালে ঢাল খালে। নিজে কব নোৱাৰাকৈয়ে মই এদিন মদ খাবলৈ আৰম্ভ কৰিছিলো। জানক পাহৰিব নোৱাৰা বাবেই হয়তো মই অতিপাত মদ খাইছিলো, তই আচৰিত হৈছ চাগে। মদে এদিন মোক ধ্বংসৰ মুখলৈ ঠেলি পঠিয়ালে। মোৰ অৰুণাচলৰ বেঙ্ক এটাত চাকৰি হোৱাৰ খবৰ তোলৈ জনাইছিলো। অৰুণা-চলত আহি মদ খোৱাৰ পৰিমাণ বাঢ়ি গৈছিল। মোৰ দেহত যক্ষ্মাৰোগৰ বীজাণু বিয়পি পৰিছিল। দিনে দিনে মই ক্ষীণাই গৈছিলো আৰু খুব দুৰ্ব্বল হৈ পৰিছিলো। কাঁহি কাঁহি মই উশাহ লব নোৱাৰা হৈছিলো। এদিন মোৰ অফিচৰ বন্ধু কেইজন মানে অৰুণাচল হাস্পাতালত ভৰ্ত্তি কৰালে। মালৈ মই এইবোৰ খবৰ জনাব পৰা নাছিলো। মায়ে মোৰ এই অৱস্থাৰ কথা জানিলে বৰ আঘাত পালেহেঁতেন। অৰুণাচল

হাস্পাতালতে লগ পাইছিলো চিষ্টাৰ মিঠুক। মিঠুক হাস্পাতালত লগ নোপোৱা হলে মোৰ জীৱনৰ গতিপথ কিজানি অন্যকালে ঢাল খালে হয়। হাস্পাতালত মই তিনিমাহ আছিলো। সেই তিনিমাহতেই মিঠুৰ সতে মোৰ ঘনিষ্ঠতা গঢ়ি উঠিছিল। চিষ্টাৰ মিঠু অসমৰে ছোৱালী। অৰুণাচল হাস্পাতালত নাৰ্চ কাম কৰে। এদিনাখন আবেলি মই মোৰ ২নং বেডখনত বহি খিৰিকীৰে বাহিৰলৈ চাই আছিলো। চিষ্টাৰ মিঠুই মোৰ উদাসীনতা দেখি সুধিছিল—'মিঃ দত্ত কোনোবা খবৰ লবলৈ অহা কথা আছে নেকি ? নিবিড়মনে দেখোন বাহিৰৰ ফালে চাই আছে ?" মই উত্তৰ দিছিলো যাৰ কোনোৱেই নাই তাৰনো খবৰ লবলৈ কোন আহিব !! অৰুণাচলত মোৰ বন্ধু কেইজনৰ বাহিৰে খবৰ কৰোতা কোনোৱেই নাছিল। মোৰ কোনো নাই বুলি কোৱাত চিষ্টাৰ কিয় আচৰিত হৈছিল নাজানো। দুয়ো অসমৰে বুলিয়েই হয়তো আমাৰ মাজত আন্তৰিকতা এটা গঢ়ি উঠিছিল। লাহে লাহে আমাৰ সম্বন্ধও "আপুনি'ৰ পৰা "তুমি" হৈছিল। দুয়ো দুয়োৰে বহুখিনি মনৰ ওচৰ চাপিছিলো। তই হয়তো আমনি পাইছ অসীম। এইখিনি নকলে মিঠুৰ বিষয়ে তই একোকে নুবুজিবি। মিঠুই মোক সদায় সোধে কিয় এইদৰে মই নিজক শেষ কৰিছো মদ খাই খাই। তাই হয়তো বুজিছিল—মোৰ হিয়াৰ মাজত সংগোপনে লুকাই থকা বাশি বাশি বেদনাৰ কথা। সদায়ে সুধি থকাত তাইক এদিন কৈ পেলালো মোৰ জীৱনৰ কাহিনীবোৰ। মানে তোক এইমাত্ৰ কৈ উঠা মিঠুৰ কথাবোৰ। মোৰ জীৱন সংঘাতৰ তিক্ততাৰে ভৰা কথাবোৰ শুনি মিঠুই চকুলো মচিছিল। তাই মোক বুজাইছিল মানুহৰ জীৱনলৈ ধুমুহা আহেই। ধুমুহাৰ পিছত নিজক উটুৱাই নিদি থানথিত লগাৱ পৰাটোহে আচল কথা। কোনোবা দুৰ্ব্বল মুহূৰ্ত্তত হয়তো তাইৰ মুখৰ পৰা ওলাই গৈছিল—"জানা পৰাশৰ মোৰ সকলো শেষ হৈ যোৱাৰ পিছতো হাঁহি হাঁহি জীয়াই আছো। তুমি নোৱাৰাৰ কোনো কাৰণ নাই। অতীতৰ সকলো দুখ বেদনা পাহৰি তুমি নতুনকৈ জীয়াই থাকিবলৈ চেষ্টা কৰা। অন্ততঃ তোমাৰ মাৰ বাবে।"

জান অসীম—মিঠুৱো যে জীৱন যুঁজত পৰাজিতা এজনী মুমূৰ্ষু সৈনিক ইয়াৰ আগতে ভৱা নাছিলো। শুনিছিলো—নাৰ্চবোৰৰ জীৱনত হেনো কিবা সংঘাত থাকে। সেই দুখ পাহৰিবৰ বাবে আকোৱালি লয় নাৰ্চৰ জীৱন। মিঠুক সদায় সুধিছিলো—কিয় অসম এৰি অৰুণাচলত নাৰ্চ হৈ আছেহি। এদিনলৈও তাইৰ মুখৰ পৰা একো শুনা নাপালো। মই সিদ্ধান্ত লৈছিলো যে ভাল হৈ উঠাৰ পিছত যদি মিঠুই মোক এজন টি, বি, বেমাৰী বুলি ঘৃণা নকৰে ; তেনেহলে তাইক লৈ নতুন জীৱন আৰম্ভ কৰিম। এই বিষয়ে তাইক কৈছিলো যদিও একো সহাৰি পোৱা নাছিলো। মই এদিন সম্পূৰ্ণ ভাল হৈ উঠাৰ খবৰ দিবলৈ গৈ ডাঃ পি, এন, ইভেই মোক কংগ্ৰেচুলেশ্যন জনাইছিল। ডাঃ ইভেৰ ইমান ভাল খবৰেও মোক হঁহুৱাব পৰা নাছিল। কিবা এক অবুজ চাৱনি লৈ ডাঃ ইভে মোৰ কোঠাৰ পৰা ওলাই যাব ধৰাতহে "থেংকইউ"

কৈছিলো। শেষৰ ফালে মিঠু মোৰ কোঠালৈ বৰ কমকৈ সোমোৱা কৰিছিল। তাইক এৰি আহিবলৈ মোৰ অন্তৰখনে হাহাঁকাৰ কৰি উঠিছিল। মিঠুৰ অকৃত্ৰিম মৰমে, শুশ্ৰূষাই মোক অনাবিল প্ৰেৰণা যোগাইছিল।

মই হাস্পাতাল এৰাৰ আগদিনা মিঠুৱেই মোক ফুৰাব লৈ গৈছিল। নিজৰা এটাৰ পাৰত আমি দুয়ো বহিছিলো। মই সুস্থ হৈ উঠা বাবে তাই বৰ সুখী হৈছিল। নিজৰাৰ পাৰত বহি বহি মিঠুক বহুত কথাই কৈছিলো। কৈছিলো মোৰ উৰ্ব্বশী যাৰ ধৰা জীৱনটোলৈ মিঠু 'দেৱী' হৈ আহক। সেইদিনা তাই বৰ কমকৈ কথা কৈছিল। মোৰ জীৱনলৈ অতি আপোনজন হৈ আহিবলৈ তাইক অনুৰোধ কৰিছিলো। মোৰ কোলাত মূৰ থৈ তাই হুকহুকাই কান্দি কান্দি কৈছিল—"মোক ক্ষমা কৰিবা পৰাশ। তুমি মোক ভাল পাই পেলাইছা মই জানো। কিন্তু মই বুজিও একো কৰিব নোৱাৰো। মোৰ সকলো শুনাৰ পিছত তুমি হয়তো ক্ষমা কৰি দিবা। তোমাক চব কম। কিন্তু আজি নহয়। সন্ধিয়া হোৱাত আমি হাস্পাতাললৈ উভতি গৈছিলো। পিছদিনা ৰাতিপুৱা মই ৰিলিজ পাম। এই কথাটো চিন্তা কৰি কৰি ওপৰলৈ মুখ কৰি শুই আছিলো। মিঠু কোঠালৈ সোমায় গৈ এনেয়ে মোৰ হাত-ভৰিবোৰ পৰীক্ষা কৰাৰ দৰে চাই কপালত চুমা এটা খাই ওলাই আহিছিল।

পিছদিনা মোক ৰিলিজ দিছিল। ডাঃ আৰু অন্যান্য নাৰ্চবোৰ মোক মাত লগাবলৈ গৈছিল। কিন্তু মিঠু যোৱা নাছিল। টিকো নামৰ নাৰ্চ এজনীয়ে মোলৈ এটা শকত খাম আৰু কিতাপৰ টোপোলা এটা আগবঢ়াই দিছিল। সুধিছিলো মোক মাত লগাবলৈ মিঠু নাহে নেকি? অন্য এজনী নাৰ্চে উত্তৰ দিছিল যে মিঠুৱেই হেনো চাকৰি এৰি দিছে আৰু পুৱাৰ বাচত কৰবালৈ গুচি গৈছে। এটা গধুৰ মন লৈ মই অৰুণাচল হাস্পাতালৰ পৰা বিদায় লৈ ঘৰলৈ উভতি আহিলো। তই একো বুজা নাই নহয় অসীম? বুজিবি ব। মিঠুৰ জীৱনত পুঞ্জীভূত হৈ থকা বেদনাৰ কথাবোৰ মোলৈ লিখি থৈ গৈছে। ৰ তোক আনি দিছো নিজে পঢ়। মিঠু হেৰাই গ'ল অসীম। এয়া মিঠুৰ জীৱন কাহিনী। তই নিজে পঢ়ি চা অসীম। নিজে তাইৰ কাহিনীটো পঢ়ি চালে সহজে হৃদয়ঙ্গম কৰিব পাৰিবি।

চেনেহৰ পৰাশ মোৰ—

অকৃত্ৰিম স্নেহ আৰু আশীৰ্ব্বাদ গ্ৰহণ কৰিবা। তুমি মোক খুব বেছি খং কৰিছা বুজিছো। মোৰ ওপৰত অভিমান কৰি হয়তো একো নকৰাকৈ ঠেহ পাতি আছা। তোমাৰ অভিমান ভাঙি দিবলৈ তোমাৰ মিঠু আজি বহু দূৰৈত পৰাশ। তুমি মোক ভাল পাই পেলাইছা জানো। কিন্তু সকলো বুজিও একো নুবুজাৰ দৰেই আঁতৰি আহিলো। চাকৰিটো এৰি দিলো। সঁচা কথা কবলৈ গলে ময়ো তোমাক ভাল পাই পেলালো কিজানি। কিন্তু মোৰ এটা অতীত আছে। বহুত চেষ্টা কৰিও মোৰ অতীতটোক পাহৰি থাকিব নোৱাৰো। সেয়ে মই তোমাৰ কাষৰ পৰা আঁতৰি আহিবলৈ বাধ্য

হলো। মোৰ কথাবোৰ জনাৰ পিছত মোক ভুল নুবুজিবাদেই সোণ। কিয় মই এয়া পথ ললো সুধিছিলা নহয় ? তাবেই পাতনি মেলিছো।

মোৰ ঘৰ অসমৰে কমলপুৰ নামৰ এখন উন্নত গাওঁত। মোৰ ঘৰত দাদা, ভাইটি, মা-দেউতা সকলো আছে। বাইদেউজনী বিয়া হৈ গৈছে। মই বি-এ পাছ কৰি ঘৰতে আছিলো। বঞ্জুল নামৰ আমাৰ গাওঁৰ ল'ৰা এজনৰ মই বাক্‌দত্তা আছিলো। সৰুৰে পৰা আমাৰ দুয়োৰে মাজত বৰ মিলা-মিচা আছিল। বঞ্জুল অৰ্থনীতিৰ এম-এ আছিল। গাওঁৰে হাইস্কুল খনত কাম কৰিছিল গাওঁখনৰ ল'ৰা-ছোৱালীৰ কিবা অলপ উন্নতি হওঁক বুলি। ১৯৭৯ চনত আৰম্ভ হৈছিল অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন। গাৱে-ভূএে বিয়পি পৰিছিল আন্দোলনৰ প্ৰভাৱ। কমলপুৰত এই আন্দোলনৰ কাৰ্য্যসূচীত নেতৃত্ব লৈছিল বঞ্জুলে। গাওঁৰ মানুহবোৰক বুজাই-মেলি চহৰৰ মাজ মজিয়ালৈ উলিয়াই লৈ গৈছিল। বঞ্জুল গাওঁৰ মানুহৰ বৰ প্ৰিয় আছিল। গতিকে গাওঁৰ মানুহখিনিয়ে সি যি কৈছিল তাকে কৰি গৈছিল। আন্দোলন দ্ৰুতগতিত চলি গৈছিল। চৰকাৰে পুলিচ, চি-আৰ,পি লগাই ছাত্ৰ নেতা-বোৰ জেল-হাজোতত ভৰাইছিল। বঞ্জুলও এদিন পুলিচৰ হাতত ধৰা পৰিছিল। ৩ মাহ জেইলত থাকি মনত নতুন সঙ্কল্প লৈ পুনৰ উভতি আহিছিল।

১৯৮৩ চনত অস্তিত্ব ৰক্ষাৰ আন্দোলন সাম্প্ৰদায়িক সংঘৰ্ষলৈ পৰিণত হৈছিল। পমুৱা লোকসকলে অসমীয়াৰ ঘৰত জুই দিছিল। ফলত এখন মৰা-কটাৰ সৃষ্টি হৈছিল। সোণৰ অসম হৈ পৰিছিল ৰক্তভূমি। ১৯৮৩ চনৰ ৩ ফেব্ৰুৱাৰী। আমাৰ ওচৰৰে পমুৱা লোকসকলে অসমীয়াৰ ঘৰ জ্বলাই অসমীয়া মানুহক মাৰি-কাটি ত্ৰাসৰ সৃষ্টি কৰিছিল। অসমীয়া মানুহ-বোৰো জাগ্ৰত হৈ উঠিছিল। হাজাৰ হাজাৰ লোক ওলাই গৈছিল হাতত অস্ত্ৰ-শস্ত্ৰ লৈ। মোৰ বঞ্জুলও ওলাই গৈছিল হাতত বন্দুক লৈ। কিন্তু বঞ্জুল আৰু উভতি নাহিল পৰাশ। কলি-জাৰ ৰঙা তেজেৰে অসম মাতৃৰ চৰণ তিয়াই মোৰ বঞ্জুল গুচি গ'ল সেই শ্বহীদ থকা ৰাজ্য-খনলৈ। কমলপুৰ গাওঁত শোকৰ ছাঁ পৰিল। অসম মাতৃয়ে হেৰুৱালে এজন দেশপ্ৰেমিক পুত্ৰ। কিন্তু মই কি নেহেৰুৱালো পৰাশৰ ? মোৰ ভৱিষ্যতৰ সুখ-দুখ, আশা-কল্পনা সকলো চুৰ-মাৰ হৈ গ'ল। মোৰ হিয়াভগা কান্দোনে আৰু কমলপুৰ বাসীৰ চকুলোৱে বঞ্জুলক উভতাই আনিব নোৱাৰিলে। বঞ্জুলৰ হাতৰ আঙুলি এটাও মই দেখা নাপালো পৰাশ। অথচ তাৰ সেই হাত দুখনত এটা সময়ত মোৰ ওপত চুমাৰে ভৰাই দিছিলো। মই ভাগি পৰিছিলো।

আন্দোলনে শাম কাটিলে। কিন্তু মোৰ মনৰ বেদনাবোৰে শাম নাকাটিলে। আমাৰ ভিনদেউ চাহ বাগানৰ মেনেজাৰ আছিল। মোৰ মনটো ভাল হওক বুলি বাইদেউয়ে জোৰ কৰি ভুটিয়াচাং বাগানলৈ লৈ গৈছিল ফুৰাবলৈ। বহুত দিন আছিলো তাত। কিন্তু তাত মোৰ সকলো শেষ হৈ গ'ল পৰাশ। এদিন বাগানৰ মাজে মাজে ভিনদেউয়ে মোক অকলে ফুৰাব লৈ গৈছিল। সন্ধিয়া হোৱাত ভিনদেউক ঘৰলৈ

আহিব লগ ধৰিছিলো। কিন্তু সেইদিনা ভিন-দেউক অন্য মনস্ক দেখিছিলো। সেইদিনা ভিনদেউয়ে অকলশৰীয়াৰ সুযোগ লৈ মোৰ নাৰীত্বৰ সকলো শেষ কৰিলে পৰাশ। পিছদিনাই ঘৰলৈ উভতি আহিছিলো। ঘৰৰ সকলোৰে বাধাক আওকাণ কৰি নাৰ্চৰ ট্ৰেইনিং লবলৈ গুচি আহিলো। ট্ৰেইনিং শেষ কৰি জইন কৰিলোহি। অৰুণাচল হাস্পাতালত। ইচ্ছা কৰিয়েই অসমত নাথাকিলো।

তাৰ পিছত সকলো পাহৰি মানৱ সেৱাত লাগি পৰিলো। লগ পালো তোমাক। কিয় জানো তোমাক খুব ভাল লাগি গ'ল। তোমাৰ অতীতৰ কাহিনীবোৰ শুনাৰ পিছত তোমাৰ প্ৰতি মোৰ মনত এক সহানুভূতিৰ ভাব জাগি উঠিছিল। তোমাক মই ভাল পাওঁ পৰাশ। কিন্তু তোমাৰ জীৱনলৈ মই অতি আপোন হৈ যাব নোৱাৰো। মোৰ বপ্নলে সৌ নীলাকাশৰ পৰা মোলৈ সদায়ে ৰ লাগি চাই থাকে। তুমি ভাল হোৱাত মই খুব সুখী হৈছো। কিন্তু তোমাক বিদায় দিবলৈ মই যাব নোৱাৰো পৰাশ। বিদায়ৰ মুহূৰ্ত্তবোৰ বৰ করুণ। অৰুণাচলত থাকিব নোৱাৰো। কিয়নো তুমি মোক সদায় লগ পাব বিচাৰিবা মই জানো। জীৱনলৈ আক দুখৰ বোজা কঢ়িয়াৰ বিচৰা নাই। মই কক্ষচ্যুতা এটা পপীয়াতৰা পৰাশ। কতো মোৰ স্থিতি নাই। তোমাৰ জীৱনলৈও মই পপীয়াতৰাৰ দৰেই আহিলো। মই তোমাৰ জীৱনৰ মাজলৈ যাব নোৱাৰো পৰাশ। মই মাথো এটা পপীয়াতৰা। এয়াই মোৰ জীৱন কাহিনী।


পৰাশ—আমনি নাপাবা। আৰু অলপ সময়। তাৰ পিছত তুমি যাবা তোমাৰ পথেৰে। আৰু মই? মই কলৈ যাম নাজানো। যাযাবৰী জীৱন মোৰ। ভীৰুৰ দৰে তোমাৰ কাষৰ পৰা মাত নলগোৱাকৈ আঁতৰি অহা বাবে ক্ষমা কৰি দিবা। তোমাক মই মনত ৰাখিম সদায়ে। তোমাৰ নতুন জীৱনলৈ মোৰ শুভেচ্ছা থাকিল। লিখনীৰে তোমাক বিদায় দিলো দেই সোণ। ৰাতি পুৱাবৰ হ'ল। বিদায় পৰাশৰ! বিদায়!

ইতি—

তোমাৰ জীৱনৰ

পপীয়াতৰা

চিটাৰ মিঠু বৰুৱা



# অশান্ত প্ৰহৰ

শ্ৰীনিৰ্ম্মালী ডেকা
স্নাতক ১ম বাৰ্ষিক ( কলা )

বাহাদুৰ শাহ জফৰৰ শ্যায়েৰীটো পুনৰ আওৰালে পুষ্পাক্ষীয়ে—

"উমৰেদৰাজ মাংগকে লায়েথে চাৰদিন
দো আৰজুমে কট গয়ে, দো ইন্তেজাৰমে।"

(ঈশ্বৰৰ পৰা মাত্ৰ চাৰিদিনৰ জীৱনলৈ আহিছিলোঁ। তাৰে ছুদিন পাৰ হ'ল আকাংখাত আৰু ছুদিন কৰিলো অপেক্ষাত।" জীৱনটো সেয়েই— ছুদিন স্বপ্ন দেখাৰ বাবে আৰু ছুদিন স্বপ্ন ভাঙিবৰ বাবেই)

এই শ্যায়েৰীটোৱেই যেন তাইৰ জীৱনৰ কথা প্ৰকাশ কৰিছে। মেজৰ ড্ৰয়াৰটো খুলি দিলে পুষ্পাক্ষী ঠাকুৰীয়াই। বিভিন্ন ৰাইটিং পেড, বিভিন্ন খাম আৰু বিভিন্ন কাৰ্ডত আখৰেৰে লিখা চিঠি। এসময়ত সোণতকৈয়ো অধিক মূল্যবান চিঠিবোৰ। ধুনীয়াকৈ বগা ফিটাৰে বান্ধি থোৱা চিঠি জাপ তুলি লৈ পুষ্পাক্ষীয়ে ভাবিলে—এইবোৰৰ বাৰু এতিয়া কিবা প্ৰয়োজন আছে নেকি সজাই থোৱাৰ !!! চিঠিৰ জাপবোৰ হাতত তুলি ললেই পুষ্পাক্ষীৰ মনৰ ভিতৰখনত এক মৃদু ভূমিকম্পৰ সৃষ্টি হয়। ফিটাডাল খুলি এখন এখনকৈ চিঠিবোৰ চকুৰ আগত মেলি ধৰিলে পুষ্পাক্ষীয়ে। ধুনীয়া আখৰবোৰ পিমন, পুষ্পা, পমী ···· সূৰুযৰ মৰমৰ নামবোৰ ধুৱলি-কুঁৱলী দেখিলে। পুষ্পাক্ষী নামৰ এজনী অতি সহজ সৰল ছোৱালীয়ে প্ৰথম বাৰৰ বাবে মানুহক অবিশ্বাস কৰিবলৈ শিকিছিল নতুনকৈ।

অৱশ্যে এইবোৰ বহুত পুৰণি কথা। মনত ৰখাৰ অকণো প্ৰয়োজন নাই অথচ পুষ্পাক্ষীয়ে পাহৰিব পৰা নাই। পুষ্পাক্ষীৰ মন বননিত আঠোটি বছৰ ধৰি অলেখ গুণ গুণনি তোলা সূৰুয পেগুৰ কথা পাহৰিব নোৱাৰে। পাহৰিব পৰা নাই সূৰুযক লগ পোৱাৰে পৰা কেনেকৈ অলেখ গধূলি ভাল পোৱাৰ অনুভৱবে কটাই দিয়াৰ কথা।

পাহৰিব নোৱাৰাৰ বাবেই নিজলৈ ঘৃণা হয় পুষ্পাক্ষীৰ। পৃথিৱীৰ ভিতৰত যেন তায়েই আটাইতকৈ মূৰ্খ। নৈৰ ব-দ্বীপটোৰ দৰে তাই অতীতৰ বুকুত জাহ গৈ থাকিব লগা হ'ল। তাই জানো আকৌ নিজৰ জীৱনটোক নৰূপত সজাব পাৰিব। এদিন বান্ধৱী কুকমীয়ে ঠিকেই কৈছিল— জান পুষ্পা পৃথিৱীত এনে এক শ্ৰেণীৰ পুৰুষ আছে যি নিজৰ জীৱনৰ দুখময় ছবি নাৰীৰ আগত দেখুৱাই এদিন সহানুভূতিপূৰ্ণ হ'লে সিহঁতে নিজৰ পুৰণি নীতি-নিয়মো এৰিব নোৱাৰা হৈ নাৰীৰ কাষৰ পৰা ভোমোৰাৰ দৰে আঁতৰি যায়।" কৈ উঠি কুকমীয়ে হাঁহিছিল। কিন্তু পুষ্পাই কিয় জানো সেইদিনাখন হাঁহিব পৰা নাছিল।

কুকমীৰ হাঁহি হাঁহি কোৱা কথাবোৰ যে, এদিন তাইৰ জীৱনত ঘটিব ভবাই নাছিল। প্ৰথম পুষ্পাক্ষীয়ে সুৰুযক লগ পাইছিল আমাৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল গুৱাহাটী বিশ্ববিদ্যালয়ত। দুয়ো দুটা পথৰ যাত্ৰী। যৌৱন নামৰ ফাগুনটোৱে সজাই পৰাই দিয়া সময়টো কোনে বাৰু জাতি, কুল মানে। সুৰুয আহিছিল উঃ লক্ষীমপুৰৰ চিলাপথাৰৰ পৰা আৰু নগাওঁৰ আমোলাপট্টিৰ পৰা আহিছিল পুষ্পাক্ষী। এনে দুটি যাত্ৰীৰ মিলন এটি পথত। তাতে আকৌ দুয়োয়ে ইংৰাজীৰ ছাত্ৰ-ছাত্ৰী। এম, এ পঢ়িবলৈ অহাৰে পৰা ভালপোৱা আৰম্ভ পুষ্পাক্ষী আৰু সুৰুযৰ। দুয়োয়ে কব নোৱাৰাকৈ ব্যস্ত থাকি সময়বোৰ পাৰ কৰি দিছিল।

সুৰুয আৰু পুষ্পাক্ষী দুয়োই পৰীক্ষাৰ পিছত নিজ নিজ ঘৰলৈ গৈছিল। আনহাতে ইংৰাজীত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পোৱাৰ পিছত পুষ্পাক্ষীৰ দেউতাক প্ৰকৃতীশ ঠাকুৰীয়াই জেষ্ঠ কন্যাক বিয়া দিবলৈ ইচ্ছা কৰিলে। বিয়াৰ প্ৰস্তাৱ পুষ্পাক্ষীয়ে নাকচ কৰিলে আৰু চাকৰি কৰি গৱেষণা কৰাৰ কথা ক'লে। সুৰুযক ভালপোৱাৰ কথাও কবলৈ সংকোচ কৰিলে। পুষ্পাক্ষীয়ে— কাৰণ তাই ভালকৈ জানে মিৰি ল'ৰা এজনৰ লগত বিয়াৰ মান্তি হব নোৱাৰে।

ভাল ৰিজাল্ট কৰি দুয়োয়ে দুখন কলেজত চাকৰি জীৱনৰ পাতনি মেলে। পুষ্পাক্ষী কটন কলেজত আৰু জে, বি, কলেজত সুৰুয। দুয়োৰে সম্পৰ্ক অতি গভীৰ। বন্ধ হলেই পুষ্পাক্ষীৰ ভাবা ঘৰলৈ সুৰুয আহে। এনেকৈ সিহঁতৰ সোণোৱালী দিনবোৰ আঠোটি বছৰ অতিবাহিত কৰাৰ পিছত ঘৰৰ অমতত দুয়ো এদিন কামাখ্যাত বিয়া হয়। অৰ্থাৎ যেন বহুত খেলি-মেলি লাগি গ'ল। সুৰুযে বিয়াৰ পাছত পুষ্পাক্ষীক ঘৰলৈ নিব বিচাৰিলে। কিন্তু পুষ্পাক্ষী নাযায়। মিৰি সমাজৰ নিয়মৰ লগত আমাৰ নিয়মবোৰৰ মাজত পাৰ্থক্য বহুত। সিহঁতৰ নিজৰ আওপুৰণি নীতি-নিয়ম কেতিয়াও এৰি নিদিয়ে। সুৰুযৰ সমাজখনৰ নীতি-নিয়ম মানি লোৱাত পুষ্পাক্ষীয়ে নিজকে প্ৰস্তুত কৰিব নোৱাৰিলে। এটা সময়ত সুৰুযে পুষ্পাক্ষীক এৰিব পাৰিলেও নিজৰ পৰিয়ালটিক এৰিব নোৱাৰা হ'ল। দুয়োকে বহুত বুজাইছিল বন্ধু-বান্ধৱীবোৰে। কিন্তু কোনোটোৱেও নিজৰ নিজৰ নিয়মবোৰ এৰিব নোৱাৰা হ'ল। বেইমাহ মান পাৰ হোৱাৰ পিছত দুয়ো দুয়োৰ পৰা আঁতৰি আহিছিল।

পুষ্পাক্ষীৰ ঘৰৰ পৰিয়ালৰ পৰাও চিৰদিনলৈ

বাট বন্ধ হ'ল। ভাবিছিল অতদিনে ভাল পোৱা সূৰুয এদিন তাইৰ ওচৰলৈ আহিবই !!! কিন্তু সূৰুয নাহিল। অভাবনীয়ভাৱে পুষ্পাক্ষীৰ জীৱনটিলৈ আহিছিল এক বিৰাট পৰিবৰ্ত্তন। প্ৰয়োজনতকৈয়ো অধিক গহীন হৈ পৰিছিল, পুষ্পাক্ষীয়ে চাকৰিৰ মাজতেই মনটো আৱদ্ধ ৰাখিবলৈ বিচাৰিছিল। নিজক লৈ আৰু ক্লাচৰ ছাত্ৰ-ছাত্ৰীক লৈয়ে ব্যস্ত পুষ্পাক্ষী।

যোৱা কালিৰ কথাটো মনত পৰাৰ লগে লগে পুষ্পাক্ষীৰ দেহত এক তীব্ৰ শিহৰণৰ অনুভৱ কৰিলে। এটা বিশৰ ক্লাচটো শেষ কৰি কমন ৰুমলৈ বুলি বৰ বেগা-বেগীকৈ ওলাই আহিছিল পুষ্পাক্ষী। পাছফালৰ পৰা কোনোবাই বাইদেউ বুলি মতা শুনি থমকি ৰৈ পিছলৈ চাওঁতেই পুষ্পাক্ষীৰ মৰমৰ টি, ডি, চি ৰ ছাত্ৰী আকাশীলতা বংপি আৰু নিহাৰিকা পাঠকক দেখা পালে। নিমন্ত্ৰণী পত্ৰখনি আগ-বঢ়াই আকাশীলতাই কৈছিল—"বাইদেউ যাব-দেই যেনে-তেনে।" পুষ্পাক্ষীয়ে হাঁহি মুখে সুধি পেলাইছিল— "দৰা ক'ত ?" আকাশীলতাই কৰ লাজ কৰাত নিহাৰিকাই কৈছিল—"ইহঁতৰ ঘৰৰ ওচৰৰে প্ৰফেচাৰৰ নামটো কি আছিল, অ' সূৰ্য্য পেগু নেকি ?" আকাশীলতাই লাহেকৈ কৈছিল—"ধেৎ, নহয় সূৰুয পেগু।" পুষ্পাক্ষীৰ হাঁহিৰে পূৰ্ণ মুখখন আবেগেৰে ভৰি পৰিছিল।

যিমান লাহেকৈ নকও কিয় পুষ্পাক্ষীয়ে ঠিকেই শুনিছে সূৰুয পেগুৰ নামটো। তাইৰ বাবে নিচেই অকণমানি লগা আকাশীলতা কইনা আৰু নিজৰ এসময়ৰ মৰমৰ সূৰুয দৰা হ'ব, সিহঁতৰ নিয়মত সামাজিকভাৱে বিয়া হব। গোটেই পৃথিৱীখন যেন জোকাৰি উঠিল। এনে ভাব পুষ্পাক্ষীৰ হৈছিল। পুষ্পাক্ষীৰ অন্তৰখনে ইনাই-বিনাই কান্দিছিল।

পুষ্পাক্ষীৰ প্ৰাণৰ কৰবৰ পৰা সূৰুযৰ স্মৃতি-বোৰ উলিয়াবলৈ বগা ফিটাৰে বান্ধি থোৱা বঙা, নীলা চিঠিবোৰ খুলি স্পৰ্শ কৰিলে। এইবোৰটো ইমান সযতনে বান্ধি থোৱাৰ একো প্ৰয়োজন নাই বুলি ভাবিলে পুষ্পাক্ষীয়ে।

ওৱাল ঘড়ীটোলৈ চাই বাতিপুৱা আঠটা চল্লিশৰ ক্লাচৰ বাবে যাবলৈ পুষ্পাক্ষী ওলাইছে। কলেজত যোৱাৰ আগমুহূৰ্ত্ততে টেবুলৰ ওপৰৰ পৰা চিঠিবোৰ আনি এটা দম কৰি দিয়াচলাইৰ কাঠি এটা জ্বলাই তাত কাঠিটো সুমুৱাই দিলে পুষ্পাক্ষীয়ে। লাহে লাহে গোটেই চিঠিবোৰৰ পিমন, পুষ্পা, পমী ..... আখৰবোৰ নাইকীয়া হৈ চাইৰ ৰূপ লৈছিল। মৰমৰ নামবোৰ পুষ্পা, পিমন, পমী.........নিকৰুণ সমাধিয়ে অকণো পুষ্পাক্ষীৰ মনটো বিচলিত কৰিব পৰা নাছিল।

# থুনপাক

শ্ৰীমতিৰাম মেধি
প্ৰবক্তা, ভূগোল বিভাগ

ডাঠ ধোঁৱাৰ দৰে উষাৰ কুঁৱলীয়ে গিলি ধৰা বহল পথাৰখনৰ বুকুত ধান দাই নিয়াৰ পিছতো নৰাবোৰ উলুবনৰ দৰে তেতিয়াও পৰিয়েই আছে। ধানৰ নৰাবোৰৰ মাজেৰে মানুহ অহা যোৱা কৰা পথটোৰ ঘন কুঁৱলীৰ মাজত, ঘাঁহ-বন মৰি টকলা হৈ যোৱা সাচটোৱেহে মাথো অস্তিত্ব ৰক্ষা কৰি পথিকক সহায় কৰিছে। পথাৰখনৰ অ'ত ত'ত সিচৰিত হৈ থকা গছকেইজোপাই প্ৰকাণ্ড দানৱ একোটাৰ দৰে থিয় দি মাথো পৰিবেশটো জয়াল কৰি তুলিছে। পথাৰখনৰ সেই পথটিৰে এই ব্ৰহ্মমুহূৰ্ত্ততে ঘৈণীয়েক প্ৰমিলাই দুদিন ধৰি যতনাই দিয়া মোনাখন কান্ধত লৈ হলধৰে যাত্ৰা কৰিছে বাছ আস্থান বুলি।

কুকুৰাৰ ডাকতে শোৱাপাটি এৰি পুহমহীয়া জাৰত কঁপি কঁপি গাধোৱা তিয়নীখন বেৰত মেলি দিব ধৰোতে প্ৰমিলাই কোৱা কথাষাৰি হলধৰে গোটেই বাটে আওৰাই গ'ল। "এইবাৰ কিন্তু একেবাৰে ঠিক কৰিয়েই আহিব"।

কথাষাৰ মনত পৰিলেই তাৰ বুকুখনৰ কোনোবা খিনিত বিষ অনুভৱ হয়, মনতো সেমেকি উঠে। অপত্য চেনেহ বোধকৰো এনেকুৱাই নেকি ?

ৰাতিপুৱা সাত বজাৰ আগতে সি ডিব্ৰুগড়লৈ যোৱা বাছখন ধৰিবই লাগিব। মাঘমাহৰ ভিতৰতে প্ৰমিলাই কোৱা কথাটিৰ কিবা এটা সিদ্ধান্ত সি কৰিবই লাগিব। বহুদিন অপেক্ষা কৰাৰ মূৰত পৰীক্ষাত পাছ কৰা খবৰ পোৱা পৰীক্ষাৰ্থীৰ দৰে লাগিল হলধৰৰ, সোয়ে সি এনে হিমচেঁচা কুঁৱলী কিয় লাগিলে বৰফৰ ওপৰৰে হলেও বগাব।

ঘৰৰ পৰা ( চহৰলৈ ) বাহ আস্থানলৈ দহমাইল দূৰত্ব হেলাৰঙে খোজকাঢ়ি অতিক্ৰম কৰিব পৰা কিবা এটা শক্তিয়ে হলধৰৰ মনটো ভৰাই পেলালে। বহুতো অভিনয় কল্পনাই হৃদয়ত দোলা দি গ'ল। লাহে লাহে যিমানে বেলি উঠি আহিছে সিমানে তাৰ মৰমী প্ৰমিলাজনীৰ কথা আৰু গন্তব্যৰ চিন্তাই গগণভেদি উৰা মাৰিলে। ঘাটমাউৰা হলধৰক প্ৰমিলাই নিজৰ কৰি লোৱাৰ দিন ধৰি কোনোদিনে তাইৰ কথা পেলোৱা নাই আৰু বেয়াকৈ কোৱাও নাই। গাখীৰত সেন্দুৰ মিহলোৱা গাৰ বঙৰ

তাৰ প্ৰমিলাজনীক লগ পোৱা প্ৰথম দিনাৰ কাহিনীটো আজীৱন তাৰ স্মৃতিত ভাঁহি থাকিব। গাৱৰ নামঘৰত খুলীয়া ভাওনাত সি বৃক্ৰোদৰৰ ভাও লৈ গদাৰ প্ৰহাৰত শক্ৰপক্ষক আতঙ্কিত কৰোতে সকলোৱে বাহঃ বাহঃ দিছিল। এই মৰতী প্ৰেমিলাজনীয়েও দৰ্শকৰ আগশাৰীত খেৰ পাৰি বহি লৈ এনেদৰে যাদুকৰী চাৱনিৰে তাৰ হৃদয় দখল কৰি লৈছিল যেন সমগ্ৰ ৰভাতলিৰ বাইজক হলধৰে তাইৰ দুচকুতে দেখিবলৈ পাই-ছিল। আন কেইজনমানৰ দৰে এখন ছুটকীয়া নোট প্ৰমিলাই নিজে তাৰ বুকুত জিলিকি থকা বঙা চাদৰখনৰ ওপৰত লগাই দিছিল। সেইদিন ধৰি সি তাইৰ কোমল মৰমবোৰ উপেক্ষা কৰিব নোৱাৰি এদিন শিৰত সেন্দুৰ পিন্ধাই নিজৰ কৰি ললে। হলধৰৰ সমস্ত মৰম, ভালপোৱা আৰু চেনেহবোৰ বঙা হৈ প্ৰমিলাৰ শিৰত জিলিকি থাকিল।

……… মাঘ বিহুৰ উৰুকালৈ আৰু মাত্ৰ এসপ্তাহে বাকী আছে। কুঁৱলীৰ মাজে মাজে অদূৰত দৃশ্যমান বিয়াগোম গছ কেইজোপা একোটা প্ৰকাণ্ড মেজিৰ দৰে লাগিল হলধৰৰ। গাওঁ-বোৰৰ চুকে-কোণে মাঘ বিহুৰ সুবাসে আমোল-মোলাই ফুৰিছে। চুঙাপিঠাৰ বাঁহ, দৈ, চিৰা, গুৰ আদিৰ বাবে একেবাৰে টোকোনাজনো সচেতন হৈছে।

এইহেন উৰুকাৰ সময়ত ৰাইজে মিলি মাছ মৰা বঙা বিলখন আজি নাই। এইখন এতিয়া কোনোবা অনা অসমীয়া ব্যৱসায়ীয়ে নিজৰ কৰি লৈছে। এসময়ত গঞা ৰাইজে প্ৰকাণ্ড মেজি সজাইছিল, হাবলীঘৰত উৰুকাৰ নিশা ভোজ-ভাত খাইছিল, এতিয়া এইবোৰ মাত্ৰ ল'ৰা-ছোৱালীবোৰৰ মাজতহে সীমিত হৈ পৰিছে। গোটেই বছৰ খেতি-বাতি কৰিও বিহুৰ বাবে চুঙাপিঠাৰ বাঁহডালকে ধৰি দৈ, চিৰা আদি বস্তুবোৰ মানুহে চহৰৰ পৰাহে আনিব লাগে। চহৰখন নাথাকিলেচোন এই বাপতীসাহোন বিহুটি উৰি গৈ কোনোবা পৰ্ব্বতৰ গুহাত অদৃশ্য হৈ পৰাৰ উপক্ৰম হৈছে। বছৰটো হাড়ভগা কষ্ট কৰিও তাবদৰে হাজাৰজন কৃষক এই বিহুটিৰ বাবে পৰমুখাপেক্ষী হবলগীয়া হৈছে।

কান্ধত লৈ অনা মোনাখনলৈ ফট্‌কৰে মনত পৰিল হলধৰৰ। আকৌ এবাৰ সেইখন মেলি লৈ ভৰাই অনা বস্তুবোৰ এপদ এপদকৈ চাবৰ মন গ'ল তাৰ। দুদিন ধৰি প্ৰমিলাই সযতনে যতনাই দিয়া ঘিলাপিঠা কেইগৰা, তিলপিঠা, নাৰিকলৰ লাড়ু, চিৰা আৰু গুড়ৰ টেমাটোৱে ঠাহ খাই অহা মোনাখন সি কান্ধৰপৰা হাতলৈ নমাই আনিলে।

কুঁৱলীভেদি ওলাই অহা বাতিপুৱাৰ বঙা ব'দখিনিয়ে তাৰ অংগবোৰ এটি ছুটিকৈ চেলেকি গ'ল। ঠাণ্ডাতে ঠেৰেঙা লগা তাৰ হাত-ভৰিবোৰে গতি সলালে—এটা অদম্য উৎসাহে হলধৰৰ মন-টোত তোলপাল লগালে। দিনৰ ভিতৰতে সি ডিব্ৰুগড় পাবই লাগিব।

এপাল ল'ৰা-ছোৱালীৰ মাক-বাপেক হব নোৱাৰিলেও সিহঁতে আৰু এটা সন্তান বিচা-ৰিছিল। একমাত্ৰ সন্তান মধুৰ জন্মৰ পিছত সিহঁতৰ আৰু কোনো নাই। সিহঁতৰ গাৱঁৰে বজত মাষ্টৰে আয়নাৰ নলীত সন্তান জনম দিয়া কোনোবা বিজ্ঞানীৰ কথা হলধৰক কৈছিল যদিও

জকাইচুকীয়া ৰঙাগড়া গাৱত তাৰদৰে অজ্ঞানী এজনে সেইবোৰ কথা চিন্তা কৰিবই নোৱাৰে। তথাপিও মাষ্টৰৰ কথাখিনি তাৰ কল্পনাৰ সাগৰ খনত বহুদিন কক্‌বকাই ফুৰিছিল, সঁচাকে সিও যদি আয়নাৰ নলীত সন্তান জন্ম দিব পৰা বিজ্ঞানীজনক লগ পালেহেঁতেন কিন্তু গোসাঁইঘৰৰ থাপনাত বন্তি জ্বলাই সেই কল্পনাক প্ৰভু ভগৱন্তৰ চৰণত সপি দিয়াৰ বাদে অইন গতি তাৰ নাই।

মধুৱে ডিব্ৰুগড় চহৰৰ ই, এণ্ড, ডি বিভাগৰ অফিচত কেৰাণী কাম কৰে। "আজি ছুবছৰে ধৰি মধু ঘৰলৈ অহা নাই আৰু কোনো খবৰ বাতৰিও পঠোৱা নাই"।

সিহঁতৰ গাওঁখনৰ চিত্ৰখন হলধৰৰ ছুচকুত ভাঁহি উঠিল। বাঁহ জাৰণীৰ তলে তলে ছুচলীয়া খেৰী ঘৰবোৰে যেন কেইবা শতিকা ধৰিও গাৰ ৰং সলাব পৰা নাই। গাওঁবাসীয়ে কুৰি শতিকাৰ আধুনিক বোল সানিলেও বিজুলীবাতিৰ পোহৰে এতিয়া পৰ্য্যন্ত গা চেলেকিব পৰা নাই। প্ৰত্যেকজনে হাড়ভগা পৰিশ্ৰম কৰে যদিও প্ৰতিবছৰে বানে গৰকা পথাৰত লখিমীয়ে বিনায়। তথাপিও মানুহখিনিয়ে পৰিশ্ৰমেৰে ল'ৰা-ছোৱালীক পঢ়ুৱাই শিক্ষিত কৰালে। কিন্তু জাত পাতৰ নামত মানুহ খিনিয়ে এতিয়া দেখো আন এটা সভাভালৈহে যাব বিচাৰে। কিছুমানে সাম্প্ৰদায়িকতাৰ বীজ সিচিবও ভাল পায়। তাতোকৈ ডাঙৰ কথা হৈছে বিয়াবাৰুৰ নামত দেখা দিয়া আহুকালবোৰ। ভগৱানৰ কি অভিশাপ! জীৱনৰ আটাইতকৈ ডাঙৰ ৰঙ-ধেমালিৰ মুহূৰ্ত্তত কিছুমানে সমাজৰ সমালোচনাত পৰে, কোনোৱে ঘৰ এৰিবলগীয়াত পৰে আৰু হয়তোবা কোনোবাই একেবাৰে বিদায় লয়। আকৌ কিছুমানে পিতৃ-মাতৃৰ মৰমৰ পৰাও বঞ্চিত হব লগা হয়।

আনে যিয়ে নকৰক কিয় হলধৰে কিন্তু জাত পাত মানে। সমাজত ঘটি থকা এই কথাবোৰক সি কেতিয়াও প্ৰশ্ৰয় দিব নোৱাৰে। সি প্ৰমিলাক প্ৰেমত পৰি বিয়া কৰাইছে যদিও একে কুলৰ মাজতে হৈছে। কিন্তু একমাত্ৰ সন্তান মধুই যদি জাত-পাত সামৰি বিয়া কৰাই, মাক-বাপেকে যদি একো গমকে নাপায় ·········এইবোৰ সি সহ্য কৰিব নোৱাৰে। সেইবাবেই সিও প্ৰমিলাৰ সৈতে একমত "এইবাৰ একেবাৰে খাটাং কৰিয়ে আহিব"।

এক অনিৰ্ব্বচনীয় তৃপ্তিত হলধৰ হাজৰিকাৰ মনটো ভাৰাক্ৰান্ত হৈ উঠিল। কিন্তু ক্ষন্তেকৰ বাবে হলেও তাৰ মনটো সেমেকি উঠে—

"আজি-কালিৰ ডেকা ল'ৰা—তাতে অবিবাহিত"। সিহঁতৰ গাৱঁৰে কমি মহাজনৰ ল'ৰাজনে হেনো নীচ কুলৰ এজনী আনিলে। সৌ সিদিনা কৰিম মহৰীৰ ল'ৰালৈ হিন্দু ছোৱালী এজনী তাৰ চকুৰ আগতে অহা দেখিছে। সুদূৰ মানুহৰ ঘৰলৈ আহিলে গা তিয়াব লগা হোৱা হেম শৰ্মাৰ ডাঙৰ পুতেকে হেনো মেঘালয়ৰ গাভৰু এজনীকে বোৱাৰী কৰি আনিছে। গাওঁখনৰ ডেকা-ডেকেৰী মখাৰ মাজত কি সোমাল বাৰু? কেৱল শুনিবা অমুকৰ লগত তমুকীৰ, তমুকৰ লগত অমুকীৰ বিয়া। তাৰ চিন্তাবোৰ চিগাৰেটৰ ধোঁৱাৰ দৰে বায়ুমণ্ডলত মিহলি হৈ গ'ল।

"বৰ্ত্তমান সময়ত মানুহে মহাকাশত বিচৰণ কৰি চন্দ্ৰগ্ৰহ পাইছে ঘৰে ঘৰে টেলিভিচনৰ সমুখত বহি বিশ্ব ব্ৰহ্মাণ্ডৰ বা-বাতৰি উপভোগ কৰিছে। উচ্চ শিক্ষাৰে শিক্ষিত হৈ সমাজত বৰ মানুহহৈছে—

কিন্তু বিয়াবাৰুৰ দৰে সক কথাটিৰ বাবে কিয় সৰ্ব্বসন্মত সিদ্ধান্ত এটিত উপনীত হব পৰা নাই? তাৰ বুকুখনে ধানকল চলাদি চলিব ধৰিলে। খোজৰ গতি বেছি হোৱাৰ লগে লগে মোনা খনত সি জোৰেৰে হেচাঁমাৰি ধৰিলে।

সি বাছ আস্থান পোৱাৰ আগৰে পৰাই ডিব্ৰুগড়ৰৰ টিকেট দিবলৈ আৰম্ভ কৰিছে। এটা সময়ত নিৰ্দ্দিষ্ট বাছখনত হলধৰ বহি পৰিল। বিহুৰ মলমলীয়া গোন্ধ এটি বাছৰ যাত্ৰীবোৰৰ মাজেৰেও অহা যোৱা কৰিছে। ঠিক সময়মতে বাছখনে যাত্ৰা আৰম্ভ কৰিলে।

যাত্ৰীবোৰৰ কেইজনমানে বাতৰি কাকত, চিনেমাৰ ছবি থকা আলোচনী আদিত চকু ফুৰাইছে। দুই এজনৰ মুখৰ পৰা নিৰ্গত হোৱা চিগাৰেটৰ ধেঁাৱাখিনিয়ে বাছখনৰ বেৰত লিখি থোৱা "ন স্মকিং" জাতীয় শব্দবোৰ নেদেখা কৰি তুলিছে। একে আসনতে বহা অচিনাকী যাত্ৰীবোৰে চিনাকীৰ সুৰুঙা নেপাই দুচকু মুদি যাব বাধ্য হৈছে যদিও চাধা খোৱাত অভ্যস্ত যাত্ৰীৰ হাতৰ শব্দখিনিয়ে টোপনিত ব্যাঘাত জন্মাইছে। হলধৰ হাজৰিকা কিন্তু এই আটাই-খিনিৰে ব্যতিক্ৰম। প্ৰমিলাই ঘৰতে কাটি মেৰিয়াই দিয়া গুৱাপান এখন নাকে মুখে গুজি একান্ত মনে ৰাস্তাৰ কাষৰ দৃশ্যবোৰ চোৱাত ব্যস্ত।

ভাবেলি তিনি বজাত বাছখনে গন্তব্য ঠাই পালে। মোনাখন সযতনে হাততলৈ হলধৰে বিক্সা এখনৰ অনুসন্ধান চলালে। সমুখৰ বাগিছা খনৰ বেঞ্চৰ পৰা উঠি এহাল নৱদম্পতী তাৰ চকুৰ আগতে পাৰ হৈ গ'ল, বোধহয় বাছযাত্ৰী। বিয়াহোৱা নিশ্চয় এসপ্তাহৰ বেছি হোৱা নাই। ঘিৰঙৰ ওৰণীৰে, দুহাতত আৰু ডিঙিত শোভা কৰা অলঙ্কাৰ আৰু শিৰত সেন্দুৰৰ ফোঁটেৰে ন-কইনা জনীলৈ তাৰ একাগ্ৰচিতে চাই থাকিবৰ মন গ'ল……।

ক'লৈ যাব? বিক্সা চালকৰ মাততহে হলধৰে দৃষ্টি ঘূৰালে। ই, এণ্ড, ডি কলনীলৈ। হাতত লৈ অনা মোনাখন তুলি দি সি মধুৰ সন্ধান কৰিলে।

দহ মিনিট মানৰ ভিতৰতে সি পুতেক মধুৰ বাসস্থান বিচাৰি উলিয়ালে। বহু সময় দুৱাৰত টুকুৰীয়াই থকাৰ মূৰকত প্ৰায় পোন্ধৰ বছৰ বয়-সীয়া ল'ৰা এজন চকু মুখ মোহাৰি ওলাই আহিল।

"এইটো মধু হাজৰিকাৰ ঘৰ হয়নে? আশ্বস্ত হৈ হলধৰে প্ৰশ্ন কৰিলে"।

—হয়! কিন্তু তেখেত বৰ্ত্তমান ঘৰত নাই-ল'ৰাজনে টপৰাই উত্তৰ দিলে। —ক'লৈ গৈছে? আগ্ৰহেৰে হলধৰে সুধিলে। "চাৰ আৰু বাইদেউ আজি চাৰিদিন আগতে ফুৰিব বুলি গৈছে। ঘৰলৈকো হেনো এপাক মাৰিব"। চাৰে এসপ্তাহ আগতে বিয়া কৰাইছে।

হলধৰৰ মূৰত যেন বিনামেঘে বজ্ৰপাত হ'ল। লগত অনা মোনাখনে যেন হাতৰ পৰা পলাই লবহে মাৰিব। মোনাখনত ভিতৰত থকা চিৰা, পিঠা খিনিয়ে যেন হতাহতি যুদ্ধ আৰম্ভহে কৰিছে। উৰুকাৰ ভোজ-ভাতে যেন তাক হাত বাউলি মাতিছে। চহৰ আৰু গাৱৰ মাজৰ সেই বহল উদং পথাৰখনলৈ তাৰ মনত পৰিল। কুঁৱলীৰ মাজত প্ৰকাণ্ড দানৱৰ দৰে থিয় হৈ থকা বিয়াগোম গছজোপাৰ দৰে প্ৰমিলাই তাকো নাভাবেতো। ●

# জীৱন যাত্ৰাত

সংগ্ৰাহক—শ্ৰীপ্ৰণৱ কুমাৰ ডেকা
২য় বাৰ্ষিক, স্নাতক মহলা (কলা)

তৃতীয় দিনা ৰাতিপুৱা ৰমেনে অলপ ভাল পালে। এই দুদিন তাৰ যেন গমেই নাই। এতিয়া সকলো কথা তাৰ মনত পৰিবলৈ ধৰিলে। ঘৰত নাই এটি খুদকণ, অলপো নাই পইচা। খুজিবলৈও ওচৰলৈ যায় কোন মুখে। প্ৰত্যেক ঘৰৰপৰা কেতিয়াবা চাউল-পাত বা আন কেতিয়াবা টকা-পইচা আনিছেহে আনিছে। আগৰবোৰ পৰিশোধ নকৰাকৈ এতিয়া আৰু কোন মুখে হাত পাতে। আজি তিনিদিনে নয়নতৰাৰ গাৰ জ্বৰ এৰা নাই। ইফালে নিজৰ গা থৰক-বৰক। সি কোনো এটা সিদ্ধান্তলৈ আহিব পৰা নাই।

ক্ষন্তেক ভাবি-চিন্তি বহি থাকি চাহ বনোৱাৰ কথা ভাবিলে। ডাঙৰ পুতেক হৰিধনে দুই এটুকুৰা খৰি আনি দিয়াত ৰমেনে নিজে জুই ধৰি চাহ কৰিলে তাকো ফিকা চাহ। তাকে নিজেও খালে, নয়নতৰা আৰু ল'ৰা-ছোৱালী চাৰিটিকো দিলে।

বৰষুণ তেতিয়াও এৰা নাই। তলে ওপৰে কেৱল পানী আৰু পানী। বৰষুণৰ পানীতে বাট-পথ তল গ'ল; মানুহ, গৰুৰ আলৈ-আথনিৰ সীমা নোহোৱা হ'ল। বেৰৰ আগৰ পৰা গামোছাখন বিচাৰি আনি মূৰত এটা পাগুৰি মাৰি হাতত দাখন লৈ সি ওলাই গ'ল। গৈ গৈ পালে বৰুৱাহঁতৰ ঘৰ।

বৰুৱাই ৰাতিপুৱা আহাৰ খাই উঠি তেতিয়া ড্ৰয়িং ৰুমত বহি আগদিনাৰ কাগজখনত এনেয়ে চকু ফুৰাই আছে। তেনেতে ৰমেন গৈ ড্ৰয়িং ৰুমৰ খটখটিতে লেপেতা কাঢ়ি বহিল। বৰুৱাই তাক দেখিয়েই সুধিলে—

"ঐ ৰমেন, কি হ'ল তোৰ ?

"দেউতা পৰহি দিনা কাম কৰি যোৱাৰে পৰা মোৰ জ্বৰ। ঘৰৰ মানুহজনীৰ আজি চাৰিদিনৰ পৰাই ....... "।

"তোৰ জ্বৰ হ'ল মই কি কৰিব লাগে ? মইতো ডাক্তৰ নহয়। ডাক্তৰৰ ওচৰলৈ যা।"

ৰমেনক কথা শেষ কৰিব নিদি বৰুৱাই কৈ উঠিল।

"কথা তাতেইটো দেউতা। পইচা নহলে কি লৈ যাওঁ ডাক্তৰৰ ওচৰলৈ!"

"কাম কৰ! কাম কৰিলেহে পইচা পাবি।" সম্পূর্ণ নির্লিপ্তভাৱে বৰুৱাই কথা কেইটা কৈ পেলালে।

ৰমেন নিৰুপায়ত পৰিল। বৰুৱাৰ কথাত সি অলপো সহানুভূতিৰ আভাষ নাপালে। সি অলপ বিমর্ষ হ'ল। শেষবাৰৰ কাৰণে সি বিনীত-ভাৱে অনুৰোধ জনালে—

"দেউতাই দয়া কৰি পাঁচটা টকা দিলে, মই গা ভাল পালে কাম কৰি .. "

"হেঃ হেঃ হেঃ!" ৰমেনক কথা শেষ কৰিব নিদি বৰুৱাই হাঁহি মাৰিলে।

"তইঁতক পইচা দি ইমান কষ্টৰ ধন খালত পেলাব নোৱাৰোঁ। যাৰ পইচা আছে সিহে বুজে পইচাৰ মোল। আমিতো সাধুবাবা নহয়। বুজিছ ৰমেন। আনৰ ওচৰলৈ যা, মোৰ ইয়াত বহি থাকিলে তোৰ লাভ নহব।

সি সৰগ পৰা মানুহৰ দৰে হ'ল। সি জানে যে তাক পাঁচ টকা কিয় পাঁচশ টকা দিলেও বৰুৱাৰ কোনো হানি-বিঘিনি নহয়। দিনে-ৰাতিয়ে বানপানীৰ দৰে লুৰাই-লুৰাই টকা তেওঁৰ ঘৰলৈ নানা ফালৰ পৰা আহিয়ে আছে। কিন্তু সি দুনাই বৰুৱাক একো নকলে। আৰু অনুৰোধ কৰা মানে তাৰ মনুষ্যত্ব বিসর্জন দিয়া। দিন মজদুৰ হলেও সি নিজক মানুহ বুলি অনুভৱ কৰে তাৰো এটা মানৱীয় সত্বা আছে। নাখাই-নাখাই বা ৰোগতভুগী তিলতিলকৈ মৃত্যু বৰণ কৰিব, তথাপি সি আত্মসত্বা বিসর্জন দিব নোৱাৰে।

সি আজি নতুনকৈ অনুভৱ কৰিলে যে বৰুৱাহঁতে চিনে কেৱল টকা। সি প্রায়েই তেওঁলোকৰ ঘৰত সময়ে সময়ে কাম কৰে; কিন্তু তেওঁলোকে তাৰ কামক কোনো দিনেই শ্রদ্ধা নকৰে, তাৰ প্রতি তেওঁলোকৰ কোনো মৰম স্নেহ নাই। থকাহেঁতেন কোনো এদিন অন্ততঃ এবাতি চাহকেই যাচিব পাৰিলেহেঁতেন সি বহুদিন দেখিছে যে খাব নোৱাৰা বস্তু বহুতো চুৱা-পাতনিত পেলাই দিয়ে, কিন্তু তাক হলে কোনো এদিন একো খাবলৈ যচা নাই। অথচ সি প্রায়েই তেওঁলোকৰ ঘৰত নিৰাহাৰে কাম কৰে। সি কিবা খাইছে নে নাই তাৰো কোনেও খবৰ নলয়। খবৰ লয় কেৱল কাম কিমান আগবাঢ়ে তাৰহে। কেতিয়াবা অলপ জিৰণি ললেও কেটেৰা-জেঙেৰা মাতহে শুনিব লাগে। ইমান বছৰে এওঁলোকৰ ঘৰত কাম কৰি কৰি সি দেখি আহিছে যে বৰুৱাৰ ঘৰৰ কোনো এটা পৰিয়ালেও অ'ৰ কুটাডালো ত'ত নথয়। কেৱল ৰমেনৰ ওপৰত। কিন্তু কি কৰিব, সি নীচ, সি দুর্বল।

বৰুৱাহঁতৰ বিষয়ে আৰু বহু কথাই তাৰ মনলৈ আহিল। কিন্তু মুখেৰে একো নকৈ সৌজন্যৰ খাটিৰত হাত দুখন কপাললৈ তুলি নমস্কাৰ জনাই কলে—

"যাওঁহে দেউতা। আমনি কৰা বাবে বেজাৰ নাপাব।" লগে লগে এখোজ-দুখোজ কৰি নঙলাৰ বাজলৈ ওলাল। তেতিয়া তাৰ গা থৰক্ বৰক্ মনত অনিশ্চয়তাৰ ভাব। সি যায় কলৈ—

বিজুলী চমকৰ দৰে হঠাৎ মনত পৰিল কেইদিনমান আগৰ এটা কথা। পুখুৰীপাৰৰ জনসভা এখনত বনুৱানেতা হাজৰিকাই দিয়া ভাষণৰ একাংশ সি শুনিছিল—

"...... কৃষক বনুৱাই আমাৰ দেশৰ বাজহাড়, তেওঁলোকেই আমাৰ দেশৰ প্ৰাণ। কৃষক বনুৱাৰ শ্ৰমৰ ওপৰতেই আমাৰ দেশখন বৰ্তি আছে। গতিকে আমি এই মহান কৃষক বনুৱাসকলক সন্মান কৰিবলৈ শিকিব লাগে। তেওঁলোকৰ দুখ নিৰ্য্যাতন আঁতৰাই আমি তেওঁলোকক যথাৰ্থ স্বাধীন নাগৰিকৰ মৰ্য্যদা দিবই লাগিব। এওঁলোকক পুতৌ কৰিবলৈ এৰি শ্ৰদ্ধা আৰু মৰম কৰিবলৈ অভ্যস্ত হব লাগিব। আমি নিশ্চিতকৈ জনা উচিত যে কৃষক বনুৱাৰ জয়েই বাইজৰ জয় তথা জাতিৰ জয় .......।" ৰমেনে ভাবিলে—ৰাইজৰ প্ৰিয়নেতা হাজৰিকা ডাঙৰীয়াই তাৰ বিপদৰ কথা শুনিলে তাক নিশ্চয় সহায় কৰিব। এই আশা বুকুত বান্ধি ঢলং-ঢপং খোজেৰে সি আগবাঢ়ে হাজৰিকা উকীলৰ বঙলালৈ বুলি।

তেতিয়া দহমান বাজিছে। হাজৰিকা উকীলে আদালতলৈ যাবলৈ বুলি গা-পা ধুই উঠি যাবলৈ ওলাইছে হে। এনেতে ৰমেনে গৈ তেওঁৰ উকীল মামাৰ আগৰ খট-খটিত বহিল। কাম কৰা ল'ৰাটোই হাজৰিকা উকীলক কোনোবা এজন অহা কথা জনালে। হাজৰিকাৰ মনটো আনন্দত নাচি উঠিল। কাৰণ সিদিনা তেতিয়া-লৈকে এজনো ভাল মক্কেল পোৱা নাছিল। দিনটোৰ খা-খৰচ ওলাই হাতত অলপমানহে ৰয়। এজন নতুন মক্কেল মিলাৰ আশাত তেওঁ হৰ্ষাপ্লুত হ'ল। অলপ পৰ ভাত নাবাঢ়িবলৈ হাজৰিকানীক নিৰ্দেশ দি তেওঁ লৰালৰিকৈ আহি উকীলখানাত সোমাল ৰমেনৰ হাতত আছিল দাখন। হাজৰিকাৰ ধাৰণা হ'ল যে সি কাৰোবাক কাটি, এতিয়া বিচাৰৰ আগত আহিছে। তেওঁ ফুটাই সুধিলে—

"কি লাগে তোমাক ?"

ৰমেনে কোনোমতে থিয় দি এটা নমস্কাৰ জনালে আৰু তাৰ পিছত সেঁহাই সেঁহাই তাৰ দুখৰ কথা বৰ্ণাব ধৰিলে।

হাজৰিকা অধৈৰ্য্য হৈ পৰিল। মনৰ উৎসাহ আনন্দ নিমিষতে খঙত পৰিণত হ'ল।

"তুমি পেনপেনাই কান্দি থাকিলে কি হ'ব। আচল কথা কি কোৱা। মোৰ আদালতৰ সময় হৈছে নহয়।"

"দেউতাই দয়া কৰি পাঁচটা মান টকা দিলে আমাৰ ঘৰ-ঘৰোৱাহ ৰক্ষা পৰেঁ। দেউতা।"

ৰমেনৰ কথা শেষ হ'ল কি নহল, হাজৰিকাও ঠিক বৰুৱাৰ দৰেই গৰ্জনি মাৰি হাঁহি দিলে আৰু কলে,—

"মোৰ ঘৰখনতো বেংক নহয় যে টকা বিচা-বিলেই পাবা। কাম কৰা কাম কৰিলেহে টকা পাবা ........। হাজৰিকাৰ কঠুৱা কথাত সি যেন বৰুৱা চাহাবকেই আকৌ এবাৰ লগ পালে। তাৰ ধাৰণা হ'ল যে ইহঁত সকলোৱে ফোপোলা চুঙা। ইহঁতৰ কথা আৰু কামৰ কোনো সম্পৰ্ক নাই। বৰ বৰ কথাৰে মানুহক ভুলাই স্বাৰ্থ সিদ্ধি কৰাই হ'ল ইহঁতৰ আদৰ্শ। ইহঁতক লাগে কেৱল টকা, সা-সুবিধা, মান সম্ভ্ৰম। এইবোৰ লাভৰ কাৰণে ইহঁতে নানাৰূপ ধৰে।

সমাজবাদ, সাম্যবাদ আদি কেৱল ভুৱা-বাজি।

এনে চিন্তাই তাৰ মনটো অলপ সজীৱ কৰি তুলিলে। লগে লগে কিবা এটা কৰাৰ হেঁপাহে ভাক উতলা কৰি তুলিলে। কিন্তু…… সি যায়েই বা ক'লৈ, কৰে বা কি? অলপ পৰ তভক মাৰি তাকেই ভাবিলে! হাজৰিকাও ভিতৰলৈ যাবলৈ বুলি বহাৰ পৰা উঠিল আৰু যোৱাৰ সময়ত কৈ গ'ল— 'মথাউৰি ভাগিল হেনো। তাতেই কাম পাবা। ঠিকাদাৰৰ পৰা টকাও পাবা, তালৈকে যোৱা।

তাৰ শৰীৰ অৱশ হৈ আছিল, আকৌ খোজ-কাঢ়ি যোৱাৰ শক্তি জানিবা হেৰুৱাই পেলাইছিল। কিন্তু তথাপি সি থিয় দিলে। এখোজ-দুখোজ কৰি আগবাঢ়িব ধৰিলে,—এইবাৰ বৰ্মণ ঠিকাদাৰৰ ঘৰলৈ বুলি। তাৰ ধাৰণা হ'ল যে মথাউৰিৰ কাম বৰ্মণ ঠিকাদাৰেহে দিব পাৰিব। তেওঁৰ এম-এল-এৰ লগত বৰ মিল। আৰু হয়তো ইচ্ছা কৰিলে কৃপা কৰি ২/৪ টকা আগধন হিচাবে ধাৰলৈও দিব পাৰে।

সি কিন্তু বৰ্মণ ঠিকাদাৰৰ ঘৰ নাপালেগৈ। হঠাৎ মাজ আলিতে তাৰ মূৰটো আছন্নাই কৰিলে, চাৰিওফালে ধোঁৱা ধোঁৱা দেখিলে। লগে লগে আলি ওপৰত ঢলি পৰিল।

ৰমেনক এনে অৱস্থাত দেখিলে স্কুললৈ অহা দুজন ছাত্ৰই। সিহঁতে ৰিক্সা এখন মাতি আনি তাক কোনোমতে তুলি লৈ হাস্পাতাললৈ গ'ল। হাস্পাতাল পোৱাটো ৰমেনে সংজ্ঞা ঘূৰাই পোৱা নাই। তেতিয়া তাৰ গাত তীব্ৰকঁপে জ্বৰ উঠিছে, গাত ধান দিলে আখৈ ফুটে।

ল'ৰা দুজনে ৰমেনক বিক্সাৰ ওপৰতে ৰাখি ডাক্তৰক দেখা কৰি ৰমেনক হাস্পাতালত ৰাখিবলৈ অনুৰোধ কৰিলে। কিন্তু ডাক্তৰে সিহঁতৰ কথালৈ পোনতে কাণকে নকৰিলে। সিহঁতেও বুজিলে যে ডাক্তৰে সিহঁতক অৱজ্ঞা কৰিছে। ইয়াৰ আগতেও মানুহৰ মুখে মুখে শুনিছে যে হাস্পাতালৰ ডাক্তৰ সকলে ৰোগীৰ উপযুক্ত ব্যৱস্থা নলয়। শক্তি, সামৰ্থ্য হীনক তেওঁলোকে অৱজ্ঞা কৰে। আজি সিহঁতে চকুৰ আগতে দেখিব ধৰিছে। অলপ সময় নিৰৱতাৰ পিছত সিহঁত দুটাৰ এজনে কলে—

"ডাক্তৰ বাবু আপুনি সৌ বিক্সাৰ ওপৰত থকা বেমাৰীজনৰ দায়িত্ব নলব নেকি?"

"একো নজনা নুশুনা ৰোগী এজনৰ দায়িত্ব কেনেকৈ লওঁ তোমালোকেই কোৱাচোন? বাটৰ ভিক্ষাৰী এজনক বুটলি আনিলাইবা কিয়? ঘ'ৰে মানুহ ত'লৈ পঠিয়াই দিয়া।

"নজনা নুশুনা! সি এজন ৰোগী, এয়েই জানো তাৰ যথেষ্ট পৰিচয় নহয়? আমি আপোনাক যেনেকৈ কেৱল ডাক্তৰ বুলিলে জানো—আপোনাৰ বংশলতাৰ পৰিচয় নাপাওঁ, তেনেকৈ তাৰো একো পৰিচয় নাপাওঁ। সি ৰোগী, এয়েই জানো যথেষ্ট পৰিচয় নহয়।"

"বেমাৰীজন মৰিলে বা তেনে গুৰুত্বপূৰ্ণ অৱস্থাৰ সৃষ্টি হলে তাৰ দায়িত্ব লব কোনে তোমালোকে ভাবি চাইছানে?"

"আপুনি আৰু হাস্পাতালত থকা ডাক্তৰ, ডেৰেচী, ধাই প্ৰভৃতি এই সকলোৱে।" সিহঁত দুটাৰ এজনে তপৰাই কৈ উঠিল।

"হবই নোৱাৰে। আমি বাটৰ ভিকহু এটাৰ দায়িত্ব লব নোৱাৰোঁ।"

"নোৱাৰে? যিয়ে মুঠিয়ে মুঠিয়ে কৃপ দিয়ে

তাৰ হলে পাবে ! নহয় নে ? আমি কৈছো, এই বেমাৰীজনৰ দায়িত্ব আপোনালোকে লবই লাগিব । আমি আপোনালোকক বাধ্য কৰাম ।" ল'ৰাহঁতৰ এজনে গৰ্জি উঠিল ।

"ডাক্তৰ কিন্তু ক্ষান্ত হোৱা নাই ।" ল'ৰাহঁতৰ শেষৰ কথাত যেনিবা জুইত ঘিউহে ঢালিলে । তেওঁ দপ্দপাই উঠিল—

"আমাক বাধ্য কৰাৰ কোনহে তোমালোক ?"

"আন নহলেও আপোনালোকৰ দণ্ড-মুণ্ডৰ অধিকাৰী এই দেশৰ আমি নাগৰিক । আপুনিও আৰু জানি থব পাৰে যে—আমি এই নগৰৰে দুজন ছাত্ৰ ।"

ইহঁতক ছাত্ৰ বুলি জানি আৰু কথাৰ ছাটনি দেখি ডাক্তৰে ভিতৰে ভিতৰে ভয় পালে । লগে লগে মনৰ ভাব সলনি কৰি থিয় দিলে আৰু ল'ৰাহঁতৰ গাত চপৰিয়াই চপৰিয়াই কব ধৰিলে—

"বেচ, বেচ ! তোমালোকৰ দৰে সাহসী নাগৰিকৰেই আমাৰ প্ৰয়োজন । মই তোমা-লোকক পৰীক্ষা কৰিহে চালো । ব'লা, ব'লা বেজাৰীজনৰ ওচৰলৈ মোক লৈ ব'লা ।"

ল'ৰা দুজনে বিজয়ী বীৰৰ উল্লাসেৰে ডাক্তৰক বিক্সাৰ ওচৰলৈ লৈ গ'ল । বেঢ়ি থকা ৰাইজেও ল'ৰাহঁতৰ কথা-কামৰ মাজেদি যেনিবা এটা নতুন শিক্ষাহে পালে ।

ৰমেনক হাস্পাতালত ভৰ্ত্তি কৰিলে । চিকিৎসা কেনেদৰে আৰম্ভ কৰিলে সেইটো নাজানিলেও অন্ততঃ হাস্পাতালত ভৰ্ত্তি কৰিব পৰা কাৰণেই সিহঁতে পৰম আনন্দ পালে । পিছত খবৰ বাতৰি লোৱাৰ আশা ৰাখি সিহঁত হাস্পাতালৰ পৰা আঁতৰি যায় স্কুললৈ বুলি ।

মথাউৰি সঁচাকৈয়ে ভাঙিল । চহৰৰ পূব কাষেদি যোৱা মথাউৰি ভাঙি প্ৰৱল সোঁতেৰে বানপানী আহি নগৰত সোমাই ক্ষন্তেকৰ ভিতৰতে সকলো তল কৰি পেলালে । চাৰিওফালে হুৱাহুৱা লাগিল । ঘৰে-চোতালে, বাটে-পথে কেৱল পানী আৰু পানী । হাস্পাতালৰো একাংশ পানীত বুৰ গ'ল ।

নগৰ ভেদ কৰি পানীয়ে গাওঁ সকলো নিচেই কম সময়ৰ ভিতৰতে তল কৰিলে । ৰমেনহঁতৰ ঘৰৰ ভেটীও তল গ'ল । ল'ৰা-ছোৱালী কেইটাৰ সৈতে সোনতৰাৰ শোৱা চাংখনৰ ওপৰতে পৰি থাকিল ।

চাৰিওফালে মানুহৰ হাহাকাৰৰ ধ্বনি আৰু পানীৰ হোঁ-হোঁৱনি, কল-কলনি শব্দ । সিহঁতৰ ঘৰটো মাজে মাজে পানীৰ সোঁতত কপি উঠে । চাওঁতে চাওঁতে ভালেখিনি হালি পৰিছে । শোৱা চাংখনতো পানী লাগো লাগো অৱস্থা । আটাইকেইটা ভয়ত কম্পমান ।

মৃত্যু বা ধ্বংসলৈ সিহঁতে কিন্তু ভয়ো কৰা নাই, অপেক্ষাও কৰা নাই । সিহঁতে আগ্ৰহেৰে অপেক্ষা কৰিছে ৰমেনৰ কাৰণেহে । কোনো এজনৰ পেটত খুদকণ এটাও পৰা নাই, ভোকত কল-মলাই আছে । বেলি মাৰ যাই আহিছে মানে ল'ৰা-ছোৱালী কেইটাৰ দেহত তত নোহোৱা হৈ আহিছে । মাক নৱনতৰাৰ গাৰ পৰা তেতিয়া-লৈকে জ্বৰ এৰা নাই, জ্বৰৰ কোবত চট্-ফটাই আছে ।

চাওঁতে চাওঁতে ৰাতিৰ ডাঠ আৱৰণে পৃথিৱী-খন ঢাকি ধৰিলে । আনকালে ৰমেন উলটিবৰ

সময় পাব হ'ল। কিন্তু বমেন নাই। ল'ৰা-ছোৱালী কেইটি হতাশ হ'ল। পেটৰ কলমলনিত ৰক্ষা নাপাই সৰু কেইটাই "ভোক লাগিছে মাই, ভাত দি মাই" বুলি বাৰে বাৰে চিঞৰি চিঞৰি কান্দিব লাগিছে। কিন্তু তেতিয়াও নয়নতৰাৰ গাত বহুতো জ্বৰ আছে। বমেনো ওভতা নাই, ঘৰতো নাই খুদকণ এটা। এনে অৱস্থাত আত্মজাহ দিয়াৰ বাহিৰে যেনিবা তাইৰ কৰিব পৰা আয়ত্তৰ ভিতৰত একোৱেই নাই। ঘৰত আছে এমাডিমা ল'ৰা-ছোৱালী পাঁচটি। কোলাৰ কেঁচুৱাটিৰ বয়স মাথোন দুমাহহে। এই কেইটাক এৰি আত্মজাহেইবা দিয়ে কেনেকৈ? গাৰ নবীয়াতকৈও ল'ৰা-ছোৱালী কেইটি চকুৰ আগতে লঘোনে-ভোকে পৰি থকা কষ্টৰ যন্ত্ৰণাহে তাইৰ মনত বেচি হৈছে।

শেষত করুণ স্বৰেৰে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে,—'হে গোসাঁই, এই কেইটাক মাৰি নি মোক যন্ত্ৰণাৰ পৰা ৰক্ষা কৰা প্ৰভু! হে বাবা পাগলাদিয়া, তোমাৰ বুকুত আমাক ঠাই দিয়া।"

হৰিবৰে যেনিবা মাকৰ অন্তৰৰ বেদনা অনুভৱ কৰিলে, মুখেৰে কিন্তু একোৱেই নকলে। বাতিপুৱাই সি চাঙৰ পৰা নামিল। অৱশ্যে তেতিয়া আগদিনাতকৈ পানী অলপ শুকাইছিল। ভায়েক মণ্টুক ইঙ্গিত দি মাতি নি সিহঁত দুয়ো মাকৰ পৰা আঁতৰি গ'ল।

হৰিবৰে মণ্টুক কলে,—নগৰলৈ যাওঁ ব'ল। তাত খুজিলে কিবা নহয় কিবা এটা পামেই পাম। নহলে নাখাই শুকাই মৰিব লাগিব।

ক'তো এবুকু আৰু ক'তো এডিঙি পানীৰ মাজেদি হাতত ধৰাধৰিকৈ সিহঁত দুটা নগৰ অভিমুখে যাবলৈ ধৰিলে। বৰষুণ তেতিয়াও এৰা নাই। তলে-ওপৰে কেৱল পানী আৰু পানী।

দুয়ো গৈ নাথৰ চাহ-দোকান পালে। এই দোকানখনো পানীত তল গৈছে। আজি চাৰি-দিনে গ্ৰাহক নাই বুলিবই পাৰি। মিঠাইবোৰ নষ্ট হব ধৰিছে, রুটিবোৰ ভেঁকুৰিছে।

হৰি, মণ্টু দুয়ো ককাই-ভাই দোকানৰ আগত থিয় দি খুজিব ধৰিলে—"আজি চাৰিদিন আমি একো খোৱা নাই। আমাক খাবলৈ কিবা দিয়ক।"

নাথে অলপ পৰ তলকা মাৰি কিবা ভাবিলে। লগে লগে মনত পৰিল ভেঁকুৰা রুটিবোৰৰ কথা। নষ্ট হৈ যোৱাতকৈ মানুহক দিয়াই ভাল, তেওঁ মনতে ভাবিলে। লগে লগে কাম কৰা ল'ৰা এজনক মাতি কলে—"ইহঁত দুটাক দুখন দুখনকৈ রুটি দে।"

দুখনকৈ রুটি পাই আনন্দত সিহঁতৰ ঠাই নোহোৱা হ'ল। রুটি লৈ সিহঁত তাৰ পৰা আঁতৰি গ'ল, কিন্তু যাব কলৈ। কেৱল চাৰিওফালে পানী আৰু পানী। অলপ দূৰত চৌধুৰীহঁতৰ তল নোযোৱা ওখ বাৰান্দাখন সিহঁতৰ চকুত পৰিল। পানী ভাঙি ভাঙি দুয়ো লাহে লাহে তালৈকে গ'ল। খট্‌-খটিয়েদি উঠি গৈ এচুকত বহি রুটি কামুৰিব ধৰিলে। তৃপ্তিত দুয়োটাৰ অন্তৰ ওপচি পৰিল।

কিছু সময়ৰ পিছত রুটি খোৱা শেষ হ'ল। গাত অলপ বল পোৱা যেন পালে। অতি দূৰত তালুকদাৰহঁতৰ চাহৰ দোকানখন সিহঁতৰ চকুৰ আগত ভাঁহি উঠিল। হৰিয়ে মণ্টুক কলে—

"মণ্টু আহ, সেই দোকানলৈ যাওঁ। আমিতো খালোৱেঁ, বাপু আৰু আইতুৰ কাৰণেও অলপ খুজো আহ।"

মণ্টু ছ বছৰীয়া সৰু ল'ৰা। তাৰ নিজা চিন্তা বুলিবলৈ একো নাই। আঠ বছৰীয়া ককায়েক হৰিবৰৰ কথাতে সি হয়ভৰ দিলে। কিন্তু পাপু আৰু আইতুৰ কথা ওলোৱাত সিহঁতৰ ছবি তাৰ মনত ভালকৈ ভাঁহি উঠিল, অজানিতে চকুলো এধাৰো বিবিৰ্ডি উঠিল। সি হৰিৰ কথাত সন্মতি জনালে— 'উ'

লগে লগে দুয়ো আকৌ পানীৰ মাজে মাজে আগবাঢ়ে তালুকদাৰৰ চাহ দোকানৰ ফালে। তাতো সিহঁত কৃতকাৰ্য্য হ'ল। তাত সিহঁতে তিনিখনকৈ ভেঁকুৰা ৰুটি পালে। আনন্দত চকু দুহাল তিৰ্বিৰাই উঠিল। দোকানৰ পৰা আঁতৰি আহি হৰিয়ে মণ্টুক কলে— "আৰু অলপ নিব পাৰিলে ৰাতিৰ কাৰণেও হ'ল-হেঁতেন অ'।

মণ্টুই আগৰ দৰে চমুকৈ সন্মতি জনালে—'উ'

"কিন্তু হাতত ৰুটি দেখিলে নিদিব। এই খিনি ক'ৰবাত লুকাই থৈ যাওঁগৈ আহ।" এই বুলি আকৌ আগবাঢ়ে চৌধুৰীহঁতৰ ওখ বাৰান্দাৰ ফালে। তাত কেইটামান কাঠৰ বাকচ দমাই থোৱা আছিল। তাৰে কোনেও নেদেখাকৈ ৰুটি কেইখন বাকচৰ মাজত লুকাই থলে।

এইবাৰ অশোকা ৰেষ্টুৰালৈ আগবাঢ়িলে। তাতো সিহঁত কৃতকাৰ্য্য হ'ল। বিধি যেন সিদিনা সিহঁতৰ প্ৰতি সু-প্ৰসন্ন। প্ৰত্যেক দোকানতে ভেঁকুৰা ৰুটিৰ দ'ম। ভাবামতে দুখন দুখনকৈ ৰুটি পালে। হৰিবৰে ভাবিলে "এই কেইখনো লুকাই থৈ আহি আৰু এখনত সোমাব পাৰিলে দেখোন বৰ ভাল কথাই হয়।"

পানীত তিতি-বুৰি সিহঁত দুটা থকৃথককৈ কঁপিছিল। কিন্তু তালৈ সিহঁতৰ মন নাই। ৰুটি পোৱাৰ আনন্দ আৰু এসাজ আটাইকেইটাই খাব পোৱাৰ কল্পনাৰ তৃপ্তিত সিহঁত মজি আছিল। সিহঁতে নিজেতো খালেই, পাপু আৰু আইতুকো খুৱাব পাৰিব। আনকি বাপেক ৰমেন উভতি আহে যদি তাকো এখন খুৱাব পাৰিব। দুয়োৰো চকুই-মুখে কেৱল আনন্দ। এই আনন্দ এখন মহাসমৰ জয় কৰাৰ মহা আনন্দ।

দুয়ো ভাই-ককাই আগবাঢ়ে চৌধুৰীহঁতৰ বাৰান্দাৰ সিহঁতৰ গুপ্ত ভঁৰালৈ বুলি। সেই-খিনিতে ঠেক দলংখন। দলঙৰ ৰেলিং দুডালহে ওলাই আছে। বাকী পানী আৰু পানী, তাতে কোবাল সোঁত সিহঁত দুটাৰ পিছফালৰ পৰা পানীৰ মাজেদিয়েই এখন জীপ গাড়ী অহাৰ সিহঁতে উমান পালে। তাত আহিছে বৰুৱা চাহাব, হাজৰিকা উকীল, ডাক্তৰ উপাধ্যায়, সমাজ সেৱী ফুকন আৰু কোনোবা এজন। গাড়ীৰ শিঙা ধ্বনি শুনি সিহঁত দুটাই কাষ কাটি যাব ধৰিলে। এপেট এবুকু পানীৰ মাজে মাজে ৰাতিপুৱাৰে পৰা ঘূৰি ঘূৰি সিহঁতৰ ভৰিয়ে-হাতে ঠেটুৱা লাগিছিল। তাতে এইখিনিতে কোৱাল সোঁত। সোঁতৰ কোব সিহঁতে চম্ভালিব নোৱাৰিলে। সোঁতে দুয়োকে উটুৱাই নিলে।

কাণ্ড দেখি ড্ৰাইভাৰে "সৰ্বনাশ" বুলি কৈয়েই গাড়ীখন ৰাখি সোঁতত জাপমাৰি দিলে। কিন্তু

সিহঁত দুটাক আৰু বিচাৰি নাপালে।

ড্ৰাইভাৰৰ কাৰ্য্যত বৰুৱা চাহাব ক্ষুণ্ণ হৈ চিঞৰি উঠিল,—"মৰাৰ লগত মৰিব যোৱা পাগলামিত বাহিৰে আৰু কি হ'ব পাৰে।" উকীল হাজৰিকাৰ মাতত অস্বাভাৱিকভাৱে জোৰ দি সমৰ্থন জনালে—"নিশ্চয় নিশ্চয়।"

ড্ৰাইভাৰ নমৰিল। কিন্তু হৰিৰৰ, মণ্টুক পানীৰ সোঁতে কবৰাত মেটেকাৰ তলত নি সোমাই থলে। সিহঁতৰ গুপ্ত ভাণ্ডাৰত ভেঁকুৰা ৰুটি কেইখন তেতিয়াও তেনেকৈয়ে থাকিল। পাপু, আইতুৰ সৈতে এসাজ আনন্দেৰে খোৱাও আৰু নহল। মাক নয়নতৰা আৰু বাপেক ৰমেনেও সিহঁতৰ মৰমৰ ল'ৰা কেইটাৰ কৃতিত্ব দেখি ভৱিষ্যৎ সুখৰ আশাত গৌৰৱ কৰিবলৈ সুবিধা নাপালে। সিহঁত কলিতে লেৰেলি গ'ল।

অসংখ্য দুচিন্তা আৰু আশংকাৰে চতুৰ্থ দিনা ৰমেন হাস্পাতালৰ পৰা ওলাল। তাৰ মনত স্পষ্টকৈ ভাহি উঠিল চাৰিদিন আগতে ওলাই অহা সময়ৰ ঘৰখনৰ কথা। মাজতে আকৌ এই প্ৰলয়ংকাৰী বানপানী। অৱশ্যে সিদিনা বাট-পথত পানী নাই, জাগ দিছে। গাত বল পোৱা নাই যদিও ঘৰলৈ বুলি বেগাই খোজ ললে। বাটতে বৰ্মণৰ চাহ-দোকানৰ ওচৰত লগ পালে বৰুৱা চাহাবৰ ড্ৰাইভাৰ নাৰায়ণক।

তাৰো ঘৰ ৰমেশহঁতৰ ঘৰৰ ওচৰতে। সি হৰি আৰু মণ্টুৰ শোকাবহ বিয়োগৰ বাতৰি দিবলৈ আহি দেখে যে পানীৰ সোঁতে ৰমেনহঁতৰ ঘৰটো বগৰাই দিছে, লগে লগে ঘৰৰ ভিতৰত থকা চাৰিওটা প্ৰাণীকেই সামৰি লৈছে। সকলোৱে ৰমেনক বিচাৰিলে। কিন্তু কোনেও একো সন্তেদ নাপালে। সি হাস্পাতালত পৰি থকা কোনেও নাজানে। ৰমেনৰ সন্ধানত ঘূৰি ফুৰোতেই সি হঠাতে ৰমেনক লগ পালে। লগে লগে সমবেদনাৰ চকুলোই তাৰ দুচকু ঢাকি পেলালে। কিন্তু বহু চেষ্টা কৰি সি চকুপানী লুকাই ৰাখিলে।

ৰমেনে নাৰায়ণক দেখিয়েই ঘৰৰ খবৰ সুধিবলৈ ইচ্ছা কৰিলে, কিন্তু মেঘে ওন্দোলাই ধৰা আকাশৰ দৰে মুখ আৰু কৰুণাসিক্ত চকুহালি দেখি একোকে সুধিবলৈ সত নগল। তাৰ অন্তৰাত্মাই যেন কৈ দিলে যে সৰ্বস্ব হেৰুৱাইছে। ৰমেনে নাৰায়ণক সাৱটি ধৰি বাজআলিৰ বুকুতে হুকহুকাই কান্দিব ধৰিলে। এইবাৰ নাৰায়ণৰো সংযমৰ বান্ধ ঢিলা হ'ল। সিও হুক্‌হুকাই কান্দিব ধৰিলে।

নাৰায়ণে হাতত ধৰি টানি ৰমেনক বৰ্মণৰ চাহ দোকানৰ ভিতৰত বহুৱালেনি। বৰ্মণে নিজ মনে সিহঁত দুটাক চাহ দিয়ালে আৰু কাষত বহি পৰিয়ালৰ দুৰ্য্যোগৰ কথা এটা এটাকৈ কব ধৰিলে। তপত চাহ চেঁচা হ'ল, কিন্তু সি মুখত নিদিলে,—শোকে-ব্যথাই তাক চাহ খাব নিদিলে। অন্তৰত জ্বলি উঠা দাবাগ্নিয়ে তাক ভম্‌ভমাই পুৰি মাৰিব ধৰিলে। তাৰ চকুৰ আগত স্পষ্টকৈ ভাহি উঠিছে নয়নীৰ কগ্ন চকু-মুখ, বুধিন, গোবিনহঁতৰ মৰম লগা কোমল মুখ কেইখন। যি হৰি, মণ্টুক লৈ সি সঁচা হাইড পাৰ্ক, সঁচা সাম্যবাদ ৰচনা কৰাৰ কল্পনা কৰিছিল, আজি সেই সকলোবোৰ কলিতে লেৰেলি গ'ল।

সি আৰু একো ভাবিব নোৱাৰা হয়।

চকুকাণেদি হমৃহমাই জুই শিখা ওলোৱা যেন পালে। জীয়াই থকাৰ সাৰ্থকতা সি আৰু বিচাৰি নাপালে। ভটিয়নী পানীৰ সোঁতত জাহ দিয়াকে সিদ্ধান্ত কৰিলে।


কিন্তু তাৰ লগে লগে যেতিয়া বৰুৱা আৰু হাজৰিকাৰ মুখ দুখন সমীনৰ আগত ভাঁহি উঠিল, আৰু তেওঁলোকৰ বেঁকা-বেঁকা কথাবোৰো তাৰ কাণত বাজি উঠিব ধৰিলে, তেতিয়া সি কঠোৰ হৈ উঠিল, চকুই-মুখে এক ৰূঢ় অথচ দৃঢ়তাৰ চিন স্পষ্টভাৱে প্ৰকাশ পালে। নাৰায়ণৰ হাতত খামোচ মাৰি ধৰি সি ডাঙৰ ডাঙৰকৈ কবলৈ ধৰিলে,—

"শুন ভাই নাৰায়ণ, মোৰ সকলো গ'ল সঁচা, তথাপি মই নমৰো। মই তহঁতৰ কাৰণেই জীয়াই থাকিব লাগিব। কিন্তু জীয়াই থাকিব লাগিব ঠিক মানুহৰ দৰে। আজি আমাৰ জীৱন বৰ বৰ লোকৰ কুকুৰ মেকুৰীতকৈও হীন বা তুচ্ছ। আমি হাড়ক মাটি আৰু তেজক পানী কৰি শ্ৰম কৰোঁ অথচ আমাৰ গাত নাই কাপোৰ, পেটত নাই ভাত, আমি থাকোঁ গছৰ তলত, বাঁহৰ তলত। যিয়ে শাৰীৰিক শ্ৰম কি বস্তু তাক কব নোৱাৰে, বাজ সুখ ভোগে সিহঁতেহে। ইহঁত তেজপীয়া। আৰু আমি ? আমি এই তেজপীয়াৰ দলটো নাই কৰি দিব লাগিব।

কথা কওঁতে কওঁতে সমীন ইমান উত্তেজিত হৈ উঠিল যে সি খঙত কোপাৰ ধৰিলে, তাৰ বাকৰুদ্ধ হৈ গ'ল। নাৰায়ণো স্তব্ধ। তেতিয়া দোকানত আন মানুহো নাছিল। দোকানী বৰ্মণেও মৰ্মাহত হৈ কেৱল একেথৰে সমীনৰ ফালে চাই আছে। বমেনেও স্তব্ধ হৈ ক্ষন্তেক পৰ দূৰ দিগন্তৰ পিনে চাই থাকিল। হঠাৎ সুন্দৰ প্ৰসাৰী দিগন্তই যেন তাক নতুন প্ৰেৰণা দিলে। হঠাৎ সি আগতকৈও দুগুন উত্তেজনাৰে নাৰায়ণৰ হাতত খামোচ মাৰি ধৰি কবলৈ ধৰিলে,—

"আহ, ভাই আহ ! আমি সকলো সৰ্বহাৰা এক হৈ কামত ব্ৰতী হওঁ। আমাৰ জয়যাত্ৰাত বাধা দিবলৈ কাৰোৰে সাহ নহব।" নাৰায়ণৰ হাতত ধৰি দৃঢ় পদক্ষেপেৰে আগবাঢ়ি গৈ থিয় দিলে বিশাল আকাশৰ তলত। তেতিয়া আকাশখনো মুকলি, নীলা নীলা, সেউজীয়া গছে-পাতে মিলি বিৰ্‌বিৰাই এছাতি বতাহো বলিছে ………। ০০০

> অসমীয়া মানুহে প্ৰায় সকলো বিষয়তে পৰৰ মুখলৈ চোৱা। কোনো অসমীয়াৰ উন্নতি হোৱা দেখিলে আমাৰ চকু পোৰে; কিন্তু বিপদ হ'লে আমাৰ আনন্দ লাগে। জন্মভূমিৰ ঘোৰ দুৰৱস্থা, অসমীয়াৰ ঘোৰ টোপনি। ইয়াতকৈ ধিক্‌কাৰৰ কথা একো নাই।
>
> —লম্বোদৰ বৰা



# লুইতৰ পাৰে ৰিঙিয়াই

শ্ৰীহৰেন্দ্ৰ ৰাজবংশী
উঃ মাঃ শ্ৰেণী, ২য় বাৰ্ষিক
( বিজ্ঞান শাখা )

লুইতব পাবে পাবে এতিয়াও কহুৱা ফুলে। সেই কহুৱা বনৰ আঁৰত বন কুকুৰাই বাঁহ সাজে। সিহঁতব মনত অপাৰ আনন্দ। কিয়নো, আজি কতযুগ ধৰি সিহঁতে সেই ভাতেই সিহঁতব জীৱনব সোণব কাবেং বচনা কৰি আহিছে। আজিলৈকে কোনো অপায়-অমঙ্গলে সিহঁতক গ্ৰাস কৰিব পৰা নাই। কাৰণ সেই কহুৱা বনৰ মাজত এতিয়াও হেনো জুইব ফিবিঙতি উঠে, লুইতব পাৰে পাবে কোনোবাই বিঙিয়াই মাতে। সকলোৰে ধাৰণা সেই ঠাইখিনি হেনো বব জয়াল, প্ৰেতাত্মাব আশ্ৰয়ভূমি। সেয়ে হয়তো ভয়তে কোনো মানুহেই সেই কহুৱা বনব জাবনিব ওচৰলৈ নেযায়।

ইয়াৰো আকৌ এক ইতিহাস আছে। এইয়া আছিল—১৯৫০ চনব এটি ঘটনা। লুইতব পাবে পাবে চাপৰি অঞ্চল। তাব নিচেই কাষতে এইয়া এখন সৰু গাওঁ মনিটাবী। অৱশ্যে মণিটাবী এতিয়া—এখন সৰু গাওঁ নহয়। লুইতব পাৰব মণিটাবী এখন বৃহৎ চাপৰি। বিভিন্ন জাতি জনজাতি আৰু উপজাতিৰে সংমিশ্ৰিত এইখন গাওঁ। এই মনিটাৰীত বাস কৰে হিন্দু, মুছলিম, বঙালী, নেপালী, গাৰো, কছাৰী বিভিন্ন জাতি, বিভিন্ন সম্প্ৰদায়ে। বিভিন্ন জাতি উপজাতিৰে সংমিশ্ৰিত হলেও ইয়াৰ এটা স্বকীয় বৈশিষ্ট্য তথা মনব একতা আছে আৰু আছে প্ৰত্যেকবে মাজত আন্তৰিক মিলা-প্ৰীতি।

এই মণিটাৰীতেই জন্ম হৈছিল অৰূপৰ। অৰূপ আছিল একেবাৰে নিঠৰুৱা। ছয় বছৰ বয়সতেই এক প্ৰবল মহামাৰীত পৰি অৰূপক অকলশৰীয়া কৰি হঠাতে এদিন অৰূপৰ মাক-দেউতাকে ইহ সংসাৰৰ পৰা বিদায় মাগিছিল। সৰ্বহাৰা অৰূপে জীৱন টুলুঙা নাও বাবলৈ তেতিয়াও শিকাই নাছিল। মাক-দেউতাকৰ মৃত্যুয়ে সেই ছবছৰীয়া অৰূপক জীৱনৰ কথা কিবা শিকাইছিল নে নাই কব নোৱাৰো; কিন্তু নিবাপত্তাহীন জীৱনটোৰ কথা ভাবি সেইদিনা সি খুব কান্দিছিল। তাৰ পিছত ক্ৰমে ক্ৰমে তাৰ আৰম্ভ হৈছিল জীৱন সংগ্ৰাম। সিহঁতব গাৱৰেই

বাতিৰাম মহাজনৰ ঘৰত সি গৰখীয়া হৈ পৰিছিল। এনেকৈ অ'ত ত'ত চাকৰ থাকি কাম কৰি তাৰ জীৱনৰ বাৰটি বছৰ পাৰ হৈ গৈছিল। বহুতো সুখ-দুখৰ মাজেৰেই হঠাৎ তাৰ জীৱনলৈ যৌৱন আহিল। সি তেতিয়া এজন ওঠৰ বছৰীয়া ডেকা। মনত তাৰ অসীম বল।

দিনৰ দিনটো সি মহাজনৰ পথাৰত কাম কৰে। ভাগৰ বোলা কথাষাৰ সি কোনোদিনেই ভৰা নাই। দুখ আৰু সংঘাতৰ মাজেৰেই যেতিয়া তাৰ জীৱন আৰম্ভ; সেয়ে সি দুখৰ কথা ভৰা নাই; সুখৰ কল্পনা কৰি বলিয়া হোৱা নাই। কাৰণ সুখ তাৰ বাবে মৰিচীকা। সি জীৱনৰ কথা কোনোদিনেই ভৰা নাই। কাৰণ ঈশ্বৰে যেতিয়া জন্ম দিছে; তেন্তে পালনো কৰিব তেৱেঁই। কৰ্মব্যস্ত দিনটোৰ পিছত সি গধূলি হলে অকণমান ওলাই যায় গাওঁ ফুৰিবলৈ। আজি-কালি কিছুমান অনুভূতিয়ে অৰূপৰ অন্তৰত থকা-খুন্দা লগায়। সি মাজে সময়ে তাৰ জীৱনৰ কথা ভাবে, ভৱিষ্যতৰ কথা ভাবে। ভৱিষ্যতে সিও এখন ঘৰ-সংসাৰ কৰাৰ সপোন দেখে। কিবা এক অবুজ শক্তিয়ে তাৰ অন্তৰত প্ৰেৰণা দিয়ে। হয়তো সেই শক্তি লাইলাৰ। লাইলা আন কোনো নহয়। সি কাম কৰা মহাজনৰ ঘৰত নিতৌ গাখীৰ দিয়া নেপালীটোৰ জীয়েক। তাক গাৱৰ সকলোৱে দাজু বুলি কলেই চিনি পায়। সি এতিয়া অলপ বুঢ়া হৈছে। ল'ৰা-ছোৱালী বুলিবলৈ সেই একেজনী মাথোন ছোৱালী আৰু ঘৈণীয়েকজনী। এখন সুখৰ সংসাৰ। খেতি-বাতি নাই যদিও মাটি যথেষ্ট আছে। কোনোবাই আধি কৰে। অভাৱ সিহঁতৰ কোনোদিনেই হোৱা নাই। গাখীৰ বিক্ৰি কৰিয়েই সিহঁতৰ সেই তিনিটি পৰিয়াল বেচ আনন্দৰে চলিব পাৰে। সেই দাজুৰেই একমাত্ৰ ছোৱালী লাইলা। যাৰ দৃষ্টিত সৃষ্টি হয় অৰূপৰ অন্তৰত প্ৰেৰণা। গধূলি সময়ত অৰূপে পোৱেই দাজুহঁতৰ ঘৰলৈ ফুৰিবলৈ যায়। কিবা এক অবুজ আকৰ্ষণে তাক যেন সদায় বিভিয়াই মাতে। লাইলা এতিয়া গাভৰু হৈছে। তাইৰ দেহৰ উঠন বুকুৰ আকৰ্ষণে হয়তো অৰূপক মোহিত কৰা নাই। মোহিত কৰিছে তাইৰ মৰম কোমল দৃষ্টি আৰু তাইৰ অন্তৰত লুকাই থকা প্ৰাণৰ আহ্বানে। লাইলাৰ মাক-দেউতাকেও অৰূপক বৰ মৰম কৰে। হয়তো সিহঁতৰ ল'ৰা সন্তান নাই বাবেই চাগে। তাৰোপৰি অৰূপে আনৰ ঘৰত কামলা কৰে যদিও ল'ৰাটোৰ চৰিত্ৰ বেচ ভাল। এতিয়াও তাৰ বিষয়ে কোনেও এষাৰো বেয়াকৈ কব নোৱাৰে। বেচ কামৰ ল'ৰা। কেতিয়াবা দাজু-দাজুৱনীয়ে মনে মনে আলোচনা কৰে দুখীয়া হলেও অৰূপৰ দৰে ল'ৰা এটালৈ যদি সিহঁতৰ লাইলাক গতাব পাৰিলেহেঁতেন, সিহঁত সঁচাকৈয়ে বৰ সুখী হব পাৰিলেহেঁতেন, হয়তো লাইলাও নিশ্চয় সুখী হ'লহেঁতেন।

দুখীয়া বা আনৰ ঘৰৰ কামলা বুলি অৰূপক তেওঁলোকে কেতিয়াও অৱহেলা কৰিব নোৱাৰে। কাৰণ সিহঁতে জানে—অৰূপৰ মাক-দেউতাক আজি জীয়াই থকা হলে সি আনৰ ঘৰত কামলা থকাটো দূৰৈৰ কথা সি আনকহে ৰাখিব পাৰিলেহেঁতেন; কিন্তু নিচেই সৰুতেই তাৰ মাক-

দেউতাকৰ অকাল মৃত্যু হোৱাত কোনোবা চকু-চৰহা অনাত্মীয়ই সিহঁতৰ সা-সম্পত্তি সকলোবোৰ আত্মসাৎ কৰিলে।

অৰূপেও দাজু বুলি মাতে যদিও সি সদায় লাইলাৰ দেউতাকক সমীহ কৰি চলে। এই নেপালীটো বৰ সৰল মনৰ মানুহ। একেবাৰে নিঠ-ৰুৱা বাবেই সি লাইলাৰ মাক-দেউতাকক পিতৃ-মাতৃৰ দৰে শ্ৰদ্ধা কৰি চলে। তেওঁলোকেই কেতিয়াবা তাক ভৱিষ্যতৰ এখন ঘৰ-সংসাৰৰ কথা কয়। তেতিয়া সি হাঁহে। কেতিয়াবা আকৌ কয় "যিয়ে নিজৰ কথাই চিন্তা কৰিব নোৱাৰে সি আৰু এজনী চপাই লোৱাৰ কথা কেনেকৈ চিন্তা কৰিব? তাৰোপৰি আমাৰ দৰে আনৰ ঘৰত কাম কৰা ল'ৰা এটালৈ কোনে ছোৱালী দিব? আৰু ছোৱালীয়েবা আহিব কিয়? যাৰ নিজাকৈ মাটি-বাৰী, ঘৰ-দুৱাৰ একোৱেই নাই সি এইবোৰ কথা ভবা মানে পৰ্ব্বতৰ ওপৰত কাঁচ কণী বিচৰা একেই কথা।"

তথাপি সি কেতিয়াবা ভাবে। ভৱিষ্যতৰ বঙীয় সপোন সিও কেতিয়াবা দেখে। সি কেতিয়াবা নিজকে নিজে কয়—'মই জানো পুৰুষ নহওঁ? এজনী ছোৱালীৰ জীৱনৰ দায়িত্ব জানো মই লব নোৱাৰিম? কিন্তু কোন ছোৱা-লীয়ে মোৰ এই দুৰ্ভগীয়া জীৱনটোলৈ আগবাঢ়ি আহিব! সি কব নোৱাৰাকৈয়ে কেতিয়াবা অজানিতেই তাৰ লাইলাক মৰম কৰিবলৈ মন যায়। মন যায় ভৱিষ্যতৰ কথা কবলৈ; কিন্তু তাৰ বৰ ভয় লাগে। মহাজনৰ ঘৰলৈ লাইলা সদায় ৰাতিপুৱা গাখীৰ দিবলৈ আহে। অৰূপে তাইলৈ একেথৰে চাই থাকে। লাইলায়ো তালৈ চায়। চকুৱে চকুৱে পৰিলে দুয়োৱে চকু নমাই আনে। কেতিয়াবা লাইলাই ডালিম গুটি যেন দাঁতকেইটা উলিয়াই কোমলকৈ হাঁহে। ভাল লাগে সিহঁতৰ। কেতিয়াবা কিবা কাৰণত তাই গাখীৰ লৈ নাহিলে অৰূপৰ গোটেই দিন-টোৱেই মনটো বেয়া লাগি থাকে। কামত মন নবহে। লাইলা যেন তাৰ প্ৰাণৰ অফুৰন্ত শক্তি। যাক দেখিলে তাৰ দেহত কৰ্ম-প্ৰেৰণা জাগে।

সময়ৰ বুকুত সময়বোৰ তেনেকৈয়ে পাৰহৈ গৈ থাকে। সিহঁতৰ জীৱনলৈ যৌৱন আহে। নতুন প্ৰেমৰ প্ৰথম আবেগে সিহঁতৰ মনবোৰ কঁপাই তোলে। লাইলাজনীয়েও অৰূপৰ কথা ভাবে। তাৰ দুৰ্ভগীয়া জীৱনটোৰ কথা ভাবিলে তাইৰ দুখ লাগে। কেতিয়াবা তাৰ ওচৰত বহি বহুত মৰম কৰিবলৈ মন যায়। মন যায় প্ৰাণৰ সঁচা মৰম যঁাচিবলৈ। অথচ কোনেও কাকো প্ৰাণ খুলি একো কব নোৱাৰে। লাইলাৰো অৰূপক এদিন নেদেখিলেই কেনেবা কেনেবা লাগে। সি গধূলি প্ৰায়েই সিহঁতৰ ঘৰলৈ যায়। সি গলেই লাইলা ব্যস্ত হৈ পৰে তামোল-চাহৰ যোগান ধৰাত। আঁতৰৰ পৰাই লুকাই লুকাই তালৈ চায়। কিন্তু ওচৰতে বহি কথা কোৱাৰ সাহস নহয়।

অৰূপৰ প্ৰায়েই লাইলাক মাতিবলৈ, তাইৰ লগত কথা কবলৈ মন যায়; কিন্তু কোনোদিনেই সুবিধা কৰিব নোৱাৰে। তাৰোপৰি তাইৰ ওচৰলৈ আহিলেই সি কব খোজা সকলোবোৰ কথাকেই পাহৰি পেলায়। সেইদিনা আবেলি অৰূপ লাইলাহঁতৰ ঘৰলৈ ফুৰিব গৈছিল।

লাইলাৰ মাক-দেউতাক কোনোবা আত্মীয়ৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। লাইলাই অৰূপক বহিবলৈ দি তামোল-চালি আনিবলৈ ভিতৰ সোমাই গ'ল। এইকণ সুযোগতে অৰূপে লাইলাক কি কি কব নিজকে প্ৰস্তুত কৰি ললে। কাৰণ অৰূপৰ বাবে আজিয়েই সোণালী সুযোগ। কিছু সময়ৰ পাছত বঁটাত তুখন তামোল লৈ তাই অৰূপক দিলেহি। অৰূপে লাইলালৈ চাই সুধিলে—

"অ'ই লাইলা! দাজু ঘৰত নাই নেকি অ'?"

"নাই আই পিতাই তুয়ো লাহৰিঘাটৰ আত্মীয়ৰ ঘৰলৈ গৈছে।"

"তয়ো নগলি কিয়?"

"ময়ো গলে ঘৰ ৰাখিলেহেঁতেন কোনে?"

"ঘৰ ঘৰ হৈয়ে থাকিলহেঁতেন। অ'ই লাইলা! ওচৰলৈ আহছোন।"

"কেলেই?"

"বহ আকৌ ইয়াতে।"

"ধেৎ মানুহে দেখিলে কি ক'ব? আই-পিতাইৰ আগত যদি আমি এনেকৈ চুপতি মৰাৰ কথা কৈ দিয়ে?"

"অ'ই তোক এটা কথা কম বেয়া পাবি নেকি?"

"কছোন আগেয়ে কি কথা কব খুজিছ! কথা কলেনো বেয়া পাবলগীয়া কি আছে?"

"তহঁতৰ ঘৰলৈ আহিলে তই দেখোন মোৰ ওচৰ চাপিবকে নোখোজ! কিয় অহাৰ কাৰণে বেয়া পাৱ নেকি? কছোন, তই মোক ভাল নেপাৱ?"

লাইলাই একো উত্তৰ দিব নোৱাৰিলে। লাজত তাইৰ চকু-মুখ ৰঙা পৰি উঠিছিল। তৎক্ষণাত তাই অৰূপৰ ওচৰৰ পৰা আঁতৰি আহিছিল। তাই একো নমতা দেখি অৰূপৰ বেয়া লাগিছিল। সি ধৰি লৈছিল যে লাইলাই নিশ্চয় তেনে ব্যৱহাৰৰ কাৰণে তাক বেয়া পাইছে। মনৰ বেজাৰতে সি কেতিয়া সিহঁতৰ ঘৰৰ পৰা আঁতৰি আহিছিল সি কব পৰা নাছিল। তাৰ পিছত কেইবাদিনো অৰূপ লাইলাহঁতৰ ঘৰলৈ যোৱা নাছিল। ৰাতিপুৱা মহাজনৰ ঘৰলৈ গাখীৰ দিবলৈ আহিলেও অৰূপে তাইক দেখা নিদিছিল। কেতিয়াবা কৰবাত দেখিলেও সি দূৰৈৰ পৰাই আঁতৰি পলাইছিল। সি অনবৰত এটা দোষী মন লৈ ঘূৰি ফুৰিছিল। সি যেন এটা ডাঙৰ অপৰাধ কৰিছে, যিটো দোষৰ বাবে সি লাইলাৰ ওচৰ চাপিবলৈ সাহস কৰা নাছিল।

ইফালে অৰূপক নেদেখি লাইলাজনীও কিবা হৈ গৈছিল। যাক তাই আগৰে পৰাই প্ৰাণ ভৰি অন্তৰেৰে ভাল পাই আহিছে, অথচ মুখ খুলি কোনোদিনে প্ৰকাশ কৰিব পৰা নাই। তাই লক্ষ্য কৰিছিল যে আজি কালি অৰূপে অনবৰতেই মন মাৰি ফুৰে। লগৰীয়াবোৰৰ লগতো লগ নহয়। সিহঁতৰ ঘৰলৈও ফুৰিবলৈ নাহে। তাইৰ দুখ লাগে, অৰূপৰ মনৰ পৰিবৰ্ত্তন দেখি। অৰূপক তাই কেতিয়াবা অৱহেলা কৰিছে বুলিও ভাবিব নোৱাৰে দেখোন! অথচ অৰূপৰ ইমান মনৰ পৰিবৰ্ত্তনৰ কাৰণ কি হব পাৰে⋯⋯?

সেইদিনা দুপৰীয়া অৰূপে লুইতৰ পাৰৰ শিমলু জোপাৰ তলত বহি কিবাকিবিবোৰ ভাবি আছিল। লুইতৰ ৰূপালী পানীবোৰ চাই চাই

সি ইমানেই ব্যস্ত হৈ পৰিছিল যে তাৰ ওচৰত দ্বিতীয় ব্যক্তিৰ উপস্থিতিৰ কথা ভাবিবই পৰা নাছিল। সেই গভীৰ ডুপৰীয়া লাইলাজনীও গৈছিল অকলশৰে নৈৰ ঘাটলৈ পানী আনিবলৈ। দূৰৈৰ পৰাই অৰূপক মন মাৰি থকা দেখি তাই সেই সুযোগতে পিছফালৰ পৰা মনে মনে গৈ অৰূপৰ চকু দুটাত ধৰিলে। অৰূপেও কোনোবা লগৰীয়া বুলি পিছফালে হাত দুখন নি সাৱটি ধৰিলে; কিন্তু হঠাৎ লাইলাৰ বুকুৰ উমত অৰূপৰ চেতনা ঘূৰি আহিল। সি তৎক্ষণাত হাত দুখন এৰি দি থিয় হব খোজোতেই লাইলাই তাৰ হাত দুখনত ধৰি পুনৰ বহুৱাই দিলে আৰু কলে—

"অ'ই কলৈ যাৱনো? এই কেইদিন আমাৰ ঘৰলৈ যোৱা নাই কেলেই?"

"গাটো ভাল নহয় বাবে যোৱা নাই।" অৰূপে মিছা মাতিলে।

"বাৰু, বাৰু! গা ভাল নাই বাবে আমাৰ ঘৰলৈ যোৱা নাই বুজিলো; কিন্তু মোক দেখিলেই আঁতৰি ফুৰ কিয়?"

"এনেয়ে!"

"ওঁহো! কিয় মিছা মাতিছ? কছোন মই কি দোষ কৰিলো?"

"হৈছে, হৈছে! এতিয়া ইমান মৰম দেখুৱাব নালাগে। মোৰ আই-পিতাই নাই, নিজৰ ঘৰ-দুৱাৰ নাই, আনৰ ঘৰত কামলা থাকো, সেইবাবে সকলোৱে মোক ঘৃণা কৰে। আনকি তয়ো মোক ঘৃণা কৰ।"

"ছিঃ ছিঃ·······! তেনেকৈ কবলৈ বেয়া নালাগিল নে? অৰূপ দা! তয়ো বাৰু মোক তেনেকৈ ভাবিব পাৰিলি নে?"

"তেতিয়া হলে সিদিনাখন তহঁতৰ ঘৰত সেই একাষাৰ কথা কওঁতেই বেয়া পালি কিয়?"

"কোনে কৈছে মই বেয়া পাইছো বুলি?"

"যদি বেয়া পোৱাই নাছিলি; তেন্তে মই কথাষাৰ সোধোতে তই একো নেমাতি আঁতৰি গৈছিলি কিয়?"

"ইহ্ মোৰ লাজ নেলাগে নেকি?"

"অ'·······আই! নেপালী ছোৱালীবো আকৌ ইমান লাজ নে?" —বুলি কৈ অৰূপে লাইলাৰ হাতখনত চুপ্ কৈ এটা চুমা খালে। লাইলায়ো তাৰ নাকটোত চেপা এটা মাৰি কাষত কলহটো লৈ নৈৰ ঘাটলৈ নামি গ'ল। অৰূপে মাথোন বহাৰ পৰাই তাইলৈ একেথৰে চাই থাকিল। যাবৰ সময়ত মাথোন তাই কৈ গ'ল—

"যাওঁ দেই অৰূপ দা। পলম হলে আয়ে বেজাৰ কৰিব। তয়ো যাগৈ যা। গধূলি কিন্তু যেনে তেনে আমাৰ ঘৰলৈ এপাক আহিবি দেই।"

আজিহে যেন অৰূপৰ মনটো অকণমান ফৰকাল লাগিছে। ইমান দিন সি লাইলাক ভুলকৈ ভাবি আছিল। আচলতে লাইলাজনীৰ অন্তৰখন বৰ ভাল। এক অবুজ আনন্দত তাৰ মনটো হঠাৎ নাচি উঠিছিল। তাৰ ভাব হ'ল এই পৃথিৱীত তাকো ভাল পাব পৰা মানুহ নিশ্চয় আছে। আন নহলেও সেইজনী লাইলা।

বয়স বঢ়াৰ লগে লগে সিহঁতৰ মাজৰ সম্পৰ্কও ক্ৰমান্বয়ে গভীৰ হৈ আহিছিল আৰু দুয়ো দুয়োকো অন্তৰ ভৰি ভাল পাই পেলাইছিল। তেতিয়াৰ পৰা অৰূপ প্ৰায় সিহঁতৰ ঘৰলৈ

আহিছিল। আজবি সময়ত লাইলাৰ লগত বহি সুখ-দুখৰ কথা পাতিছিল। কেতিয়াবা লুইতৰ বুকুত নাও বাই বাই দুয়োৱে একেলগে খেলিছিল। লুইতৰ পাৰৰ কহুৱা বনৰ মাজত বহি মনৰ গোপন কথা পাতিছিল। কেতিয়াবা অৰূপে বৰ দুখেৰে লাইলাৰ আগত কয়—

"জানা লাইলা! মোৰ যে আই-পিতাই মই সৰু থাকোতেই ঢুকাল। আই-পিতাই থকা হলে মোক চাগে কিমান মৰম কৰিলেহেঁতেন। মোৰ জানা এতিয়াও কাৰোবাক আই-পিতাই বুলি মাতিবলৈ মন যায়।"

"মোৰ আই-পিতাই জানো তোৰো আই-পিতাই নহয়?"

"ভাবিলেটো সকলোৱেই হয়। হলেও নিজৰ বুলিটো এষাৰ কথা আছে!"

"নিজৰ কৰি ল আকৌ!

"ইহ্, কেনেকৈ কৰিবি?"

"তোলৈ মোক চপাই ল আকৌ!"

"মোৰ ঘৰ নাই, মাটি নাই তোক চপাই লৈ মই ক'ত ৰাখিম?"

"কলৈকো নিব নালাগে। তয়ো আমাৰ ঘৰতে থাকিবি। আমাৰটো কোনো ল'ৰা নাই। মই আনলৈ বিয়া হৈ গুচি গ'লে বুঢ়া বয়সত আই-পিতাইক কোনে চাব? তই আৰু আনৰ ঘৰত কামলা কৰিব নালাগে। আমাৰ নিজৰ মাটিত তই খেতি কৰিবি। মই তোৰ লগত পথাৰলৈ যাম। কিমান যে ভাল লাগিব সেই দিনবোৰ! নহয় নে অৰূপ দা?"

সময়বোৰ যিমানে অতিক্ৰম কৰি গৈ আছিল, দিনবোৰো সিমানে পুৰণি হৈ আহিছিল। লাইলাৰ মাক-দেউতাকেও সিহঁত হালৰ মনৰ উমান পাইছিল; কিন্তু বাধা দিয়া নাছিল। কাৰণ সিহঁতৰো ল'ৰা সন্তান নাই। লাইলাজনীও গাভৰু হৈ আহিছে। তাৰোপৰি অৰূপৰো নিজাকৈ কোনো নাই। সিও নিঠৰুৱা। গতিকে সিহঁতৰ যদি প্ৰকৃততে মনৰ মিলন হয়; তেন্তে অৰূপকেই লাইলাৰ কাৰণে ঘৰ জোৱাই কৰি ৰাখিব।

মাক-দেউতাকৰ পৰা সহাৰি আৰু সিহঁতৰ মাজৰ আন্তৰিকতাই প্ৰেম বেছি গভীৰ কৰি তুলিছিল। অৰূপে লাইলাজনীক লৈ এখন সুখৰ সংসাৰ ৰচনা কৰাৰ কল্পনা কৰিছিল। কিন্তু যেতিয়া তাৰ নিঠৰুৱা অৱস্থাটোলৈ মনত পৰে, তেতিয়াই তাৰ মনটোৱে হাহাকাৰ কৰি কান্দি উঠে। তাৰ কেতিয়াবা বৰ ভয় হয়। তাৰ সেই অৱস্থাটোলৈ অৱহেলা কৰি যদি লাইলা কেতিয়াবা তাৰ ওচৰৰ পৰা আঁতৰি যায়; তেন্তে সি জানো বাচি থাকিব? চলনাময়ী নাৰীৰ মন। লাইলা গুচি গলে কি লৈ কিহৰ কাৰণে জীয়াই থাকিব সি? লাইলাজনী ওচৰত থাকিলে সি কাম কৰিবলৈ মনত শক্তি পায়। অৰূপে যেতিয়া পথাৰত কাম কৰিবলৈ যায় তেতিয়া লাইলাজনীয়ে দূৰৈৰ পৰাই তালৈ চাই থাকে। তাৰ ভাল লাগে। কৰ্মৰ মাজতো যেন সেয়ে তাৰ প্ৰেৰণা শক্তিৰ যোগান ধৰে।

এনেকৈ দিনৰ পিছত মাহ, মাহৰ পাছত বছৰ সময়বোৰ ক্ৰমে ক্ৰমে অতিক্ৰম কৰি গৈ থাকে। সিহঁতৰ যৌৱন বলিয়া দুটি উৰন্ত মন আবেগৰ অনুভূতিৰে ভৰি পৰে। সিহঁতৰ মাজৰ ভালপোৱা ইমান বেছি গভীৰ হৈ পৰিছিল

যে সিহঁতে যেন এজনৰ অবিহনে আনজন কেতিয়াও জীয়াই নেথাকিব। এজনৰ মৃত্যুত আনজনে নিশ্চয় আত্মহত্যা কৰিব।

এইয়া ১৯৫০ চনৰ এটি ঘটনা। অসমত এক প্ৰবল বানপানী হৈছিল। ৰাতিৰ ভিতৰতে কত হেজাৰ হেজাৰ মানুহ, গৰু পানীত উটি গৈছিল। কত হেজাৰ হেজাৰ মানুহৰ ঘৰ পানীত জাহ গৈছিল। লুইতৰ পানী বঢ়াৰ গম পায়েই সি লাইলাহঁতৰ ঘৰলৈ দৌৰি আহিছিল। খুউব কম সময়ৰ ভিতৰতে সি কেইডালমান কলগছ কাটি এখন ভূঁৰ তৈয়াৰ কৰিলে। পানী ক্ৰমে ক্ৰমে বাঢ়ি লুইতৰ পানী লাইলাহঁতৰ চোতাল পালেহি। লাইলা, মাক-দেউতাক আৰু অৰূপ ভূঁৰত উঠিল। প্ৰয়োজনীয় কিবাকিবি অলপ খোৱা বস্তু লগত বাহিৰে আৰু একো কৰিবলৈয়ে সিহঁতে সময় নাপালে। লুইতৰ পানীৰ ৰুদ্ৰ মূৰ্ত্তিয়ে নিমিষতে সিহঁতৰ ঘৰ-দুৱাৰ একালৰ পৰা ধ্বংস কৰিলে ক্ৰমে ক্ৰমে গোটেই ঘৰ-দুৱাৰ লুইতৰ পানীত জাহ গ'ল মাথোন ওখ ওখ গছবোৰৰ আগলি অংশহে পানীত ওলাই থাকিল।

দুই দিন দুই ৰাতি সিহঁতে গভীৰ জলাশয়ৰ মাজতে ভূঁৰৰ ওপৰত কটাই দিলে। অৰূপে দিন ৰাতিৰ চিন নোহোৱাকৈ ভূঁৰখনৰ গুৰি বঠা ধৰি থাকিল। তৃতীয় দিনা নিশা আকস্মিতে এটা দুৰ্ঘটনা ঘটিল। সিহঁতৰ ভূঁৰখন হঠাৎ পানীৰ পাকঘূৰণিত পৰি ঘূৰিবলৈ ধৰিলে। অৰূপে বহুত চেষ্টা কৰি কোনো ৰকমহে ভূঁৰখন সেই মহা বিপদৰ পৰা ৰক্ষা কৰিলে; কিন্তু দুৰ্ভগীয়া অৰূপ! সি নিজৰ জীৱনটো ৰক্ষা কৰিব নোৱাৰিলে। তিনিটা নিশা টোপনি খটি কৰি সি বৰ দুৰ্বল আৰু অৱশ হৈ পৰিছিল। হঠাতে মূৰ ঘূৰাই অৰূপ কেতিয়া পানীত পৰি গ'ল লাইলাহঁতে গমেই নেপালে। সিহঁতৰ মাজত হাহাকাৰ লাগি পৰিল। কিন্তু সিহঁতক ৰক্ষা কৰিবলৈও কোনো নাই। অৰূপ যি এবাৰ পানীলৈ নামিল, সি আৰু পুনৰ উঠি নাহিল। জলদেৱীৰ কোলাত সি চিৰদিনৰ বাবে শান্তিৰে আশ্ৰয় ললে।

অৰূপৰ মৃত্যুত লাইলা একেবাৰে বলিয়া হৈ পৰিল। কান্দোনত তাইৰ বুকু ফালি যাওঁ যাওঁ হ'ল। মানুহৰ বেছি সুখ দেখিলে দেৱতাবো হেনো হিংসা হয়। লাইলাবো সেয়ে হ'ল। হায়! নিষ্ঠুৰ নিয়তিৰ কি নিৰ্ম্মম পৰিহাস। কান্দি কান্দি তাইৰ শ্বাস প্ৰশ্বাস বন্ধ হোৱাৰ উপক্ৰম হ'ল। দুৰ্যোগৰ মাজেৰেই ৰাতি পুৱাল। নতুন পুৱাৰ হেঙুলী আভাই পৃথিৱীখনক উজ্বলাই তুলিলে। চতুৰ্থ দিনা ৰাতিপুৱা দূৰৈত দেখিলে এখন সাহায্যৰ নাও সিহঁতৰ ফালেই আগবাঢ়ি আহিছে। খুউব কম সময়ৰ ভিতৰতে নাওখন আহি সেইখিনি পালেহি আৰু তেওঁলোক তিনিওকো ভূঁৰৰ পৰা উদ্ধাৰ কৰিলে। ইতিমধ্যে লাইলাজনীয়ে চেতনা হেৰুৱাই পেলাইছিল। তাইক লৰালৰিকৈ সাহায্য শিবিৰলৈ নি চিকিৎসাৰ ব্যৱস্থা কৰিলে।

এনেকৈ প্ৰায় এমাহ সময় সিহঁতে সাহায্য শিবিৰতে কটালে। তেতিয়া মানে পানী প্ৰায় শুকাই গৈছিল। ইতিমধ্যে লাইলাজনীও যথেষ্ট আৰোগ্য হৈছিল। সিহঁতে নিজৰ ঘৰলৈ যোৱাৰ ব্যৱস্থা কৰিলে। ঘৰবোৰ প্ৰায় নষ্ট হৈ গৈছে।

সেয়ে সিহঁতে এখন চালি কৰি ৰাতিটো কটোৱাৰ ব্যৱস্থা কৰিলে। নোপোৱাৰ বেদনা তীব্ৰ; কিন্তু প্ৰায় হেৰোৱাৰ বেদনা তীব্ৰতৰ। লাইলাজনীৰো তেনেকুৱাই হ'ল। তাইৰ গোটেই জীৱনৰ বাসনা অতৃপ্ত হৈয়েই ৰ'ল। অৰূপক হেৰুৱাই তাই এৰাতিও শান্তিৰে শুব পৰা নাছিল। সেইদিনাখন ৰাতি তাই এটি সপোন দেখিছিল। সপোনত অৰূপে আহি তাইক নৈৰ পাৰলৈ লৈ গৈছে; য'ত সিহঁতে একেলগে বহি মনৰ কথা পাতিছিল। সেই কহুৱা বনৰ মাজৰ শিমলু জোপাৰ তললৈ। দূৰৈৰ পৰা যেন অৰূপে তাইক বিঙিয়াই মাতিছে—লাইলা! আৰু লুইতৰ বুকুত লাইলা শব্দটোৱে যেন ইলা ………… ইলা ………… বুলি প্ৰতিধ্বনিত কৰিছে।

তেতিয়া প্ৰায় পৃথিৱীৰ বুকুৰ পৰা ৰাতিৰ এন্ধাৰ আঁতৰি গৈ ক্ষীণ পাতল পোহৰ বিয়পি পৰিছে। লাইলাই হঠাৎ টোপনিৰ পৰা সাৰপাই চমকি উঠিল। তাই দেখিলে তেতিয়াও মাক-দেউতাক টোপনিত লালকাল। তাই যে সপোন দেখিছে সেইকথা পাহৰি গ'ল। ততালিকে তাই লুইতৰ পাৰলৈ ঢাপলি মেলিলে। অৰূপক লগ পোৱাৰ তাইৰ দুৰ্ব্বাৰ হেপাহ। কহুৱা বনৰ ওচৰৰ সেই শিমলু জোপাৰ ওচৰলৈ আহি তাই চিঞৰি উঠিল—ক'তা! ইয়াতটো অৰূপদা নাই! তেন্তে ……… তাইৰ প্ৰাণৰ অৰূপ আৰু এই পৃথিৱীত নাই? তাই বলিয়া হৈ পৰিছিল। মনৰ আবেগত তাই কেতিয়া কি কৰি পেলালে তাই কবই নোৱাৰিলে।

ৰাতি পুৱাল। মাক-দেউতাকে লাইলাক বিচনাত নেদেখি আচৰিত হ'ল, ইমান ৰাতিপুৱাই তাই গ'ল কলৈ? গোটেই মণিটাৰীতেই ক্ষন্তেকৰ ভিতৰতে হাহাকাৰ লাগিল। কোনেও কব নোৱাৰে লাইলা কলৈ গৈছে। মাক-দেউতাক প্ৰায় বলিয়া হৈ পৰিল। অৱশেষত কেইজন-মান ডেকা ল'ৰাই লাইলাক বিচাৰি লুইতৰ পাৰ পালেগৈ। সিহঁত বেছি দূৰ আগবাঢ়িব নহ'ল। হঠাৎ সিহঁতে চমকি উঠি তাতেই ৰৈ গ'ল। লুইতৰ পাৰৰ কহুৱা বনৰ কাষত থকা সেই শিমলু গছ জোপাৰ ওপৰত দেখিলে লাইলাৰ মৃত দেহটো ওলমি আছে। তাইৰ গাৰ চাদৰ খনেৰেই ডিঙিত ফাঁচ লগাই তাই আত্মহত্যা কৰিলে।

তেতিয়াৰ পৰাই আজিলৈকে কোনো মানুহেই সেই ঠাইকণলৈ অকলশৰে নাযায়। তাত হেনো এতিয়াও লাইলাৰ প্ৰেতাত্মাই চিঞৰে। তাইৰ জীৱনৰ বহুতো আশা, বহুতো কামনা-বাসনা অতৃপ্ত হৈয়ে ৰ'ল। মানুহ নগৈ নগৈ এতিয়া সেই ঠাইখিনি জয়াল হৈ পৰিছে। প্ৰায়ে সেই শিমলু গছজোপাৰ তলত হেনো এজনী ছোৱালী ওলাই চিঞৰি থাকে। হয়তো সেইয়া লাইলাৰ অতৃপ্ত আত্মাই অৰূপক বিচাৰি লুইতৰ পাৰে পাৰে ঘূৰি ফুৰে। লুইতৰ বুকুত তাৰেই হয়তো প্ৰতিধ্বনি হয়। সেয়ে হয়তো অতৃপ্ত আত্মাৰ শান্তি বিচাৰি লুইতৰ পাৰে পাৰে আজিও বিঙিয়াই।

# বানে গঢ়কা জীৱন

শ্ৰীমোহন চন্দ্ৰ মেধি
উচ্চতৰ মাধ্যমিক ( কলা শাখা )
২য় বাৰ্ষিক

ঝাবণী মৌজাৰ ঢলপুৰ গাওঁখনৰ কোনো এজনে যদি ভৱিষ্যতৰ বাবে জ্ঞানৰ পোহৰ লবলৈ হাত মেলিছিল সিও মাত্ৰ অষ্টম শ্ৰেণী বা নৱম শ্ৰেণীলৈ পঢ়ি শিক্ষাৰ পৰা মেলানি মাগিব লগা হৈছিল। যিহেতু ধন নহলে কোনো কামকে হাতত লব নোৱাৰি। ঢলপুৰ গাওঁৰ এনে অৱস্থাৰ বাবে একমাত্ৰ অন্তৰায় হৈছে গাওঁৰ উত্তৰে থকা বাইজক প্ৰৱঞ্চনা কৰা, এখনি নৈ, সেই নৈ বাৰিষা পানী আহিলে ঢলপুৰ গাওঁৰ উত্তৰ অংশতহে মথাউৰি ভাঙে, ফলত গোটেই অঞ্চলটো বানপানীত ডুব গৈ এখনি বিশাল সমুদ্ৰৰ সৃষ্টি কৰে আৰু সেই কাৰণেই কোনো বছৰে গাওঁখনৰ মানুহে কৃষিৰ ফচল নাপায়। বছৰ পিছত বছৰ ধৰি এই গাওঁত অভাৱনীয় পানীৰ বাবে কোনো উন্নতিৰ পথ লব পৰা নাই। কোনো কোনো বাৰ সেই গাওঁৰে দুই এখন ঘৰ মথাউৰি ভাঙি একেবাৰে উচন কৰিছিল।

এই গাৱঁৰে দিগন্ত আছিল দশম শ্ৰেণীৰ ছাত্ৰ, প্ৰৱেশিকা পৰীক্ষাৰ মাছুল দিব নোৱাৰি গাওঁৰ পৰা কিছু দূৰত থকা চহৰত চাহৰ হোটেলত আৱৰ্জনা পেলোৱা কৰ্মী হিচাপে কাম কৰিলে, দিগন্তৰ কামত হোটেলৰ মালিকে সন্তুষ্ট হৈ সেই পদটো আতৰাই মালিকৰ টেক্টৰ খনৰ ড্ৰাইভাৰ হিচাপে নিযুক্তি দিলে। তাৰ কাম হ'ল ঠিকাদাৰবোৰৰ মাল-বস্তুবোৰ চাই-দলৈ কঢ়িয়াব লাগে। এনেদৰে সি তাৰ তিনি-জনীয়া গৃহস্থীখন চলাব ধৰিলে। কিছু বছৰ যোৱাৰ পিচত নিজৰ সুখৰ সংসাৰ গঢ়াত মগ্ন হ'ল আৰু বুঢ়া মাক-দেউতাকক এই কথা জনালে যে অহা বহাগত সি বিয়া পাতিব। সেয়েহে সি ঝাবণী মৌজাৰে কুঁৱৰীতল গাওঁৰ ছোৱালী ৰূপহীক বিয়া কৰাব ঠিক বহাগতে। দিগন্ত ড্ৰাইভাৰৰ বিয়া হৈ গ'ল।

তিনি বছৰৰ ভিতৰত ল'ৰা-ছোৱালী দুটাৰ জন্ম হ'ল, ল'ৰাজনৰ নাম থলে বীৰেশ্বৰ আৰু ছোৱালীজনীৰ নাম থলে ভানু।

দিগন্ত ড্ৰাইভাৰে গাওঁৰ আন আন ব্যক্তিতকৈ অলপ উন্নত দেখা গ'ল যদিও কোনো ৰকম সাজৰ মূৰত সাজ খাব পাৰে। দিগন্ত ড্ৰাই-ভাৰৰ দিনত কোনো ধৰণৰ জিৰণি নাছিল। প্ৰত্যেকদিনে পুৱা সাত বজাৰ পৰা ৰাতি দহ-এঘাৰ বজালৈ ঠিকাদাৰৰ মালবোৰ কঢ়িয়াব লগা হৈছিল। ৰাতিয়েই ঘৰলৈ টেক্টৰখন লৈ আহি পুৱাই ওলাই যাব লাগে, তাৰ কোনো

সময়ৰ ঠিক নাছিল যিহেতু তাৰ হাতত ঘড়ী-য়েই নাই, সি সময় জানিব কেনেকৈ ? দিগন্ত ড্ৰাইভাৰ বৰ বসাল আৰু ধেমেলীয়া প্ৰকৃতিৰ মানুহ আছিল সেয়েহে দিগন্ত ড্ৰাইভাৰক গাওঁ তথা চহৰৰ মানুহে মৰমৰ চকুৰে চাইছিল। মানুহৰ প্ৰতি মানুহৰ মৰম থকাৰ বাবেই ড্ৰাইভাৰলৈ সহায়-সহানুভূতি আগবঢ়াইছিল। হোটেলৰ মালিকেও বৰ মৰমৰ চকুৰে চাইছিল। দিগন্ত ড্ৰাইভাৰ বুলিলে মানুহৰ অন্তৰত যেন এক গভীৰ মৰম সহানুভূতিৰ ভাব জাগি উঠে। আগতে আছিল তিনিটা পৰিয়ালৰ চিন্তা— দিগন্ত ড্ৰাইভাৰে এতিয়া ছয়টা পৰিয়ালৰ কথা চিন্তা কৰিব লাগে। তাতে আকৌ ল'ৰা-ছোৱালী দুটাক লৈ বেছি চিন্তা কৰিব লাগে, যিহেতু সিহঁতক তাৰদৰে ড্ৰাইভাৰ এজনে শিক্ষাৰ জ্ঞান দিবই লাগিব।

ঝাৰণী মৌজাত বছৰৰ প্ৰতিবাৰে বাৰিষাৰ লগত প্ৰচণ্ড বেগত বানপানী আহিলে ঢলপুৰ গাৱঁলৈ চিন্তা কৰিবলগীয়া কথা থাকে। ড্ৰাইভাৰে চিন্তা কৰে যদিও উপায় অন্তৰ হৈ টেক্টৰ খনেই জীৱিকাৰ উপায় হিচাপে সেৱা জনায় ঠিকাদাৰৰ কামবোৰ কৰি ফুৰে। এইবাৰ প্ৰবল বেগেৰে নগৰ-চহৰ, গাওঁ-ভুই প্ৰত্যেক ঠাইতেই প্ৰৱল বানপানী আহিল এই পানীৰ বাবে সকলোৱে নিজে নিজৰ কথা চিন্তা কৰিব ধৰিলে ক্ৰমাৎ পানী বাঢ়ি আহি প্ৰলয়কাৰী ৰূপ ধাৰণ কৰিলে আৰু ত্ৰাসৰ সৃষ্টি কৰিলে। আনফালে ঠিকাদাৰবোৰে দিগন্ত ড্ৰাইভাৰৰ টেক্টৰেৰে বানপানী নিয়ন্ত্ৰণৰ কামত লাগি গ'ল। বানপানীৰ বাবে ড্ৰাইভাৰৰ এই কেইদিন চুটি নাই, সেয়েহে সি অবিৰামভাৱে কাম কৰি গৈছিল। এনেতে হঠাতে তাৰ কাম কৰা ঠাইতে নিশা এঘাৰমান বজাত হঠাতে তাৰ ঘৰখনৰ কথা মনৰ মাজত সোমায় পৰিল—ঘৰৰ অৱস্থালৈ ভাবি সি যেন তাৰ পৰা ৰাতিয়ে তাৰ পৰা দৌৰি আহিব এনেকুৱা মন গ'ল। কিন্তু সি ঘৰলৈ যাব কেনেকৈ পানীৰ ওপৰে ওপৰে। দেশক ভালপোৱাৰ ইচ্ছা থকাৰ বাবেই নেপোলিয়ন বোনাৰ্পাটে সামান্য কাঠ এটুকুৰাৰে সাগৰ পাৰ হবলৈ চেষ্টা কৰোতে ফৰাচীবিলাকে যি সাহসৰ পৰিচয়ক বিস্ময় মানি শেষত বোনাৰ্পাটক পুৰস্কাৰ দিছিল। কিন্তু দিগন্ত ড্ৰাইভাৰক কোনেও ঢলপুৰ গাৱঁলৈ খবৰ লবৰ বাবে যাব ওলোৱাত সহায় কৰা নাছিল। ৰাতিটো সি চিন্তাত মগ্ন হৈ থাকি পিছদিনা ঢলফাট মেলাৰ লগে লগে চাবিডাল কলেৰে এখন ভুৰ সাজি চহৰৰ পৰা ঢলপুৰ গাওঁ অভিমুখে ধীৰে ধীৰে গতি কৰিলে। ঢলপুৰ গাওঁখন পাবলৈ অলপ মাথো বাকী, সি দেখিলে যে বাইজক ঠগোৱা নৈ খনিৰ মথাউৰি ভাঙি, গাওঁখন জুকলা-জুপুৰা কৰিছে। গাওঁখনৰ গোটেইবোৰ মানুহ ঢলপুৰ প্ৰাথমিক বিদ্যালয়ত আশ্ৰয় ললে। ড্ৰাইভাৰৰ ঘৰৰ সন্মুখত মথাউৰি ভঙাৰ বাবে মানুহ, ঘৰ, জীৱ-জন্তু সকলো উটুৱাই নিছে। ড্ৰাইভাৰৰ মাক-দেউতাক আৰু পত্নী আনকি ল'ৰা-ছোৱালী হালৰ কোনো মানুহে সম্ভেদ দিব নোৱাৰাত ড্ৰাইভাৰ ভুৰৰ ওপৰতে পৰি মূৰ্চ্চা গ'ল আৰু মগজুত আঘাত পায়—মগজুৰ ব্যতিক্ৰম ঘটিল। উপযুক্ত চিকিৎসাৰ অভাৱত পৰাৰ বাবে শিবিৰতে তাক প্ৰাথমিক চিকিৎসা কৰিলে কিছু সময়

টোপনি যোৱাৰ পিছত সি সংজ্ঞা ঘূৰাই পালে। ঘৰ ক'ত লৰা-ছোৱালী ক'ত সিহঁত কলৈ গ'ল ইত্যাদি চিন্তাই অধিক পাগল কৰি তুলিলে। আনহাতে কেইদিনমানৰ পিছত পানী কমি আহিব ধৰিলে। আনহাতে ড্ৰাইভাৰে ঘৰৰ পৰিয়ালৰ কোনো ভুংসূত্ৰ নাপালে। ঝাৰণী মৌজাৰ মানুহে ড্ৰাইভাৰৰ ঘৰত মাক-দেউতাক আৰু নিজৰ পত্নী মৃত অৱস্থাত উদ্ধাৰ কৰিলে যদিও কোনেও ড্ৰাইভাৰক খবৰ নিদিলে। ল'ৰা ছোৱালী বীৰেশ্বৰ আৰু ভানুৰ কোনো সন্ধেদ নাপালে যদিও পোন্ধৰ দিন পিছত বোকাৰ মাজত বীৰেশ্বৰৰ কংকালটোহে পোৱা গ'ল। সেইটোৱেই ড্ৰাইভাৰৰ পুত্ৰ বীৰেশ্বৰ বুলি সন্দেহ কৰিলে।

ইফালে ড্ৰাইভাৰ পাগল হৈ অনাই-বনাই ঘূৰি ফুৰিব ধৰিলে। এইদৰে ঝাৰণী মৌজাৰ দিগন্ত ড্ৰাইভাৰ পাগল নাম এটি ওলাল। সৰু ল'ৰা ছোৱালীবোৰ দেখিলে বীৰেশ্বৰ আৰু ভানু বুলি দিগান্ত ড্ৰাইভাৰে খেদি যায়। ল'ৰা-ছোৱালী বোৰ ভয়তে পলায়। ঘৰ-সংসাৰ সমুদ্ৰত বিসৰ্জন দি বাইজৰ মাজলৈ ওলায় অহা পাগলজনে সন্ত্ৰাসৰ সৃষ্টি কৰিলে বীৰেশ্বৰ আৰু ভানুক বিচাৰি। আনফালে ড্ৰাইভাৰৰ একমাত্ৰ ছোৱালী ভানু বানপানীৰ সোঁতত উটি গৈ ভাগ্যক্ৰমে উটি অহা গছ এডালত খামোচ মাৰি ধৰি ঘৰৰ পৰা কিছু নিলগত থকা চহৰ পালে। ওচৰৰ এটি পঁজাৰ কাষত গছ এডালত উঠি অনাহাৰে তিনিদিন কটালে। তিনিদিনৰ পিচত পানী শুকাই গছৰ গুৰি ওলাল। এনেতে চৰকাৰৰ ২য় শ্ৰেণী কৰ্মী এজনী তাই লগ পালে ছোৱালীজনৰ ঘৰ কত? গাওঁ কত নাম কি ইত্যাদি সুধিলে। ছোৱালী জনীয়ে কোনো উত্তৰকে দিব নোৱাৰিলে? আৰু মাত্ৰ কেৱল হুকুহুকাই কান্দি দিছিল। কৰ্মচাৰী জনৰ নাম আছিল অনিল বৰ্মণ। বৰ্মণে তাইক ঘৰলৈ লৈ গ'ল আৰু নিজৰ ছোৱালীৰ দৰে ৰাখি পঢ়ালে আৰু এই ছোৱালীজনীৰ অন্য এটি নাম দিলে। নামটো হ'ল জুৰি, জুৰি এতিয়া নৱম শ্ৰেণীৰ ছাত্ৰী। চহৰৰ বিদ্যালয়ত জুৰি বুলি কলে সকলোৱে বুজে যে এজনী ভালকৈ পঢ়িব পৰা ছোৱালী।

ইফালে দিগন্ত ড্ৰাইভাৰে পৰিয়ালবোৰ হেৰুৱাই আত্মহাৰা হৈ ঘূৰি ফুৰিছে। সকলোৱে তাক পাগল বুলি অৱহেলাৰ ভাবেৰে চাবলৈ ধৰিলে। কিন্তু সি কিয় পাগল হ'ল তালৈকে খন্তেক চিন্তা কৰোতা কোনো নাই। সি কাৰোবাৰ ঘৰত পালে খালে, নহলে গছৰ তলে বাহৰ তলে কিম্বা ৰাস্তাৰ কাষত শুই থাকে। এনেদৰে ঘূৰি থকাৰ পিচত সি এদিনাখন আকৌ চহৰত গৈ ওলাল। চহৰৰ মানুহবোৰে এইবাৰ দিগন্তৰ ওপৰত বেছিকৈ চকু দিলে আৰু কিছুমানে বিস্ময় মানিলে যে সি এনেদৰে ঘূৰি ফুৰিছে কিয়? দুই এজনে তাক প্ৰশ্ন কৰে এনেকৈ ঘূৰি ফুৰাৰ কাৰণ কি বুলি? উত্তৰত দিগন্ত ড্ৰাইভাৰে খন্তেকতে হাঁহে, খন্তেকতে কান্দি পেলায়। দিগন্ত ড্ৰাইভাৰৰ আগতে কেনে আছিল আৰু বৰ্তমান কেনে হ'ল আলোচনা কৰি দুখ প্ৰকাশ কৰিলে মানুহবোৰে। কোনো কোনোৱে তাক খাবলৈ কেতিয়া বস্তু দিয়ে, কিন্তু তাৰ প্ৰতি যিমানেই মৰম নাথাকক কিয় তাক জানো সদায় খাবলৈ দিব? এনেকৈ ঘূৰি ফুৰি

থাকোতে এদিন তাক গধুলি কেইজনমান হাই-স্কুলীয়া ল'ৰাই লগ পালে আৰু তাক শিলগুটি মাটিৰ চপৰা আদি গালৈ মাৰি পঠালে। এনেতে মূৰত শিল এটা পৰাত সি মাটিত অজ্ঞান হৈ বাগৰি পৰিল। আৰু তাকে দেখি ল'ৰা কেইজন দৌৰি পলাল। কিছু সময় পিচত সি সংজ্ঞা ঘূৰাই পালে। শিলৰ আঘাতত মগজুৰ যি ব্যতিক্ৰম ঘটিছিল সম্পূৰ্ণকৈ ভাল পালে আৰু সি চিন্তা কৰিলে যে মোৰ গৃহহাৰা হলেও এইদৰে ঘূৰি ফুৰাৰ মোৰ যুক্তি নাই। গতিকে মই কৰবাত চাকৰ হলেও থাকিব লাগিব। আৰু সেয়েহে তেওঁ ফুলনিত কাম কৰা মালি হিচাপে অনিল বৰ্মণৰ ঘৰত থাকিলগৈ যিখন ঘৰত নেকি অতীতৰ ভানু আৰু বৰ্ত্তমানৰ জুবি নগৰৰ কলেজীয়া ছাত্ৰী। সেইখন ঘৰতেই দিগন্ত ড্ৰাইভাৰে মালি হিচাপে কাম কৰিলে। মালিয়ে জুবিক বৰ মৰম কৰিছিল আৰু জুবিৰ সকলো আলপৈচান ধৰিছিল। কিছুদিন পিছত মালিয়ে অনিল বৰ্মণক সকলো প্ৰলয়ঙ্কাৰী বানত শেষ হোৱা কথাবোৰ কলে। ল'ৰা-ছোৱালী দুটিৰ কথাও বৰ্মণৰ আগত দিগন্ত মালিয়ে দাঙি ধৰিলে আৰু মালিৰ কথাৰ পৰা বৰ্মণে বুজি পালে জুবি আচলতে দিগন্ত মালিৰে ছোৱালী আৰু বৰ্মণে কলে মোৰ ঘৰত থকা জুবি তোমাৰেই ছোৱালী আৰু খন্তেকতে পাগলৰ দৰে হৈ দিগন্তই ভানু ভানু কৰি চিঞৰিবলৈ ধৰিলে। বৰ্মণে কলে যে তাই বৰ্ত্তমান কলেজত গৈছে—জুবি কম সময়ৰ ভিতৰতে ঘূৰি আহিব। জুবি অহাৰ পিচত মালিয়ে কিছু চকু ফুৰাই ভানু ভানু বুলি চিঞৰি আগুৱাই যোৱাৰ লগে লগে মালিৰ দেহত উচ্চ ৰক্ত চাপ উঠি ইহ সংসাৰৰ পৰা চিৰ বিদায় ললে। জুবিয়েও সকলোবোৰ গম পায় কান্দি কান্দি এক নতুন পৃথিৱীৰ কথা চিন্তা কৰিলে।

ওঁ

# ॥ বিবিধ পৱিত্ৰ কথা ॥

ডক্তৰ শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা

১। "শ্ৰদ্ধাৱান্ লভতে জ্ঞানম্ ।"
আগ্ৰহ / শ্ৰদ্ধা থকা সকলেহে ( জ্ঞান আহৰণৰ প্ৰতি ) জ্ঞান লাভ কৰে ।

২। "বহুজন হিতায়, বহুজন সুখায় ।"
মানুহ ( সদায় ) বহুলোকৰ হিত সাধনৰ কাৰণে আৰু বহুলোকৰ সুখৰ কাৰণে ( অৰ্থাৎ, মানুহে আনৰ হিতৰ কাৰণে, আৰু আনৰ সুখৰ কাৰণে কাম কৰিব লাগে )।

৩। "Honesty is the best policy"
সাধুতাই ( সততাই ) শ্ৰেষ্ঠতম পথ ( জীৱনৰ )। ( অৰ্থাৎ সততা / সৎ পথত চলা অতি উত্তম মাৰ্গ )।

৪। "বসুধৈব কুতুম্বকম্"
বিশ্বৰ সকলোকে নিজৰ ( আপোন ) মানুহ বুলি ভাবিব লাগে ( অৰ্থাৎ, সমগ্ৰ বিশ্বৰ মানুহবোৰ আমাৰ কুটুম ; আমাৰ নিজা ; এই ভাব ৰাখিব লাগে )।

৫। "পৰৰ ধৰ্মক নিহিংসিৱা কদাচিত ॥"
আনৰ ধৰ্মক হিংসা কেতিয়াও কৰিব নেলাগে । ( কাৰণ, সকলো ধৰ্মই ঈশ্বৰৰ ওচৰলৈ লৈ যায় )।

৬। "সমস্ত ভূতক দেখিবেক আত্ম সম ।"
অৰ্থাৎ, সকলোবোৰ প্ৰাণীকেই নিজৰ দৰে ভাবিব লাগে । আমি নিজৰ যেনে মঙ্গল কামনা কৰো, আনবো তেনে মঙ্গল কামনা কৰিব লাগে । নিজকে আমি ভাল পাওঁ । নিজক যেনেদৰে ভাল পাওঁ, তেনেদৰে আনকো ভাল পাব লাগে ।

৭। দাৰ্শনিক এৰিষ্টটোলে কৈছিল যে পশুত্ব গুণৰ ( Animality ) লগতে "প্ৰত্যেক মানুহৰ দেৱত্ব গুণো ( Rationality ) থাকে ।"
এই দেৱত্ব গুণ আমি চেষ্টাৰ দ্বাৰা বঢ়াব পাৰো । গতিকে, ইয়াক বঢ়াবলৈ যত্ন কৰা উচিত ।

# সহঃ সাধাৰণ সম্পাদিকা/ সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—



আৱন্তনীতে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্ত্তালৈ আমাৰ আন্তৰিক শ্ৰদ্ধা তথা বৈপ্লৱিক অভিনন্দন জনাই ১৯৮৭-৮৮ চনৰ সহঃ সাধাৰণ সম্পাদিকা / সহঃ সাধাৰণ সম্পাদকৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

১৯৮৭ চনৰ ডিচেম্বৰ মাহৰ ৯ তাৰিখ বুধবাৰে পুৰণি ছাত্ৰ একতা সভাই কাৰ্য্যভাৰ এৰাৰ লগে লগে নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাই দায়িত্বভাৰ গ্ৰহণ কৰে। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ১৪ জনীয়া কাৰ্যানিৰ্বাহক সমিতিয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়খনিৰ সামূহিক উন্নয়নৰ বাবে কাম কৰি যাবৰ বাবে দৃঢ় প্ৰতিজ্ঞ হয়।

এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰগতি হবলৈ হলে এখন অতি বলিষ্ঠ ছাত্ৰ একতা সভাৰ প্ৰয়োজন। এই প্ৰয়োজন উপলব্ধি কৰি ১৯৫১ চনত স্থাপিত হোৱা মহাবিদ্যালয়তখনত ১৯৫১ চনৰ পৰা ছাত্ৰ একতা সভা গঠন হৈ আহিছে। ছাত্ৰ একতা সভাৰ সমূহ সদস্যই ছাত্ৰ-ছাত্ৰীসকলৰ আশা-আকাঙ্ক্ষাক বাস্তৱত ৰূপ দিবলৈ সাধ্যানুসাৰে চেষ্টা কৰি আহিছে। বিগত বছৰটোত অৰ্থাৎ আমাৰ কাৰ্য্যকালত আমি ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ আশা-আকাঙ্ক্ষাক কিমানদূৰ বাস্তৱত ৰূপ দিবলৈ সক্ষম হলো সেয়া আপোনাসৱৰ বিচাৰ্য্য বিষয়।

ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দিশৰ প্ৰতিভা বিকাশৰ প্ৰতি লক্ষ্য ৰাখি আন কেই বছৰৰ দৰে এই বছৰো ২৬/১২/৮৭ তাৰিখৰ পৰা ৩০/১২/৮৭ তাৰিখলৈ উলহ-মালহৰ মাজেৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়।

বিগত বছৰ সমূহৰ দৰে এইবাৰো মহাবিদ্যালয়ত সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, ফাতেহা-ই-দোৱাজ-দাহম পালন কৰা হয়।

১৯৭২ চনৰ ভাষা আন্দোলনৰ ছহিদ মোজাম্মিল হকৰ মৃত্যু দিৱস ১৯৮৮ চনৰ ৫ অক্টোবৰ দিনা ছাত্ৰ সন্থাৰ নেতৃত্বত মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত হয়।

এই বছৰ মহাবিদ্যালয়ৰ নবাগত সকলৰ আদৰণি সভাখন ১২/১০/৮৮ তাৰিখ বুধবাৰে এক

গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশেৰে সম্পন্ন হয়। ইয়াৰ উপৰিও ১৯৮৮ চনৰ ২৯ চেপ্তেম্বৰ তাৰিখে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত সদৌ দৰং শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখনি অনুষ্ঠিত হয়।

দৰং জিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল মঙলদৈ মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱা আজি ৩৭ বছৰ হ'ল যদিও মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন অভাৱ-অভিযোগৰ মাজেৰে শিক্ষা গ্ৰহণ কৰি আহিছে। মহাবিদ্যালয় কেতবোৰ অভাৱ আমি পূৰণ কৰিবলৈ যৎ পৰোনাস্তি চেষ্টা কৰিছো। কিন্তু কিমানদূৰ সফল হব পাৰিছো কব নোৱাৰো।

বিগত বছৰটোত আমাক কেইবা গৰাকী ব্যক্তিয়ে শোক সাগৰত পেলাই থৈ আমাৰ মাজৰ পৰা চিৰ বিদায় মাগিলে। মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পুৰন্দৰ শৰ্ম্মাদেৱৰ বিয়োগত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্ম্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে গভীৰ শোক প্ৰকাশ কৰে। লগতে আমাৰ মহাবিদ্যালয়ৰে ছাত্ৰ গৌতম দেৱ অকাল বিয়োগত মহাবিদ্যালয় তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰে। ইয়াৰ উপৰিও অসমৰ লগতে আন আন প্ৰান্তৰ যিসকল ব্যক্তিয়ে মৃত্যুক আঁকোৱালি লবলগা হ'ল তেখেতসকললৈ মঙলদৈ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকলৰ পৰা অশ্ৰুঅঞ্জলি আগবঢ়োৱা হয়।

কাৰ্য্যকালৰ আৰম্ভণীৰ পৰা শেষবলৈকে সকলো দিশতে দিহা-পৰামৰ্শ দিয়াৰ বাবে ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত যাদৱ চন্দ্ৰ নাথদেৱৰ লগতে মহাবিদ্যালয়খনিৰ অধ্যাপক/অধ্যাপিকাৰ ওচৰত আমি চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও কাৰ্য্যকালছোৱাৰ ভিতৰত বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱাৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আমাৰ অন্তৰ ভৰা কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত আমাৰ কাৰ্য্যকাল ছোৱাৰ ভিতৰত জ্ঞাত তথা অজ্ঞাত ভুল-ক্ৰুটি সমূহৰ বাবে ক্ষমা বিচাৰিছোঁ। লগতে মহাবিদ্যালয় খনিৰ ভৱিষ্যত সৰ্বাঙ্গীন উন্নতিৰ কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

'জয় আই অসম'

**শ্ৰী কল্পনা শৰ্ম্মা,**
সহঃ সাধাৰণ সম্পাদিকা,
মঙলদৈ মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

**শ্ৰীনৱেন্দু ভাগৱতী,**
সহঃ সাধাৰণ সম্পাদক,
মঙলদৈ মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

++

# প্ৰতিবেদন—



জয়জয়তে মই সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা যাচিছো। আপোনালোকৰ সহায়-সহযোগে ২য় বাৰৰ বাবে নিৰ্বাচনীত জয়লাভ কৰাত মোক যি উৎসাহ দিলে তাৰ বাবে মই চিৰঋণী।

"সুকুমাৰ কলা সম্পাদক হিচাপে পোন প্ৰথমে ভাৰ লোৱাৰ পিছত মই ছাত্ৰ-ছাত্ৰীৰ মাজত "চিত্ৰশিল্প" আৰু "হস্তশিল্প"ৰ ওপৰত মনোনিৱেশ কৰিবলৈ অতি চেষ্টা কৰিলো। কিন্তু। দুখৰ বিষয় যে এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সুকুমাৰ কলাৰ প্ৰভাৱ একেবাৰে কম। কিন্তু মই ভাবো যে আজিৰ এই উচ্চ শিক্ষাৰ সৈতে সুকুমাৰ কলাৰ গভীৰ সম্বন্ধ আছে, আৰু এই কলাৰ দ্বাৰাই শৈক্ষিক জীৱনত সজীৱতা আনিবলৈ সক্ষম হয়। যি কি নহওঁক কিছু পৰিমাণ ছাত্ৰ-ছাত্ৰীৰ এই বিভাগত কিছু আগ্ৰহ থকা দেখা গৈছে। সেয়েহে তেখেত সকলৰ সুবিধাৰ্থে আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে মই মহাবিদ্যালয় সপ্তাহত এখন 'সুকুমাৰ কলা" প্ৰদৰ্শনীৰ আয়োজন কৰিছিলো। ইয়াৰ বাহিৰেও ইচ্ছুক ছাত্ৰ-ছাত্ৰীৰ বাবে মই মহাবিদ্যালয়ত এখন 'সুকুমাৰ চিত্ৰকলা প্ৰশিক্ষণ' নামৰ এখন বিদ্যালয়ো খুলিছিলো। উক্ত বিদ্যালয়খনত মই অন্য ঠাইৰ পৰা অতি উচ্চ মানৰ প্ৰশিক্ষক অনাৰ বাবে চেষ্টা কৰিছিলো; কিন্তু মোৰ পুঁজি অতি টনকিয়াল নোহোৱাৰ বাবে মই নিজেই ছাত্ৰ-ছাত্ৰীসকলক শিকাবলৈ চেষ্টা কৰিলো। মোৰ বিশ্বাস, ছাত্ৰ-ছাত্ৰীসকলে এই প্ৰশিক্ষণৰ পৰা কিছু পৰিমাণে উপকৃত হৈছে। এইখিনিতেই মই অতি গৌৰৱেৰে জনাওঁ যে, যোৱা বছৰ ১৯৮৬-৮৭ চনত এই বিভাগৰ তৰফৰ পৰা মই গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰি দুটাকৈ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিলো। গতিকে মই আশা ৰাখিলো যে ছাত্ৰ-ছাত্ৰীসকলে এই বিভাগৰ ওপৰত কিছু মনোনিৱেশ দিয়ে। ইয়াৰ উপৰিও মই এইবাৰ মহাবিদ্যালয় চৌহদত আমাৰে মহাবিদ্যালয়ৰ শিক্ষাগুৰু ৺সুৰেন্দ্ৰ নাথ ডেকা চাৰৰ স্মৃতিত এটি প্ৰতিমূৰ্ত্তি স্থাপন কৰিবলৈ যোজা কৰিছো। কিন্তু মই ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰো যে, মোৰ বিভাগৰ পুঁজিৰ কিছু অসুবিধাৰ বাবে মোৰ কাৰ্য্যকালৰ শেষতহে উক্ত প্ৰতিমূৰ্ত্তিটোৰ কাম আৰম্ভ কৰিব পাৰিম। শেষত মই মোৰ কাৰ্য্যকালত মই আপোনালোকৰ প্ৰতি কেনে সেৱা আগবঢ়াব পাৰিছো তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত। মোৰ কাৰ্য্যকালৰ প্ৰতিটো খোজতে মোক উৎসাহ-সহযোগ দি অহাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলক মোৰ হিয়াভৰা মৰম আৰু শ্ৰদ্ধা যাচিলোঁ।

ধন্যবাদেৰে—

**দাদুল চলিহা,**

সম্পাদক, সুকুমাৰ কলা বিভাগ।

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—



মোব ক্ষুদ্ৰ প্ৰতিবেদনৰ আবম্ভনিতে মঙলদৈ মহাবিদ্যালয়ৰ পৰম পূজনীয় গুৰুসকলক শ্ৰদ্ধা নিবেদিছো। ১৯৮৯/৮৮ চনৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিবলৈ নিৰ্বাচনত অধিক ভোটত জয়ী কৰি আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী-ছাত্ৰীয়ে তেওঁলোকৰ সেৱা আগবঢ়াবৰ বাবে যিকণ সুবিধা মোক দিলে তেওঁলোকলৈও মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

উমৈহতীয়া কিছুমান স্বাৰ্থৰ দোলেৰে সাঙোৰ খাই থকা কিছুমান ব্যক্তিৰ সমষ্টিকে সমাজ আখ্যা দিব পাৰি। গতিকে এটি চুবুৰীৰ পৰা এখন গাওঁ, এখন ৰাজ্য এখন দেশ বা ৰাষ্ট্ৰ আৰু সমগ্ৰ বিশ্বই হৈছে এখন সমাজ।

সমাজ-সেৱা, ৰাইজৰ সেৱা আৰু দেশৰ সেৱাই হৈছে নিষ্পেষিত জনগণৰ অৰ্থনৈতিক মুক্তিৰ হকে চলোৱা পবিত্ৰ সংগ্ৰাম। আজিৰ যুগত অসম তথা উত্তৰ পূৰ্ব ভাৰতত সমাজ সেৱাৰ অতি প্ৰয়োজন হৈ পৰিছে। সেইবাবে ছাত্ৰ অৱস্থাতে ইয়াৰ বিষয়ে চালিজাৰি চোৱা অতি প্ৰয়োজন।

**কাৰ্য্যকালৰ সময়ছোৱাত—**

আন বছৰৰদৰে এই বছৰো কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ মুৰত এক গধুৰ দায়িত্ব আহি পৰে। সেইয়া হ'ল "মহাবিদ্যালয় সপ্তাহ' ( College week ) বিভিন্ন কাৰ্য্যসূচীৰ লগতে মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগেও বহু কেইটা কাৰ্য্যসূচীৰ হাতত লৈ মহাবিদ্যালয় সপ্তাহ অতিবাহিত কৰে। সমাজ সেৱা বিভাগে শ্ৰমদান প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা, আৰু সাধাৰণজ্ঞান প্ৰতিযোগিতা পাতি বিদ্যালয় সপ্তাহ উদ্‌যাপন কৰে। প্ৰায় ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন শিতানত অংশ গ্ৰহণে প্ৰতিযোগিতা সমূহ সাফল্য মণ্ডিত কৰি তোলে।

ইয়াৰোপৰি মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ প্ৰয়োজনীয় সা-সজুলিখিনি মোৰ কাৰ্য্য কালতেই কিনা হয়। কিন্তু এটা Store Room ৰ অভাৱ এতিয়ালৈ থাকি গ'ল। মোৰ পিছৰ

সম্পাদকে সেইখিনি অভাৱ মোচন কৰিব পাৰিব বুলি গভীৰ আশা ৰাখিছো ।

মহাবিদ্যালয়ৰ সমাজ-সেৱা বিভাগে যোৱা ১৫/১০/৮৮ তাৰিখে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ বাসত এটি এদিনীয়া সমাজ-সেৱা শিবিৰ স্থাপন কৰি N. H. Road ৰ পৰা ছাত্ৰাবাসলৈ ৰাস্তা এটা নিৰ্মাণ কৰে । আকৌ ২০/১১/৮৮ তাৰিখ মহাবিদ্যালয় ছাত্ৰীনিবাসত অৰ্দ্ধদিনীয়া শিবিৰ পাতি ছাত্ৰী নিবাসটোৰ কেউকালে কাঁটাটাৰৰ ব্যৱস্থা কৰি দিয়ে । তাৰোপৰি চাফাইকে আদি কৰি বিভিন্ন উন্নয়নমূলক কাম কৰা হয় । মহাবিদ্যালয়খন পৰিষ্কাৰ কৰি ৰখা কাৰ্য্যত এই বিভাগে চোকা দৃষ্টি ৰাখে । নতুন গছ-পুলি ৰোপন, পুৰণি গছপুলিৰ ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা, চাফাইকে আদি কৰি বহুতো কাম এই বিভাগে কৰে ।

অভাৱ অভিযোগ ঃ

মঙলদৈ মহাবিদ্যালয়ৰ সমাজ-সেৱা বিভাগত এটা ভৰাল ঘৰ ( Store Room ) ৰ অভাৱ বহু দিনৰে পৰা অনুভৱ কৰি অহা হৈছে । প্ৰত্যেক বছৰৰ বিভাগীয় সম্পাদকসকলে কৰ্তৃপক্ষক এই বিষয়ে জনাই থকা স্বত্বেও আজি কোপতি অভাৱটোৰ মৰিমুৰ কৰিব পৰা নহ'ল । মইও বিভাগীয় কৰ্তৃপক্ষক এই বিষয়ে জনাই ভাগৰি পৰিছো । কৰ্তৃপক্ষই অলপ মনোযোগ দি বিষয় টোৰ প্ৰতি বিবেচনা কৰিলে অভাৱটো নাইকীয়া হব বুলি ভাবিছো । লগতে এই প্ৰতিবেদনৰ জৰিয়তে মহোদয়ক অনুৰোধ জনাইছো ।

মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী আৰু কৰ্মীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

মোৰ সকলো কামতে সহায়-সহযোগ আগ-বঢ়োৱা বাবে বন্ধুবৰ / বান্ধৱী সকললৈও মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ ।

মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ তথা সক্ৰিয় সহযোগ আগবঢ়োৱা বাবে ভাৰপ্ৰাপ্ত অধ্যাপক মহোদয় আৰু অধ্যাপক / অধ্যাপিকা সকললৈও মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো । লগতে মোৰ অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰি আজিলৈ সামৰিছো ।

এম. ফাৰুক হাজৰিকা ( বাপু )
সম্পাদক, সমাজ সেৱা
মঙলদৈ কলেজ ছাত্ৰ সন্থা ।
১৯৮৭/৮৮ চন ।

# প্ৰতিবেদন—

প্ৰিয় ছাত্ৰ-ছাত্ৰী,

প্ৰতিবেদনৰ আৰম্ভণিতে গণ আন্দোলনত প্ৰাণ আহুতি দিয়া সহস্ৰজন শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ আৰু লগতে সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ আন্তৰিক অভিনন্দন আৰু ওলগ যাচিছোঁ।

ঐতিহ্যমণ্ডিত মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ১৯৮৭-৮৮ চনৰ তৰ্ক বিভাগৰ সম্পাদক পদত নিৰ্বাচিত কৰি আপোনালোকে গণতান্ত্ৰিকভাৱে মোৰ ওপৰত থকা আস্থা প্ৰকাশ কৰা বাবে মই আপোনালোকৰ ওচৰত কৃতজ্ঞ। মহা-বিদ্যালয়খনৰ বাহিৰে-ভিতৰে থকা আসোঁৱাহ সমূহ দূৰ কৰাত আৰু মহাবিদ্যালয়খনৰ তৰ্ক আৰু আলোচনা তথা সামূহিক উন্নয়নৰ ক্ষেত্ৰত কিমানখিনি বৰঙণি আগবঢ়াব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়।


শেষত মোৰ কাৰ্য্যকালত প্ৰত্যক্ষ তথা পৰোক্ষভাৱে সহায় আগবঢ়োৱা সমূহ ব্যক্তিলৈ ধন্যবাদ জ্ঞাপন কৰি মঙলদৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নয়ন কামনাৰে মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰিছোঁ।

অভিজিৎ শৰ্ম্মা
সম্পাদক,
তৰ্ক আৰু আলোচনা বিভাগ।


# সম্পাদনা সমিতি




বহি বাওঁফালৰ পৰা—আলোচনী সম্পাদক—শ্ৰীভবেশ বৰুৱা
সভাপতি / অধ্যক্ষ—আব্দুল মজিদ
উপ-সভাপতি / উপাধ্যক্ষ—ড° পূৰ্ণ চন্দ্ৰ বড়া
তত্বাৱধায়ক / অধ্যাপক—শ্ৰীমতিৰাম মেধি
থিয়হৈ বাওঁফালৰ পৰা--মিচ্ ধুলি ডেকা ( সদস্যা )
মিচ্ ফুলপ্ৰিয়া ডেকা ( সদস্যা )
মিঃ গিৰীশ শইকীয়া ( সদস্য )
সদস্য ধৰণী ধৰ ডেকাক ফটোত দেখা নগল ।



বছৰৰ শ্ৰেষ্ঠ অভিনেতা তথা "গুৱাহাটী বিশ্ববিদ্যালয় যুব মহোৎসৱত" দুটাকৈ ৰূপ আৰু ব্ৰঞ্জৰ পদক বিজেতা—
মিঃ দাহুল চলিহা



ব্ৰীজ চেম্পিয়ন—মিঃ প্ৰবীণ ডেকা, মিঃ হৰিচৰণ শৰ্ম্মা



বছৰৰ শ্ৰেষ্ঠ কুইজ প্ৰতিযোগিতাৰ প্ৰথম দল—
মিঃ নিত্যানন্দ তালুকদাৰ ( বাওঁফালে )
মিঃ লক্ষণ চহৰীয়া ( মাজত )
মিঃ বীৰেন্দ্ৰ কলিতা ( সোঁফালে )



ৰাষ্ট্ৰীয় সেৱা আচঁনিৰ পূৱ কামৰূপ মহাবিদ্যালয়ত হৈ যোৱা বিশেষ শিবিৰ, '৮৭-'৮৮ ত অংশ গ্ৰহণকাৰী মঙলদৈ মহাবিদ্যালয়ৰ গোট—

বহি বাওঁফালৰ পৰা—

নাৰায়ণ চহৰীয়া ( অধিনায়ক ), ৰাজেন্দ্ৰ বৰুৱা ( কাৰ্য্যসূচী বিষয় ), অন্‌জন ডেকা ।

ঠিয়হৈ বাওঁফালৰ পৰা—

দিলীপ কুমাৰ নাথ, প্ৰবীণ কলিতা, ভৈৰৱ ডেকা, ত্ৰৈলোক্য ডেকা ।

# MANGALDAI COLLEGE MAGAZINE

## ENGLISH SECTION


Dickens's 'Oliver Twist" : A study of the Loving Heart—1

Mrs. A. Bhuyan, M. A., M. Phil

Grow More Academies—4

Abdul Mazid, principal, Mangaldai College.

India in 2000 A. D.—8

Bhabesh Baruah (Editor) T. D. C. 2nd year ( Sci )

Indian's who won the Noble Prize—10

Bhaskar Jyoti Sarmah, T. D. C. 1st year ( Arts )

Be Smart, Be Successful—12

Zakir Ahmed Kibria ( T. D. C. Sc.) 1st year

# DICKENS'S 'OLIVER TWIST': A STUDY OF THE LOVING HEART.

Mrs. A. Bhuyan, M. A., M. Phil.

What can be discerned from an analysis of Oliver Twist is that there is an intricate relationship between Dickens's social vision and his treatment of children who he felt were the worst victims of social injustice. What is stressed and which lies at the root of Dickens's portrait of an age is the corporate life of the individual which was highlighted by the age of materialism and an increasingly industrial society. Corporate values have since then become the hallmark of his novels which are balanced between the good and the bad. This fact is brought out by the representation of two forms of evil ; the workhouse and Fagin's world. The contrast which is inherent in the two images of evil bring out institutionalised victimization of the child through starvation and oppression in the first, whereas in the second the image of evil has its own resonant vitality which serves to build in Oliver a feeling of being secured which he does not get through his experience of the workhouse.

What makes 'Oliver Twist' remarkable is the savage intensity with which Dickens's brought to light certain sordid aspects of the English social life. The essential element in this novel is the protest against the poor and indifferent treatment meted out to the paupers, especially to the children of the workhouse, and the filth and misery of the London slums "which bred human as well as animal vermin and were the factories of manifold crime."[1]

1. I vor Brown, DICKENS IN HIS TIME ( London, 1963 ) P. 14

Oliver is an orphan and the society is more to be blamed for his present plight than any particular individual. When the workhouse boy Oliver Twist, made his famous request for more, he was only pleading for a second bowl of gruel, which, which is a light liquid food made by boiling or oatmeal or another farinaceous substance in water or meal. It is made plain by Dickens that the Board of Guardians presiding over Oliver's workhouse were members of the "plain-water school." They did not believe in spoiling the children with milk.

Oliver leaves this world to enter another dark world-the world of thieves. When Dickens as a young reporter visited the prison where the young criminals were confined, he was shocked to see the expressions on their faces :

> Fourteen such villainous little faces we never beheld. There was not one redeeming feature among them not a glance of honesty—not a wink expressive of anything but the gallows and the hulks, in the whole collection. As to anything like shame or contrition that was entirely out of the question. 2

Dickens had these characters in his mind when he drew the picture of Fagin and his gang but Dickens thought that society was more to be blamed then the individuals themselves. However, Dickens wants to show that the world of Fagin does provide shelter to a class of people who otherwise would have died of poverty. Oliver Twist comes near to death several times. In the workhouse he suffers from starvation and his condition is no better in the Sowerberry kitchen.

Oliver was faint with hunger and fatigue after he had walked for miles to London and it was at this particular time that the Artful Dodger provides him a meal and takes him to Fagin's den. But this was not the kind of freedom that Oliver desired. Though Oliver has never known any

2. Ibid, P. 68

other condition he finds his present life intolerable. The idea of living a respectable life was ingrained in his mind :

> The boy had no other friends to care for, or to care for him. The regret no recent of seperation was fresh in his mind; the absence of no loved and well—remembered face sank heavily into his heart. But his heart was heavy not withstanding. 3

But it is in Oliver's fate that he should finally be rescued once and for all. It is not through his efforts that the met amorphosis takes place. Until he wakes up at Brownlow's house he is a poor boy struggling against the inhumanity of the world. It is with the help of Mr. Brownlow and the Maylies that Oliver's lost property is restored to him and he is established as a proper member of society.

Thus there are three different stages through which Oliver has to pass in the course of the story—the world of the workhouse, Fagin's world and lastly the comfortable world of Mr. Brownlow and Maylies. Through the use of contrast, Dickens exposes Oliver to different social enviornments and with the help of the external factors he is assured of a place in society. The individual does not count so much as an individual, as the change is brought by the pressures of society. Again it is society in the form of Brownlow and Maylies through which Oliver gains a position in society, which is a reflection of Dickens's belief in an organic social life.

Oliver Twist cannot be rightly assessed as a social document. It does not present merely the life of the poor after the Industrial Revolution like Hammond's Town Labourer or Engels's Condition of the Working Class in England in 1844. The way in which Oliver Twist differs from a social history is that it deals with characters whose feelings we share. Our feeling for Oliver is like our feeling for any suffering child we come across on the street. The image which makes a lasting impression in Oliver Twist is that of a lost boy, without any knowledge of his family or relations, imprisoned all alone in a house, peering with a melancholy face through the window, at world with which he cannot communicate.

---

3. Oliver Twist. Chapter 5 ( Penguin, 1982 ) P. 75

# GROW MORE ACADEMIES

Abdul Mazid,
Principal,
Mangaldai College

We do sound much more for the spread of education and the eradication of illiteracy. In order to achieve the goal we are executing plans even for adult education. However, inspite of all these plans the percentage of educated persons in the country is still far below the desired level.

The educational institutions play the main role of spreading education. Institutions for educational advancement should therefore grow and the more we can have the better is the result. The expression 'mush-room growth' of institutions is misleading and also contradictory to the idea of educational advancement, when even the required minimum number of institutions is yet to grow. Any one connected with the educational institutions must have realised that the institutions are few and the admission seeking students are many times larger than the accommodating capacities of the existing institutions:- schools or colleges. Therefore, if any increase in the present number of institutions is mush-room growth, then such mush-room growth is essential for reducing the serious burden and headache of the management and also for providing scope to a large number of young people who are increasing in number year after year. We are to be able to app-reciate the real circumstances behind, instead of fixing our eyes solely on the consequences.

Within the areas of the towns and cities, we find a number of institutions for education including colleges. All

those institutions admit students from town or city areas and also from distant villages. As the seats in the educational institutions are naturally subject to limitations, and the inconveniences in giving due attention to the courses by the students, specially those who come from distant places, are many, there should be no grudging to similar growth of the educational institutions like colleges in the different rural areas to meet the academic needs of the rapidly rising number of students in those areas. Further, the institutions are established by the local people to satisfy their need, best realised by them. Others from distances have nothing to disturb by describing the growth as mush-room or political etc.

If educational institutions like colleges grow in different areas higher education will be economic and even the poorest of the people will get the opportunity to get entrance to the academic institutions, Further, township also will in the long run, spread in the rural areas. A silent process of change and adjustment of out-look and living pattern in the societies neighbouring the institutions is inevitable and that will ultimately pave the way for "back to village".

Again what is of utmost importance to-day is the reduction of the excess numbers of students in the classes for proper teaching and learning. This is to be ensured not by denying scope to some, but by providing the same for all. This leads to the conclusion that in the present circumstances we must have more institutions for learning.

The word 'growth' carries a special sense. The institutions grow and are not made by the whims of someone. An institution grows because there are natural forces and circumstances that lead to its growth. The inception or growth of an institution at a particular place testifies to the fact that there is need for its growth and the inception simply fills up the vacuum. We therefore find that the institutions that are sponsored are always growing up, though there may be some kind of shortcomings and problems at the initial stages. If there is any exception, such exception should not be taken as rule. It is to be admitted that funds. lands, buildings,

equipments and enrolment etc. may not be satisfactory at the initial stage. On the otherhand we must also admit that nothing is in full stature on the day of birth. The right tò education is the finest of the rights under articles of the modern democratic constitutions. it also means a right to have educational institutions for the intellectual and cultural progress of the children of all generation within easy reach. This right for starting and developing an academic institution in the local area is natural and requires recommendation or approval or permission from no-body on earth so long the society is civilised. The organished bodies like Board or University or Educational department at best, regularise and supervice the standard & management of a grown up institution.

The foreign Government established some Schools and Colleges for modern educations according to the needs and circumstances of the time. The process continued, but the maximum contributions towards the rapid increase in the number of institutions, have come from private initiative. The governments at present are mainly extending financial a assistance, and that too only when the institutions grow and take a definite shape. The bodies like Board and Univers ty are concerned mainly with the courses and examinations. Popular enthusiasm and initiative are still the founding forces. It can rightly be claimed with emphasis that the local sponsoring bodies have been immensely contributing towards the educational progress of the nation by establishing new schools and colleges.

The proposals of sponsoring bodies for starting a college or any educational institution should not therefore be directly or indirectly disregarded or rejected by describing the public enthusiasm for the same as mush-room growth political or otherwise. The sponsoring bodies give birth to institutions and bring up the same to full growth. The other connected bodies who have normal and legal obligation to extend help to the institutions should do their part encouragingly. The sponsoring bodies are guided and assisted by University, Board and go-

vernment, as the ultimate benefits of the academic institutions go to the nation. It is to be mentioned that the public donations required for starting and bringing up a college to proper stage are now-a-days not so generous to enable the private bodies to meet all the requirements. It is also to be mentioned that the increasing demand for admission to educational institutions can be satisfied only by a good number of institutions in different areas. It is therefore a legitimate and national claim that more institutions should grow and the new institutions should gain sympathy of all concerned, right from the day of the proposal for inception or giving brith.

During monarchies, education was an optional function of the state. The monarchs mainly ruled for their own interests. So far the modern democracies or republics are concerned, education is an essential of the basis of the state as well as an assential condition of its existence. It is now an unaveidable rather a compulsory function of the democratic states. Hence the states should see that educational institutions grow and satisfy the needs of the society and the nation.

History reflects the superiority of education in the competitive exitstence of the nation. Rise and fall of a nation definitely depend also on the degrece of advancement of education. Hence there should be unrestricted hand in the endeavour for academic development by establishing new institution like colleges.

Measures of prohibitive nature, condition of restrictive tendency and discouraging comments on the growth reflect anti-democratic and anti-national philosophy Nourishment to the baby-born should be substituted for the bare adverse comments on the weak health of the baby. A similar principle should be valued in the case of educational institutions also, as the ultimate result we disire is the common benefit of the nation.

Mush-room growth and essential growth donot convey the same sense. It is in the later sense that we may rightly claim for grow more academics.

# INDIA IN 2000 A. D.

Bhabesh Baruah
( Editor )
T. D. C. 2nd year

To Visualize what India would be twenty years hence is at once interesting and difficult. Time decides a long period in an individual's life but they represent only a small span of time in the history of a nation.

After the great struggle of twenty years the sun of independence dawned on the horizon of Mother India on the 15th August 1947. However, when our independence was only infant, it had to face many hard and complex problems. The tremendous task was to consolidate six hundred and odd Indian states, ruled by feudal princes. Thus began the task of building a free new India under a heavy pall of gloom and darkness. But thanks to our leaders, these dificulties were removed in no time.

Three things are essential for making a nation great and prosperous. These are education and enlightenment, agricultural and industrial wealth and finally, strength of character and true spirit of citizenship. It will be absurb that those things can be achieved overnight as though by a little rubbing of Aladdin's lamp. But it is expected that speedy and conerete measures are taken to attain these objectives. What have we attained, we may ask, in thuse spheres since the dawn of independence ? The answer is not very reassuring.

There has been no dearth of schemes, and projects. We have had five Five—year plans and now we are passing through the sixth plan.

Despite all this hectic planning, one feels that nothing substantial has been done to a meliorate the conditions of the poor. In India about 70 percent of the population lirees on agriculture. It is hoped that with the completion of multipurpose projects, Indian farmer will no longer be at the mercy of rain god by 2000 A. D. Apart from this, the Agricultural methods would undergo radical changes and the green revolution will cover whole of India.

The prospect of material changes in realms of industry is equally bright. Today we still import heavy machinery from abroad. With the establishment of steel plants at Bokaro, Visakhapanam salem and Hospet etc., India will be self sufficient in good quality of steel. It is hoped that within next two decades, India will be able to manufacture excellent cars, aeroplans and other type of light and heavy machinery. The bullock-cart would disappear from the Indian roads and trucks and lorries would be the chief means of transport for passengers and goods traffic. Industrial and agricultural advance will bring about economic prosperity. At present per capita income in India is miserably low and average standard of living simply tragic. The Indian of 2000 A. D. will be educated at state expense and most of the amenities which are at present the exclusive monopoly of the rich, will be at his disposal. State insurance, state medical service, insurance against unemployment will profably become a regular future. There would be a roof over the head of every Indian and the existing slums, particularly in industrial towns, will no longer disfigure the fair name of India. Also illiteracy will be a thing of the past,

To play a prophet is always a thrilling but highly ticklish job. The best calculation of men go wrong, for the future has a tendency to unfold itself in the most unexpected manner. Hence if one were to fall asleep today and wake up in 2000, be would rub his eyes again and again and see that his country has changed beyond recognition. He will find himself under a new heaven and an a new earth.

# INDIAN'S WHO WON THE NOBEL PRIZE

Sree Bhaskar Jyoti Sarmah
T. D. C. 1st year

"Where the mind is without fear
And the head is held high ;
Where the world has not been broken up
Into Fragments by narrow domestic walls.........
.........Into that heaven of freedom, my father,
let my country awake.

—Gitanjali.

Rabindranath Tagore (1861-1941)- Author and educator, Founded the Shantiniketan (1901) which later on became the Viswhabharati university. Tagore wrote love-lyrics. "Gitanjali" and the philosophical work "Sadhana" are important works. India's national anthem was written by Tagore. He was awarded Nobel prize for literature in 1913. It was Tagore who first won the Nobel prize for India through his inimitable strains of poetic genius viz—Gitanjali.

C. V. Raman (1886-1970) physicist Raman was born at Thiruvanaikkaval near Tiruchirappilly in Tamilnadu, He was educated in Presidency college, Madras, married to Lokasudari, awaded Nobel prize for physics in 1930 for study of scattering of light, popularly known as 'Raman Effect', the theory describes change in frequency of light passing through transparent medium.

Hargobinda Khorona ( 1922 ) — Now an American citizen, was bron

in Raipur, Madhya pradesh. He is married to a Swiss. Khorona was awarded Nobel prize in 1968 for medicine for laboratory Synthesis of a yeast gene for the first time.

Mother Teresa (1910) was born to Albanian parents Skoplje, Yugoslavia baptized Agnes Gonxha Bojaxhin. She came to India when she 18 and took up Teaching. She established a new congregation of 'Missionaries of charity'. Which was approved by vatican in 1950. Mother Teresa became an Indian citizen in 1948. She was awarded Nobel Prize for peace in 1979.

Subramaniam Chandrasekhar (1910) Now an American citizen, was born at Lahore, now in Pakistan, where his father was working. He was educated in Presdency college, Madras. Noble laurate C. V. Raman was his uncle. All of Chandrasekhar's three brothers are Scientists. Married to Lalitha, who was one year his junior in college. She is also physicist. He was awarded Nobel Prize for physics in 1983 for what is now known as "Chandrasekhar's Limits" which determines the minimum mass of a dyiug star enabling it to survive.

## Improve your personality :

# Be smart, Be successful

Zakir Ahmed Kibria
( T. D. C. Sc. ) 1st year

"You look smart in these clothes" is a tribute to one's physical appearance. "Smart young men are needed" —such an advertisement demands that the young should be active and prepard to take up the challenges. In fact smartness does not lie in wearing a particulars type of dress; it is more than physical oppearnee. No doubt handsome appearance, proper dress and physical fitness contribute to smartness but as a quality it is permanent and something more than physical build-up. Smartness is more concerned with wit, intelligence and understanding. A smart person should be witty in replies, quick in grasping the situation and shreud in tackling situation.

Understanding— The first requisite of smartness besides the external grooming is the understanding of the person. The sharpness of wit and intelligence scores a point in conversation or in discussions. The man can adapt himself to his surrounding wich means circumtances and situations. (It is a person can master the situations quickly he will surpass othrs in different department of life). Understandine and adaptability are therfore the two main features of

smartness. ( A person who becomes rigid and wants the situations to adjust with him will never meet success. His position will be like a tree which is uprooted by the strong gust of wind because it refuses to bend like a blade of grass.)

Adjustments— Situations not only need adjustments but also proper tackling. One must know when one should strike and at which point. Till one can mauld the unfavourable circumtances into the favourable ones one can never outsmart others. ( If many interests clash, one will have to eliminate them. This needs a very careful handling. Sometimes one's pride, one's remarks, and one's awkward actions may do a lot of harm to one's own cause. ) A word spoken at a wrong time may cause irritation and the situation may become worse. Similarly and awkward action may lead to the complication of the problem.

Readiness in action— Readiness in action is another attribute of smartness. Some people due to lack of initiative or lack of proper understanding may not help the man. unless the situation is handled immediately it may get worse. In politics some issues are knowingly prolonged because they think that the persons who sponsor an agitation may tire themselves out. But this Principle is not applicable to normal actions of normal human beings. ( One should be ready to take up work. )

Education and experience—Readiness in action and quickness of understanding storout from a variety of other qualities like education, experience, endawments and so on. These qualities can be acquired through social contacts and social life. Infact the qualities constituting smartness are inherent ; one needs a proper atmosphere for their flowering. ( A person living in a village may be just a fool when he first comes to a city. But this does not mean that such a person will never be smart. As he starts living a different type of life he adopts himself. )

Fighiting back—The will to fight back, to conquer and not to be victimised or defeated is a must for a smart person. He has to establish himself, push himself forward and to

# মঙলদৈ মহাবিদ্যালয় আলোচনী

## EDITORS AND PROF-IN-CHARGE OF MANGALDAI COLLEGE MAGAZINE FROM 1958—86-87

| Session | Editor | Prof in-charge |
|---|---|---|
| 1958—59 | Shri Bodheswar Deka | Shri P. Bora |
| 1960—61 | Shri Soneswar Sarma | Shri D. Neog |
| 1961—62 | Shri Hara Gauri Adhikari | Shri P. Bora |
| 1962 - 63 | Shri Maheswar Kalita | Shri D. Neog |
| 1963—64 | Shri Tuwa Ram Deka | Shri D. Neog |
| 1964 –65 | Md. Fazlul Karim | Shri D. Neog |
| 1965—66 | Shri Bashab Ch. Sahariah | Shri D. Neog |
| 1966—67 | Shri Hem Kanta Deka | Shri J. C. Sarma |
| 1968—69 | Shri Naren Hazarika | Shri J. C. Sarma |
| 1969—70 | Shri Prabhat Nr. Choudhury | Shri J. C. Sarma |
| 1970—71 | Shri Dinabandhu Sarma | Shri J. C. Sarma |
| 1971—72 | Md. Mahiuddin Jiaul Haque | Shri B. Kakati |
| 1972—73 | Shri Premananda Nath | Shri B. Kakati |
| 1973—74 | Shri Bhabendra Ch. Deka | Shri B. Kakati |
| 1974—75 | Shri Juran Ch. Kalita | Shri B. Kakati |
| 1975—76 | Shri Debendra Kr. Sarma | Shri B. Kakati |
| 1976—77 | Shri Bhaba Kt. Hazarika | Shri B. Kakati |
| 1977—78 | Shri Paramananda Razbongshi | Miss Naharun Nesha |
| 1978—79 | Shri Sailendra Kr. Sarma Baruah | Shri M. P. Baruah |
| 1979—81 | Shri Pankaj Kr. Goswami | Shri Bizay Goswami |
| 1981—82 | Shri Gagendra Baruah | Shri Bharat Sarmah |
| 1982—83 | Shri Biswajeet Goswami | Shri Bharat Sarmah |
| 1983—84 | Shri Dulal Barua | Shri Bharat Sarmah |
| 1985—86 | Shri Siba Prasad Baruah | Shri Matiram Medhi |
| 1986—87 | Shri Minaram Hazarika | Shri Matiram Medhi |
| 1987—88 | Shri Bhabesh Baruah | Shri Matiram Medhi |

মঙলদৈ মহাবিদ্যালয় ছাত্র সন্থাৰ হৈ আলোচনী বিভাগৰ সম্পাদক শ্ৰীভবেশ বৰুৱাৰ দ্বাৰা প্ৰকাশিত আৰু ধৰিত্ৰী প্ৰিণ্টাৰ্চ, মঙলদৈ – ৭৮৪১২৫ অ'ত মুদ্ৰিত।